www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

অন্ধই যদি অন্ধক পথ দেখুৱাই, দুয়োজনেই খালত পৰে। — নিউ টেষ্টামেণ্ট।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ২৩৬ ❐ মঙলবাৰ ❐ ১৮ নৱেম্বৰ, ২০২৫ চন ❐ ১ আঘোণ, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 236 ❐ Tuesday ❐ 18th November, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

## ছৌদি আৰৱত ভয়ংকৰ বাছ দুৰ্ঘটনাত ৪২জন ভাৰতীয় হজ যাত্ৰী নিহত



### অধিকাংশই হায়দৰাবাদৰ বাসিন্দা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ নৱেম্বৰ ঃ** ছৌদি আৰৱৰ পবিত্ৰ নগৰী মক্কাৰ পৰা মদিনা অভিমুখে যোৱা এখন যাত্ৰীবাহী বাছৰ সৈতে সংঘটিত ভয়াৱহ দুৰ্ঘটনাত কমেও ৪২ গৰাকী ভাৰতীয় হজ যাত্ৰীৰ মৃত্যু হোৱাৰ খবৰ পোৱা গৈছে। সোমবাৰে পুৱা ভাৰতীয় সময় অনুসৰি প্ৰায় ১: ৩০ বজাত মক্কা-মদিনা মহাসড়কত এখন ডিজেল টেংকাৰৰ সৈতে বাছখনে মুখামুখি খুন্দা মাৰে। তীব্ৰ সংঘৰ্ষৰ ফলত বাছখনত ▸▸৬ পৃষ্ঠাত

### আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধিকৰণৰ এই ৰায়

## বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাক মৃত্যুদণ্ডৰ ৰায়



**ডিজিটেল ডেস্ক, অসম বাৰ্তা, ১৭ নৱেম্বৰ ঃ** বাংলাদেশৰ ইতিহাসত এক ক'লা অধ্যায়ৰ সাক্ষী হৈ ৰ'ল আন্তৰ্জাতিক অপৰাধ ন্যায়াধিকৰণ। দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা আওয়ামী লীগৰ সভানেত্ৰী শ্বেখ হাছিনাক মানৱতাৰ বিৰুদ্ধে অপৰাধৰ গোচৰত দোষী সাব্যস্ত কৰি মৃত্যুদণ্ডৰ শাস্তি ঘোষণা কৰা হৈছে। ৰায় ঘোষণাৰ লগে লগে আদালত কক্ষত উপস্থিত লোকে কৰতালিৰে মুখৰিত কৰি তোলে। তিনিজনীয়া ন্যায়াধীশৰ বেঞ্চৰ অধ্যক্ষ জাষ্টিচ মহম্মদ ▸▸৬ পৃষ্ঠাত



### লালকিল্লা বিস্ফোৰণৰ মূল অভিযুক্ত ডাঃ শ্বাহীনৰ পৰা উদ্ধাৰ তিনিখন পাছপ'ৰ্ট

## তিনিবাৰ পাকিস্তান ভ্ৰমণৰ তথ্য পোহৰলৈ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ নৱেম্বৰ ঃ** দিল্লীৰ লালকিল্লাৰ সমীপত সংঘটিত শক্তিশালী বিস্ফোৰণৰ তদন্ত ▸▸৬ পৃষ্ঠাত

## মৃত্যুদণ্ডৰ ৰায় পক্ষপাতদুষ্ট আৰু অবৈধ বুলি প্ৰত্যাখ্যান শ্বেখ হাছিনাৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ নৱেম্বৰ ঃ** বাংলাদেশৰ আন্তৰ্জাতিক অপৰাধ ট্ৰিবিউনেলে সোমবাৰে দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ বিৰুদ্ধে মৃত্যুদণ্ডৰ ৰায় ঘোষণা কৰিছে। মানৱতাৰ বিৰুদ্ধে ▸▸৬ পৃষ্ঠাত

### অনুৰাগীয়ে সজাই-পৰাই তুলিছে জুবিন ক্ষেত্ৰ ঃ ফুলেৰে সজ্জিত শেষ বিশ্ৰামৰ স্থান

# আজি জুবিনবিহীন প্ৰথমটো জন্মদিন

### ৰাজ্যৰ প্ৰান্তে-প্ৰান্তে ৫৩ সংখ্যক জন্মদিন উদযাপনৰ প্ৰস্তুতি

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ নৱেম্বৰ ঃ** ঈশ্বৰপুত্ৰ জুবিন গাৰ্গৰ আজি ৫৩ সংখ্যক ওপজা দিন। জুবিন গাৰ্গবিহীন প্ৰথমটো ওপজা দিন উদযাপন কৰিবলৈ সাজু হৈছে ৰাজ্যবাসী। ইফালে অনুৰাগীয়ে সুন্দৰকৈ সজাই-পৰাই তুলিছে জুবিন ক্ষেত্ৰ। ফুলৰে সজাই তুলিছে শেষ বিশ্ৰামৰ স্থান। সেউজীয়াৰ মাজত থাকি ভাল পোৱা সেই বিশেষ ঠাইখিনি সোণাপুৰৰ কমাৰকুছি পৰিষ্কাৰ কৰিছে অনুৰাগীয়ে। আনহাতেদি চৰকাৰকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে ভিন্ন প্ৰান্তত ভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে। জুবিন গাৰ্গৰ বন্ধুবৰ্গইও তেওঁৰ জন্মদিনটো ব্যতিক্ৰমীভাৱে পালনৰ যো-জা কৰিছে। ১৯৭২ চনৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাত জন্মগ্ৰহণ কৰিছিল ▸▸৬ পৃষ্ঠাত





### কৰবেট টাইগাৰ ৰিজাৰ্ভত অবৈধ নিৰ্মাণ গছ কটাৰ বিৰুদ্ধে কঠোৰ উচ্চতম ন্যায়ালয়

## ৩ মাহৰ ভিতৰত সকলো অবৈধ স্থাপত্য ভাঙি পেলোৱাৰ নিৰ্দেশ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ নৱেম্বৰ ঃ** উচ্চতম ন্যায়ালয়ে সোমবাৰে (১৭ নৱেম্বৰ) এক ঐতিহাসিক ৰায়দানত উত্তৰাখণ্ডৰ কৰবেট টাইগাৰ ৰিজাৰ্ভত হোৱা ব্যাপক পৰিৱেশ ▸▸৬ পৃষ্ঠাত

### আজি জুবিন গাৰ্গৰ জন্মদিন

## কাহিলীপাৰাৰ বাসগৃহত স্থাপন হ'ব প্ৰাণৱন্ত প্ৰতিমূৰ্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** আজি অসমৰ হাৰ্টথ্ৰৰ জুবিন গাৰ্গৰ ৫৩তম জন্মদিন। এই বিশেষ দিনটোত তেওঁৰ অনুৰাগীসকলে তেওঁৰ বাবে এক অভূতপূৰ্ব উপহাৰ সাজু কৰি তুলিছে। কাহিলীপাৰাস্থিত জুবিন গাৰ্গৰ নিজা বাসগৃহতে ▸▸৬ পৃষ্ঠাত

## ইতিহাস সৃষ্টিৰে মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব নীতিশ কুমাৰে

### দশমবাৰলৈ বিহাৰৰ মুখ্যমন্ত্ৰী হ'ব নীতিশ কুমাৰ ঃ মিত্ৰজোঁটৰ বৈঠকত চূড়ান্ত সিদ্ধান্ত



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ নৱেম্বৰ ঃ** বিহাৰত এনডিএ চৰকাৰ গঠনৰ সকলো জল্পনা-কল্পনাৰ অন্ত পৰিল। জনতা দল (ইউনাইটেড)ৰ নেতা নীতিশ কুমাৰেই দশমবাৰৰ বাবে বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব বুলি এনডিএ মিত্ৰজোঁটে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিছে। বিধানসভা নিৰ্বাচনৰ ফলাফল ওলোৱাৰ পিছতেই বিহাৰ বিজেপিৰ একাংশ নেতাই নীতিশ কুমাৰৰ ঠাইত অন্য কাকবা মুখ্যমন্ত্ৰী কৰাৰ পোষকতা কৰিছিল যদিও শনিবাৰে দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত অনুষ্ঠিত এখন গোপন বৈঠকত এই সকলো বিতৰ্কৰ অৱসান ঘটে। বৈঠকত উপস্থিত থকা ▸▸৬ পৃষ্ঠাত

### ক্ষুদ্ৰ-মজলীয়া বাতৰি কাকতৰ বাবে স্বস্তিৰ খবৰ

## ছপা মাধ্যমৰ বাবে চৰকাৰী বিজ্ঞাপনৰ হাৰ ২৬ শতাংশ বৃদ্ধি



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ নৱেম্বৰ ঃ** তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ছপা মাধ্যমৰ পৰিৱেশ তন্ত্ৰক শক্তিশালী কৰাৰ প্ৰয়াসত বৃহৎ সিদ্ধান্ত গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞাপনৰ হাৰত ২৬ শতাংশ বৃদ্ধিৰ অনুমোদন দিয়া হৈছে, যিটো ২০১৯ চনৰ পিছত প্ৰথমবাৰৰ বাবে ইমান ডাঙৰ বৃদ্ধি। নতুন হাৰ অনুসৰি, বাতৰি ▸▸৬ পৃষ্ঠাত

## লণ্ডনৰ সংগ্ৰহালয়ৰ কৰ্তৃপক্ষ অসম চৰকাৰৰ মাজত আলোচনা সম্পন্ন

### বৃন্দাবনী বস্ত্ৰ অসমলৈ প্ৰদৰ্শনৰ বাবে অনা সন্দৰ্ভত আলোচনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ নৱেম্বৰঃ** অসমৰ চহকী ইতিহাস সমৃদ্ধ বৃন্দাবনী বস্ত্ৰ অসমলৈ প্ৰদৰ্শনৰ বাবে অনা সন্দৰ্ভত আজি লণ্ডনৰ সংগ্ৰহালয়ৰ কৰ্তৃপক্ষ আৰু অসম চৰকাৰৰ মাজত আলোচনা সম্পন্ন হয়। অসম চৰকাৰৰ হৈ মুখ্যমন্ত্ৰীয়ে এই আলোচনাৰ বাবে লণ্ডনলৈ ৰাওনা হোৱাৰ পূৰ্বেই ইয়াৰ ফলত প্ৰজন্মৰ পাছত প্ৰজন্ম বঞ্চিত হৈ থকা ৰাজ্যৰ জনসাধাৰণে স্বচক্ষে ঐতিহ্যপূৰ্ণ বৃন্দাবনী বস্ত্ৰখন প্ৰত্যক্ষ কৰিব পাৰিব বুলি উল্লেখ কৰে। লণ্ডনৰ সংগ্ৰহালয়ত থকা এই আপুৰুগীয়া বস্ত্ৰ ২০২৭ চনত ছমাহৰ বাবে অসমলৈ প্ৰদৰ্শনৰ বাবে অনা সন্দৰ্ভত ইতিমধ্যে ইংলেণ্ডৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰা হৈছিল। এই অনুসৰি এই বস্ত্ৰভাগ গুৱাহাটীলৈ আনি খানাপাৰাত সংগ্ৰহালয়ত ▸▸৬ পৃষ্ঠাত



### কংগ্ৰেছৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ টাইপাৰ, ভয়ংকৰ আন্দোলনৰ হুংকাৰ

## কংগ্ৰেছৰ জনজাতিকৰণৰ প্ৰতিশ্ৰুতি কাগজতে আৱদ্ধ হৈ ৰ'ল

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** লোকসভা নিৰ্বাচনৰ দিন চাপি অহাৰ মাজতে পুনৰ জ্বলি উঠিছে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰশ্ন। টাই-আহোম যুৱ ছাত্ৰ পৰিষদে (টাইপা)ই কংগ্ৰেছৰ ওপৰত প্ৰতাৰণাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি সোমবাৰে সংবাদমেলযোগে ক্ষোভ উজাৰে। সংগঠনটোৱে স্পষ্টভাৱে কয় যে জনজাতিকৰণৰ প্ৰতিশ্ৰুতি বাস্তৱত ৰূপায়িত নকৰিলে আগন্তুক দিনত ভয়ংকৰ আন্দোলনৰ পথে আগবাঢ়িব। টাইপাৰ সভাপতি দিগন্ত তামুলীয়ে ▸▸৬ পৃষ্ঠাত





## টাডা আদালতত জামিন মঞ্জুৰ দৃষ্টি ৰাজখোৱাৰ

**অসম বাৰ্তা, কামৰূপ, ১৭ নৱেম্বৰঃ** গুৱাহাটীৰ টাডা আদালতে আজি প্ৰাক্তন আলফা নেতা দৃষ্টি ৰাজখোৱাৰ জামিন মঞ্জুৰ কৰে। এটা ▸▸৬ পৃষ্ঠাত

### জুবিন গাৰ্গৰ ছিংগাপুৰ যাত্ৰাৰ আঁৰত আছিল কেন্দ্ৰীয় বৈদেশিক মন্ত্ৰালয়!

## মুখ্যমন্ত্ৰীক এপ্ৰিলতে জনোৱা হৈছিল তথ্য নজনোৱাৰ অভিযোগ



**ডিজিটেল ডেস্ক, গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** অসমৰ প্ৰাণপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ পিছত ছিংগাপুৰত অনুষ্ঠিত 'নৰ্থ ইষ্ট ইণ্ডিয়া ফেষ্টিভেল'ক লৈ যি বিতৰ্কই ৰাজ্যজুৰি জুই জ্বলাইছে, তাৰ মাজতে এটা ▸▸৬ পৃষ্ঠাত

## নগা-অসমীয়াৰ সম্পৰ্ক উন্নীতকৰণ সম্পৰ্কত মহাসংঘ এনএছচিএনৰ আলোচনা



**অসম বাৰ্তা, আমগুৰি, ১৭ নৱেম্বৰ ঃ** অসম সন্মিলিত মহাসংঘৰ এক প্ৰতিনিধি দলে নগা সমাজৰ সৈতে অতীততে পৰা প্ৰবহমান সম্পৰ্ক শক্তিশালী কৰাৰ চেষ্টা কৰিছে। এই বৰ্ষৰ ১৪ নৱেম্বৰত ডিমাপুৰত নগা নেতাসকলৰ সৈতে হোৱা এক গুৰুত্বপূৰ্ণ বৈঠকত উভয় পক্ষৰ সন্মতিত কিছু ▸▸৬ পৃষ্ঠাত

### কাইলৈ বাইক ৰেলী

## জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত অসমত গণস্বাক্ষৰ অভিযান

**অসম বাৰ্তা, গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পিছতো ন্যায় নোপোৱাৰ বেদনাৰ মাজতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ চমুকৈ ▸▸৬ পৃষ্ঠাত

## শ্বিলঙৰ চেৰীব্ল'জম ফেষ্টিভেলত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, শ্বিলং, ১৭ নৱেম্বৰ ঃ** শ্বিলঙৰ নৈসৰ্গিক সৌন্দৰ্য্য আৰু ৰূপহী গালিচাৰ দৰে বিয়পি থকা গুলপীয়া-গোলাপী চেৰী ফুলৰ ৰেণুৰ মাজত এই বাৰৰ চেৰী ব্ল'জম ফেষ্টিভেলই কেৱল এখন আন্তঃৰাষ্ট্ৰীয় সাংস্কৃতিক মেলা হিচাপেই আত্মপ্ৰকাশ কৰা নাই, ই এতিয়া এক আৱেগিক স্মৃতিচাৰণৰ মঞ্চলৈও ৰূপান্তৰিত হৈছে। বিশ্ববিখ্যাত শিল্পীসকলৰ মাজত ভাহি অহা অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সুৰৰ তৰংগই এই অনুষ্ঠানক এক ভিন্ন মাত্ৰা দিছে। শ্বিলংৰ ডিমৰিয়া পাৰ্কৰ মঞ্চত শুনিবলৈ পোৱা গৈছে 'মায়াবিনী ৰাতিৰ বুকুত...'ৰ সেই চিনাকি সুৰটো। কিন্তু এইবাৰ ই কেৱল গীত নহয়, এয়া আছিল এক গভীৰ শ্ৰদ্ধাঞ্জলি, এক সমূহীয়া স্মৃতিচাৰণ, অসমৰ সাংস্কৃতিক জগতখনলৈ জুবিন গাৰ্গৰ অৱদানক স্বীকৃতি দিয়াৰ এক সুললিত উপায়। প্ৰতিবছৰে মেঘালয়ৰ ৰাজধানী শ্বিলংত ▸▸৬ পৃষ্ঠাত





সুস্থ সমাজ গঢ়াত যুগে-যুগে অৱদান আগবঢ়াই আহিছে নাৰী সমাজে ঃ মন্ত্ৰী অতুল বৰা

# বৰ্ণাঢ্য কাৰ্যসূচীৰে গোলাঘাট জিলা মহিলা সমিতিৰ শতবৰ্ষীয় আৰম্ভণী অনুষ্ঠান সম্পন্ন, শোভাযাত্ৰাৰে মুখৰিত

## নাৰী-পুৰুষ সমান নহয়, অধিক শক্তিধৰ, পাৰ্থক্য অতীজতো আছিল, এতিয়াও আছে' ঃ বিশিষ্ট সাহিত্যিক ড° কৰবী ডেকা হাজৰিকা

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৭ নৱেম্বৰ ঃ** "সমাজ ব্যৱস্থাত স্ত্ৰী শক্তিৰ ভূমিকা অপৰিসীম। স্বাধীনতাৰ পূৰ্বৰে পৰা দেশখনক নাৰী সমাজে সংগঠিত ৰূপত সবলভাৱে নেতৃত্ব প্ৰদান কৰি আহিছে। ঘৰৰ চাৰি বেৰৰ পৰা সমাজখন, ৰাজ্যখন, দেশখন যে মহিলাসকলে দক্ষতাৰে নেতৃত্ব দিব পাৰে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী আদি বিভিন্ন আসন অলংকৃত কৰি সেই কথা নাৰী সমাজে দৃঢ়তাৰে প্ৰতিপন্ন কৰিছে। দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে গোলাঘাট জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত গোলাঘাট জিলা মহিলা সমিতিৰ শতবৰ্ষ শুভাৰম্ভণী অনুষ্ঠানৰ আজিৰ মুকলি সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম চৰকাৰৰ কৃষি মন্ত্ৰী অতুল বৰাই এনেদৰে মন্তব্য কৰে। প্ৰাদেশিক মহিলা সমিতিৰ সভানেত্ৰী গীতা শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত তেওঁ সমাজখন সুস্থভাৱে গঢ়াত নাৰী সমাজে যুগে-যুগে বলিষ্ঠ অৱদান আগবঢ়াই অহা বুলি উল্লেখ কৰি লগতে কয় যে, দেশে স্বাধীনতা লাভ কৰাৰ পাছতো কিন্তু বিগত চৰকাৰ সমূহে মহিলা সকলৰ উত্তৰণ আৰু বিকাশৰ বাবে বিশেষ গুৰুত্ব আৰোপ কৰা নাছিল। বৰ্তমানৰ চৰকাৰে মহিলা সকলৰ বাবে বহু অভিলাষী আঁচনি গ্ৰহণ কৰি উপকৃত কৰিছে। অৱশ্যে তেওঁ কয়- সমাজখন চৰকাৰে ভাল কৰিব নোৱাৰে। চৰকাৰী অনুদানেও সমাজখন ভাল নাই বা সুন্দৰ কৰিব নোৱাৰে। সেইবাবে যুগৰ লগত খাপ খুৱাই নতুন দৃষ্টিভংগীৰে সমাজখন সমৃদ্ধ কৰাৰ হকে নাৰী সমাজক সক্ৰিয় ভূমিকা পালন কৰাৰ আহ্বান জনায়। শতবৰ্ষীয় উদযাপন সমিতিৰ সভানেত্ৰী তথা গোলাঘাট পৌৰ সভাৰ পৌৰপতি দুলুমণি বৰবৰাই আদৰণী ভাষণ প্ৰদান কৰা সভাত বিত্তমন্ত্ৰী তথা গোলাঘাট বিধান সভা সমষ্টিৰ বিধায়ক অজন্তা নেওগে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মুখ্য অতিথিৰ ভাষণত মন্ত্ৰী অজন্তা নেওগে সৰ্বত্ৰ এতিয়া নাৰী শক্তি জাগৰিত হৈছে বুলি উল্লেখ কৰি কয় যে, আজিৰ নাৰী সবল নাৰী। নাৰী সমাজে বৰ্তমান নিজৰ ভৰিত নিজে থিয় হৈ স্বাৱলম্বী হৈ দেশ তথা ৰাজ্যৰ অৰ্থনীতিলৈ আমূল পৰিৱৰ্তন আনিছে। কিন্তু শিক্ষাই হৈছে সমাজ ব্যৱস্থাৰ প্ৰধান অস্ত্ৰ। একোখন ঘৰত শিক্ষাৰ পোহৰ পৰাৰ লগে-লগে সমাজখনত পৰে। শিক্ষাৰ পোহৰে সমাজখনক আগুৱাই লৈ যাব লাগিব নাৰী সমাজে। সামাজিক ব্যাধি সমূহ নাইকিয়া কৰিবৰ বাবে মহিলা সমাজক একত্ৰিতভাৱে যুঁজ দিবৰ বাবে তেওঁ আহ্বান জনায়। অসমীয়া নাৰী স্বাধীন-চেতীয়া, অসমীয়া নাৰী শক্তিশালী বুলি মন্তব্য কৰি নাৰী সমাজক নিজৰ মৰ্যাদা যোগ্যতাৰে প্ৰতিপন্ন কৰাৰো আহ্বান জনায়। গোলাঘাট জিলা মহিলা সমিতিলৈ তেওঁ ৩০ লাখ টকাৰ অনুদান ঘোষণা কৰে। বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক ড° কৰবী ডেকা হাজৰিকাই সভাত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি তত্ত্বগধুৰ বক্তব্য আগবঢ়ায়। ভাষণত তেওঁ কয় যে -' নাৰী আৰু পুৰুষৰ মাজত পাৰ্থক্য থাকিব নালাগে হয়, কিন্তু অতীজৰে পৰা দেশত নাৰী-পুৰুষৰ মাজত পাৰ্থক্য, বিভাজন আছে আৰু এতিয়াও শেষ হোৱা নাই। তেনে বিভাজন প্ৰচলিত সমাজ ব্যৱস্থাই কৰা। সমাজৰ বান্ধোন এতিয়াও আছে। ভাৰতবৰ্ষৰ আন ৰাজ্যত নাৰীৰ প্ৰতি কৰা চৰম অৱহেলা, বৈষম্য, অত্যাচাৰ, বঞ্চনাৰ কেতবোৰ উদাহৰণ ডাঙি ধৰি সাৱলীলভাৱে কয়, ভাৰতীয় পৰম্পৰাত আমি নাৰীক দেৱীৰ মৰ্যাদা দিওঁ, কিন্তু কাৰ্যক্ষেত্ৰত হৈ উঠা নাই। অসমীয়া মানুহে ইমান বাহিৰৰ সংস্কৃতি আকোঁৱালি লৈছে যে, এনে হ'লে ইয়াৰ কু-প্ৰভাৱ এদিন অসমতো পৰিব। অসমীয়া মহিলাই নিজকে নিজেই চিনি পাওক, অসমীয়া হৈ থাকিলে বাচিব, অধিক সৰ্বভাৰতীয় হ'বলৈ গ'লে সৰ্বনাশ হ'ব বুলিও মন্তব্য কৰে। নাৰী আৰু পুৰুষ সম বুলি কয় যদিও নাৰী পুৰুষতকৈ বহু ওপৰত বুলি বিশিষ্ট সাহিত্যিক ড° কৰবী ডেকা হাজৰিকাই উল্লেখ কৰি লগতে কয় যে, পুৰুষতকৈ নাৰীৰ মানসিক শক্তি অধিক। দয়া, মমমা আৰু প্ৰতিবাদৰ শক্তি অধিক নাৰী সমাজৰ। হাজাৰটা লেঠাৰ মাজতো মহিলাই সৃষ্টিশীলতাৰ বাট কাটি সাহসেৰে আগবাঢ়ি যাব পাৰে, বৰযুণৰ দৰে গঢ়িবও পাৰে, ভাঙিবও পাৰে। নাৰী সমাজক প্ৰকৃত নাৰী, প্ৰকৃত মানুহ হ'বলৈ তেওঁ উদাত্ত আহ্বান জনায়। গোলাঘাট জিলা মহিলা সমিতিৰ সম্পাদিকা ৰূপা শইকীয়াই আঁত ধৰা সভাত প্ৰাদেশিক মহিলা সমিতিৰ সম্পাদক সুচিত্ৰা কেওট, অধ্যাপক ড° জ্যোতিৰ্ময়ী ভট্টাচাৰ্য, কোকোৰাঝাৰ জিলা মহিলা সমিতিৰ সভানেত্ৰী সৰৱী বৰ্মণ, যোৰহাট জিলা মহিলা সমিতিৰ সভানেত্ৰী অস্তমী দত্ত, ড° চুমি ফুকন, গোলাঘাট জিলা মহিলা সমিতিৰ সভানেত্ৰী জুৰি দাস ৰাজখোৱা আদি উপস্থিত থাকে। পুৱা ভাগত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাই গোলাঘাট নগৰ পৰিভ্ৰমণ কৰি মুখৰিত কৰি তুলে।

# ডিব্ৰুগড় শিল্পী সমাজ আৰু ডিব্ৰুগড় ৰাইজৰ উদ্যোগত শিল্পী চৈয়দ ছাদুল্লাক সুঁৱৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**ষ্টাফ ৰিপৰ্টাৰ ডিব্ৰুগড়, ১৭ নৱেম্বৰ ঃ** ডিব্ৰুগড়ৰ নালিয়াপুলস্থিত নেইনা চিনেমা হল প্ৰাংগণত ১৬ নৱেম্বৰ দেওবাৰে ডিব্ৰুগড় শিল্পী সমাজ আৰু ডিব্ৰুগড় ৰাইজৰ উদ্যোগত প্ৰয়াত বৰেণ্য শিল্পী, গীতিকাৰ, আবৃত্তিকাৰ, সুৰকাৰ, গিতাৰিষ্ট, আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ প্ৰথম অসমীয়া বাতৰি পঢ়োতা, অসমীয়া, হিন্দী, ইংৰাজী আদিকে ধৰি বিভিন্ন তথ্যচিত্ৰত ঘোষক হিচাপে কণ্ঠদান কৰা, চৈয়দ ছাদুল্লাৰ সোঁৱৰণত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বকতা নেমুগুৰি নিৱাসী বয়োজ্যেষ্ঠ খুৰীয়েক বেবী বেগম প্ৰমুখ্যে উপস্থিত থকা গণ্য-মান্য ব্যক্তিসকলে চৈয়দ ছাদুল্লাৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলী অৰ্পণ কৰে। তাৰ পিছতে সৰ্বধৰ্মীয় প্ৰাৰ্থনাসভা অনুষ্ঠিত হয়। সৰ্বধৰ্মীয় প্ৰাৰ্থনাত ভকত শ্যাম কলিতা আৰু দিবাকৰ বৰুৱাই ভাগৱতৰ প্ৰথম স্কন্ধৰ প্ৰথম অধ্যায়, মিনহাজ আৰু হাফিছ চাহাবে কোৰান পাঠ, ফাদাৰ ক'ছ পল আৰু তেওঁৰ সংগীবৃন্দই বাইবেল পাঠ, জ্ঞানী গুৰুদয়াল সিঙে গুৰু গ্ৰন্থ চাহিব আৰু যদুপতি শ্যাম দাসে গীতা পাঠ কৰি চৈয়দ ছাদুল্লাই দেখুৱাই যোৱা জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে এক হৈ থকাৰ আদৰ্শক প্ৰতিপন্ন কৰে। অনুষ্ঠানত চৈয়দ ছাদুল্লাৰ কনিষ্ঠ কন্যা সুভানা ছাদুল্লাই আবেগিক হৈ দেউতাকে শিকাই যোৱা কথাবোৰ সুঁৱৰি বক্তব্য ৰাখে। ইংৰাজী শব্দৰ উচ্চাৰণ, সময়ানুবৰ্তিতাকে আদি কৰি বহু কথা দেউতাকে শিকাই থৈ গ'ল যদিও দেউতাক অবিহনে কেনেকৈ জীয়াই থাকিব লাগে সেই কথা নিশিকোৱাৰ বাবে বক্তব্য প্ৰদান কৰাৰ সময়তে আবেগিক হৈ পৰে। তাৰ পিছতে বিশিষ্ট গীতিকাৰ, সুৰকাৰ, সংগীতজ্ঞ প্ৰশান্ত বৰদৈলেয়ে চৈয়দ ছাদুল্লাৰ স্মৃতি বিজড়িত কথাবোৰ উপস্থাপনেৰে বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত আকাশবাণী ডিব্ৰুগড় আৰু ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান মুৰব্বী লোহিত ডেকাই চৈয়দ ছাদুল্লাই তেওঁৰ জীৱনত যোগাই যোৱা অৰিহণাৰ কথা সুঁৱৰি তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। বহু কেইজন গণ্য-মান্য ব্যক্তিয়ে ভাষণ প্ৰদান কৰাৰ পিছতে ডিব্ৰুগড় শিল্পী সমাজে চৈয়দ ছাদুল্লাই সুৰসংগত কৰা, সূৰ্যকুমাৰ ৰাজাই ৰচনা কৰা আৰু মন্দিৰা শৰ্মা লাহিৰীয়ে কণ্ঠ নিগৰোৱা জনপ্ৰিয় গীত 'অহাৰ দৰে উভতি আঁতৰি গ'লা' পৰিৱেশন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সন্দৰ্ভত অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই কয় যে প্ৰয়াত চৈয়দ ছাদুল্লাৰ যিখিনি মহান সৃষ্টিৰাজী, সেই স্মৃতি নৱপ্ৰজন্মৰ মাজত বিলাই দিবৰ কাৰণে ডিব্ৰুগড়ত প্ৰতিবছৰে এইদৰে তেওঁৰ নামত এটা সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰিব পাৰি আৰু তাৰ কাৰণে চিন্তা-চৰ্চা কৰিছোঁ বুলি কয়। চৈয়দ ছাদুল্লাৰ সৃষ্টিৰাজী, গীতসমূহক নৱপ্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত ডিব্ৰুগড়ৰ শিল্পী সমাজ আৰু ডিব্ৰুগড়ৰ ৰাইজেলোৱা পদক্ষেপৰ বাবে বৰুৱাই সকলোকে ধন্যবাদ জ্ঞাপন কৰে। সুৰশ্ৰী ফুকনে আঁত ধৰা এই অনুষ্ঠানত চৈয়দ ছাদুল্লাৰ কনিষ্ঠ কন্যা সুভানা ছাদুল্লা, ভাতৃ চৈয়দ আছাদউল্লাৰ লগতে সমূহ পৰিয়ালবৰ্গ লগতে উপ-মেয়ৰ উজ্জ্বল ফুকন, আকাশবাণী ডিব্ৰুগড় আৰু দূৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান মুৰব্বী লোহিত ডেকা, অসম গৌৰৱ শিল্পী ৰাম চাচনী, সমাজ কৰ্মী চৌকাত লতিফ, নালিয়াপুলৰ ৱাৰ্ড কমিশ্যনাৰ, শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ মুখ্য আহ্বায়ক তথা অনুষ্ঠানটোক সাফল্যমণ্ডিত কৰি তোলা সীমান্ত বৰুৱাকে প্ৰমুখ্য কৰি অনেক গণ্য-মান্য ব্যক্তি আৰু প্ৰায় তিনি শতাধিক চৈয়দ ছাদুল্লাৰ গুণমুগ্ধ আৰু পৰিয়ালৰ লোক উপস্থিত থাকে।

# অখিল ভাৰত বন বিভাগীয় ক্ৰীড়া সন্মিলনৰ ২৮তম্ সংস্কৰণত অসমৰ বন বিভাগে জয় কৰিলে ১৭টা পদক, ৰাষ্ট্ৰীয়স্তৰত লাভ কৰিলে অষ্টম স্থান



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৭ নৱেম্বৰ ঃ** উত্তৰাখণ্ডৰ দেৰাদুনত ১২ৰ পৰা ১৬ নৱেম্বৰ, ২০২৫লৈ অনুষ্ঠিত হোৱা অখিল ভাৰত বন বিভাগীয় ক্ৰীড়া সন্মিলনৰ (All India Forest Sports Meet) ২৮তম সংস্কৰণত অংশগ্ৰহণ কৰিছিল দেশজুৰি ২৮খন ৰাজ্য আৰু কেন্দ্ৰশাসিত অঞ্চলৰ ৪২টা দলে। এই প্ৰতিযোগিতাত অসমৰ বন বিভাগৰ ৭৭জনীয় দলটোৱে অংশগ্ৰহণ কৰি ১৭টা পদক জয় কৰি ৰাষ্ট্ৰীয়স্তৰত অষ্টম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ৰবিন কুমাৰ বৈশ্যই অপূৰ্ব দক্ষতা প্ৰদৰ্শন কৰি ৬০ কিঃগ্ৰাঃ ৱেইটলিফ্‌টিঙৰ MSV আৰু MV শ্ৰেণীত দুটা সোণৰ পদক আৰু ৫৯ কিগ্ৰা পাৱাৰলিফ্‌টিঙৰ শ্ৰেণীসমূহত দুটা ৰূপৰ পদক অৰ্জন কৰে। তেওঁৰ প্ৰদৰ্শনে দলৰ আত্মবিশ্বাস বঢ়াই তুলিছে। বেগাই খোজ কাঢ়ি যোৱা আৰু দৌৰ প্ৰতিযোগিতাত পখিলা আংটিপিয়ে ৪০০ মি. আৰু ৮০০ মি. ৰেচ ৱাকত প্ৰথম স্থান লাভ কৰে। ইয়াৰ লগতে, ২০০ মি. স্প্ৰিণ্টত ৰূপৰ পদক আৰু ১০০ মি. স্প্ৰিণ্টত ব্ৰঞ্জৰ পদক জয় জয় কৰি নিজৰ শক্তিৰ প্ৰদৰ্শন কৰে। ফিল্ড ইভেণ্টসমূহতো অসমৰ ক্ৰীড়াবিদসকল উজ্জ্বলি উঠিছিল। বিজয় চেতীয়া পাত্ৰই ডিস্কাছ থ্ৰ' (MSV শ্ৰেণী) ত সোণৰ পদক জয় কৰাৰ লগতে চট পুট (MSV আৰু MV শ্ৰেণী) উভয়তই ৰূপৰ আৰু ব্ৰঞ্জৰ পদক অৰ্জন কৰে। জয় গোপাল বৰ্মনে ৪০০ মিটাৰ দৌৰত ৰূপৰ পদক জয় কৰি অসমৰ দৌৰ শক্তিক প্ৰদৰ্শন কৰে। মহিলা ক্ৰীড়াবিদ সকলেও এই সন্মিলনত নিজৰ ক্ষমতা প্ৰদৰ্শন কৰিছে। গীতিকা দাসে ৬৩ কিঃগ্ৰাঃ ৱেইটলিফ্‌টিঙত, উৰ্মিলা বৰগোহাঁইয়ে ৪৭ কিঃগ্ৰাঃ আৰু মধুমিতা গগৈয়ে ৫২ কিঃগ্ৰাঃ মহিলা পাৱাৰলিফ্‌টিঙ শাখাত ব্ৰঞ্জৰ পদক জয় কৰিছে। ইয়াৰ লগতে সঙিমিৰ তেৰংপিয়ে মাৰাথন দৌৰত ব্ৰঞ্জৰ পদক জয় কৰি অসমৰ পদকৰ তালিকা সমৃদ্ধ কৰিছে। তদুপৰি, অসমৰ ফুটবল দলেও শক্তিশালী প্ৰদৰ্শন দেখুৱাই ৰূপৰ পদক অৰ্জন কৰিছে। মুঠত অসমৰ বন বিভাগে ৫টা সোণৰ, ৬টা ৰূপৰ আৰু ৬টা ব্ৰঞ্জৰ পদক জয় কৰি ৬১ পইণ্ট সংগ্ৰহ কৰে আৰু ৰাষ্ট্ৰীয়স্তৰত ৮তম স্থান লাভ কৰিবলৈ সক্ষম হয়। এই সফলতা অসমৰ বন কৰ্মচাৰীসকলৰ শৰীৰিক আৰু মানসিক দৃঢ়তাৰ প্ৰমাণস্বৰূপ। এই কৃতিত্বই ৰাজ্যৰ যুৱক-যুৱতীক ক্ৰীড়াত আগবঢ়িবলৈ অনুপ্ৰাণিত কৰিব আৰু বন সংৰক্ষণ, সুৰক্ষা তথা বিকাশক্ষেত্ৰত কৰ্মৰত লোকসকলৰ মাজত ক্ৰীড়াৰ প্ৰতি শাৰীৰিক আৰু মানসিক ভাৱে উৎসাহ বৃদ্ধি কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। অসমৰ চৰকাৰ আৰু বন বিভাগে সকলো বিজয়ী খেলুৱৈক অভিনন্দন জ্ঞাপন কৰিছে।

# ধেনুচোছা প্ৰাথমিক বিদ্যালয়ৰ শতপঞ্চবিংশতিতম জয়ন্তীৰ সামৰণি

**অসম বাৰ্তা, যোৰহাট, ১৭ নৱেম্বৰ ঃ** ৮৬ নং ধেনুচোছা প্ৰাথমিক বিদ্যালয়ৰ ১২৫ সংখ্যক জয়ন্তীৰ সামৰণী অনুষ্ঠান ১৪- ১৫ নৱেম্বৰত সম্পন্ন হয়। ধেনুচোচা, চেউনি আলি, গোহাঁই টেকেলা, চান্দৈ টেকেলা, বড়িগাঁও, চেঙেলি গাঁও, কুঁৱৰী পুখুৰী, শুৱনি গাঁও, কমিছনাৰ ৰ'ড আদি অঞ্চলক সামৰি সমাজৰ লগত জড়িত বিভিন্ন ব্যক্তিক নিমন্ত্ৰণ জনাই প্ৰথম দিনা ১২৫খন পতাকা উত্তোলন কৰা হয়। উদযাপন সমিতিৰ সভাপতি কামাখ্যা মোহন দাসে মূল পতাকা উত্তোলন কৰা অনুষ্ঠানটো পৰিচালনা কৰে যুটীয়া সম্পাদক ৰমেশ দত্ত আৰু উপ-সভাপতি হৰিশ কুমাৰ শইকীয়াই। স্মৃতি তৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে সমাজকৰ্মী পৱিত্ৰ দত্ত আৰু অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰমেশ শইকীয়াই। গছপুলি ৰোপণ কৰে প্ৰাক্তন ছাত্ৰ বৈকুণ্ঠ বৰাই আৰু শোভাযাত্ৰা উদ্বোধন কৰে টিয়ক সম জিলাৰ আয়ুক্ত মগেন নৰহে। সমগ্ৰ শিক্ষাৰ যোৰহাট জিলাৰ পৰিকল্পনা বিষয়া পৰশ গোস্বামী আৰু স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰবক্তা ড° ৰশ্মি ৰেখা দেৱীয়ে শিক্ষা বিষয়ক আলোচনাচক্ৰত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ আৰু নৱ প্ৰজন্মৰ ভৱিষ্যত সম্পৰ্কত তথ্য সহকাৰে আলোচনা আগ বঢ়ায়। আলোচকদ্বয়ে শিক্ষাক পাঠ্যপুথি ভিত্তিতেই সীমাবদ্ধ নাৰাখি বাস্তৱ সমাজ জীৱনৰ লগত জড়িত কৰাৰ লগতে শিক্ষাই ছাত্ৰ-ছাত্ৰী সকলৰ মানসিক বিকাশৰ লগতে শিক্ষাৰ দিশত দেখা দিয়া কিছুমান বিশেষ দিশৰ ক্ষেত্ৰত যথেষ্ট অধ্যয়ন কৰা আৰু সেই বিলাকৰ ক্ষেত্ৰত কেনে ধৰণে গুৰুত্ব আৰোপ কৰিলে ছাত্ৰ-ছাত্ৰীসকলে আত্মনিয়োগ কৰিব পাৰিব সেই বিষয়ে ব্যাখ্যা কৰে। আলোচনাচক্ৰ সঞ্চালনা কৰে কামাখ্যা মোহন দাসে আৰু উদ্দেশ্য ব্যাখ্যা কৰে যুটীয়া সম্পাদক ৰঞ্জিত বৰাই। উক্ত দিনা গুৰু সেৱা অনুষ্ঠান আৰু প্ৰাক্তন ছাত্ৰ আৰু শিক্ষকৰ মাজৰ মত বিনিময় অনুষ্ঠানৰ আঁত ধৰে যুটীয়া সম্পাদক ৰমেশ দত্ত আৰু কোষাধ্যক্ষ প্ৰবীৰ দত্তই। দ্বিতীয় দিনাৰ মুকলি সভাত সভাপতিত্ব কৰে উদযাপন সমিতিৰ সভাপতি কামাখ্যা মোহন দাসে। উদ্দেশ্য ব্যাখ্যা কৰে যুটীয়া সম্পাদক ৰঞ্জিত বৰাই। মুকলি সভাত যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মাই বিশিষ্ট অতিথি ৰূপে বক্তব্য প্ৰদান কৰে। সমাজকৰ্মী পৱিত্ৰ দত্তই উদ্বোধন কৰা সভাত নিৰ্দ্দিষ্ট বক্তা হিচাপে কাকজান মহাবিদ্যালয়ৰ প্ৰবক্তা তোফেল জিলানী আৰু আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে যোৰহাট শিক্ষা খণ্ডৰ শিক্ষা বিষয়া ড° মনিশ ঠাকুৰ। সভাত উত্তম হাজৰিকাৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ উন্মোচন কৰে সাহিত্যিক বঁটা প্ৰাপক তৰুণ চন্দ্ৰ শইকীয়াই। ৰঞ্জিত বৰাই আঁত ধৰা আৰু ৰমেশ দত্তই উদ্দেশ্য ব্যাখ্যা কৰা সভাত উদযাপন সমিতিৰ সম্পাদক তথা প্ৰধান শিক্ষয়িত্ৰী অপৰাজিতা বৰাই প্ৰতিবেদন পাঠ কৰে। সভাত বৰ্ষটোত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ীক নগদ ধন, প্ৰমাণ প্ৰত্ৰ, স্মাৰক আদিৰ পুৰস্কাৰ প্ৰদান কৰা হয়। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, স্থানীয় শিল্পী, চনী টিভিৰ অনুষ্ঠানত শ্ৰেষ্ঠ হোৱা যোৰহাটৰ গৌৰৱ ফ্লৱীণা গগৈৰ নৃত্য, জনপ্ৰিয় গায়ক নাৱাজ আহমেদ, মৌচালী দাস আৰু অন্যান্যসকলে দিহানাম, সত্ৰীয়া নৃত্য, দশৱতাৰ নৃত্য, জিকিৰ, বিভিন্ন দলীয় নৃত্য, গীত পৰিৱেশন কৰে। সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে কণ্ঠশিল্পী প্ৰসেনজিৎ লাহনে। সাংস্কৃতিক সন্ধিয়াত কেন্দ্ৰীয় ৰাজ্যিক বৈদেশিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই অংশ গ্ৰহণ কৰি বিদালয়খনলৈ ৩ লাখ টকাৰ অনুদান ঘোষণা কৰে। উদযাপন সমিতিয়ে হিতেন্দ্ৰ নাথ গোস্বামী আৰু কেন্দ্ৰীয় পৱিত্ৰ মাৰ্ঘেৰিটাক বিদ্যালয়খনক আদৰ্শ বিদ্যালয় ৰূপে স্বীকৃতি প্ৰদান কৰিবলৈ স্মাৰক পত্ৰ প্ৰদান কৰে।

# ১৯ নৱেম্বৰৰ পৰা যোৰহাট জিলাৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰসমূহৰ বাৰ্ষিক সমাৰোহ

**অসম বাৰ্তা, যোৰহাট, ১৭ নৱেম্বৰ ঃ** যোৰহাট জিলাৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ সমূহৰ বাৰ্ষিক বিজ্ঞান সমাৰোহ ১৯ নৱেম্বৰৰ পৰা আৰম্ভ হ'ব। সমাৰোহত ষষ্ঠৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান মডেল, অৰ্ধ আকস্মিক বক্তৃতা, আইদিয়া আৰু পোষ্টাৰ ড্ৰয়িং প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰথম দিনা ঘৰফলীয়া উচ্চ মাধ্যমিক বিদ্যালয়ত উত্তৰ-পশ্চিম যোৰহাট খণ্ডৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, ২০ নৱেম্বৰত কুৱৰী পুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত যোৰহাট খণ্ড আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ আৰু নকচাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পূব যোৰহাট খণ্ড আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, ২১ নৱেম্বৰত মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মধ্য যোৰহাট খণ্ড আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, ২২ নৱেম্বৰত জ্ঞানদীপ জাতীয় বিদ্যালয়ত তিতাবৰ খণ্ড আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ আৰু টীয়ক উচ্চ মাধ্যমিক বিদ্যালয়ত কলিয়াপানী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ বাৰ্ষিক সমাৰোহ অনুষ্ঠিত হ'ব। খণ্ড পৰ্য্যায়ৰ প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয়, তৃতীয় স্থান পোৱা সকলে ২৫ নৱেম্বৰত যোৰহাটৰ মুক্তিযোদ্ধা ভৱনত হ'ব লগীয়া জিলা পৰ্যায়ৰ সমাৰোহত অংশগ্ৰহণ কৰিব বুলি যোৰহাট জিলা সমন্বয়ক ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে জনাইছে। যোৰহাট জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে ইতিমধ্যে বিদ্যালয়ৰ প্ৰধানসকলক সমাৰোহৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।

# মৰিগাঁৱত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত বিজ্ঞান ভিত্তিক প্ৰতিযোগিতা

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৭ নৱেম্বৰ ঃ** আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ মৰিগাঁও জিলা সমিতিৰ ভূৰবন্ধা শিক্ষা খণ্ডৰ উদ্যোগত আজি অনুষ্ঠিত বিজ্ঞান ভিত্তিক প্ৰতিযোগিতাখনত বিজ্ঞানৰ আৰ্হি প্ৰস্তুতকৰনত দশম শ্ৰেণীৰ ছাত্ৰ জ্যোতিময় নাথ প্ৰথম, অষ্টম শ্ৰেণীৰ কপিল বিশ্বাস দ্বিতীয় আৰু সপ্তম শ্ৰেণীৰ ইখতিয়া চিদ্দিকে তৃতীয় স্থান লাভ কৰে। বিজ্ঞানৰ ধাৰণা প্ৰতিযোগিতাত চাহনাজ চুলতানা প্ৰথম, বনশ্ৰী মহন্ত দ্বিতীয় আৰু জেৰিনা বেগমে তৃতীয় স্থান দখল কৰে। বিজ্ঞান ভিত্তিক চিত্ৰাংকন প্ৰতিযোগিতাত নীলোৎপল মেধি প্ৰথম, অংকুৰমণি নাথে দ্বিতীয় আৰু ভাগ্যজ্যোতি নাথে তৃতীয় স্থান লাভ কৰে। একেদৰে বিজ্ঞান ভিত্তিক আকস্মিক বক্তৃতা প্ৰতিযোগিতাত আমিনুল ইছলামে প্ৰথম, হীৰকজ্যোতি হীৰাই দ্বিতীয় আৰু জেৰিনা বেগমে তৃতীয় স্থান লাভ কৰে। অসম বিজ্ঞান-প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ নিৰ্দেশনাত মৰিগাঁও মজলীয়া বিদ্যালয়ত অনুষ্ঠিত এই প্ৰতিযোগিতাখনত মৰিগাঁও জিলাৰ ভূৰবন্ধা শিক্ষাখণ্ড এলেকাৰ ১৬খন বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। আজি পুৱাৰ ভাগত প্ৰতিযোগিতাখন উদ্বোধন কৰে মৰিগাঁও মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক দীপন চন্দ্ৰ ভূঞাই। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সভাপতি দিলীপ কুমাৰ ৰাজাৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানটোৰ আঁত ধৰে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ খণ্ড সমন্বয়ক কৃষ্ণানন্দ নাথে। অনুষ্ঠানটোত অংশগ্ৰহণ কৰি জিলা সমন্বয়ক ভূজেন ডেকাই আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ কাম কাজ সমূহৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰে। এই গাম্ভীৰ্যপূৰ্ণ প্ৰতিযোগিতাখনৰ বিচাৰক আছিল জয়ন্ত কুমাৰ নাথ আৰু মনোজ নাথ।

# কাৰৈমাৰী নৈশ চূড়ান্ত ফুটবল প্ৰতিযোগিতাত বিজয়ী সোণাৰীবালি আঞ্চলিক ক্ৰীড়া সন্থা



**অসম বাৰ্তা, ৰূপহীহাট, ১৭ নৱেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ অন্তৰ্গত কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত যোৱা নিশা কাৰৈমাৰী আঞ্চলিক ক্ৰীড়া সন্থাৰ সৌজন্যত ডক্টৰ এ. পি.জে. আব্দুল কালাম চলন্ত ট্ৰফিৰ নৈশ ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত ফাইনেল খেলখন অনুষ্ঠিত হৈ যায়। ফাইনেল খেল উপলক্ষে খেল পথাৰখন আটকধুনীয়াকৈ সজাই পৰাই তোলা হৈছিল। যোৱা নিশা চূড়ান্ত নৈশ ফুটবল ফাইনেল খেলত হাজাৰ হাজাৰ খেল অনুৰাগীৰ উপস্থিতিত দুয়োটা দলে দুৰ্দান্ত প্ৰদৰ্শন আগবঢ়ায়। উক্ত খেলত তীব্ৰভাৱে প্ৰতিদ্বন্দ্বিতা কৰিছিল সোণাৰীবালি আঞ্চলিক ক্ৰীড়া সন্থা বনাম বৰঘুলি যুৱ সংঘৰ মাজত। যোৱা নিশাৰ খেলত দুয়োটা দলৰ মাজত নিৰ্ধাৰিত সময়ত তুমুল প্ৰতিদ্বন্দ্বিতাত কোনো এটা দলে গ'ল দিব পৰা হোৱা নাছিল। উক্ত খেলখন ড্ৰ' হোৱাৰ বাবে কমিটীৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি গণ্য কৰি জিতুমণি বড়োৰ পৰিচালনাত টাইব্ৰেকাৰ পদ্ধতিৰে খেলৰ ফলাফল নিৰ্ণয় কৰে। উল্লেখযোগ্য যে ১-০ গলৰ ব্যৱধানত জয়ী হয় সোণাৰীবালি আঞ্চলিক ক্ৰীড়া সন্থাই। অতি শৃংখলিতভাৱে সমাপ্তি ঘটা খেলৰ বঁটা বিতৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা, সহকাৰী আয়ুক্ত তেজস অগ্নিহোত্ৰী, গড়াজান খণ্ড উন্নয়ন বিষয়া মৌচম দাস, লাওখোৱা খণ্ড উন্নয়ন বিষয়া আনিচ বেৰীয়া, কাৰৈমাৰী আঞ্চলিক ক্ৰীড়া সন্থাৰ সভাপতি মজিবুৰ ৰহমান, কাৰৈমাৰী নুৰুল হুছেইন এফ আৰ ইউ হস্পিতালৰ ইনছাৰ্জ ড° আইশ্বা চিদ্দিকাকে প্ৰমুখ্য কৰি এই অঞ্চলৰ বিশিষ্ট গণ্য মান্য ব্যক্তিৰ উপস্থিতিত বঁটা বিতৰণ কৰা হয়। লগতে নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই কাৰৈমাৰী আঞ্চলিক ক্ৰীড়া সন্থাৰ পৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ হকী খেলত অংশ গ্ৰহণ কৰা খেলুৱৈ সকলৰ ভূঁয়সী প্ৰশংসা কৰে। উক্ত খেলত বিজয়ী দলক ৬০, ০০০ হাজাৰ টকা আৰু ৰাণাৰ্চ আপক ৪০,০০০ টকাৰ চেক প্ৰদান কৰে।

# ডিব্ৰুগড়ত জিলা প্ৰশাসনৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৭ নৱেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰৰ লগতে ডিব্ৰুগড়তো উদযাপন কৰা হয় ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। এই উদ্দেশ্যে ডিব্ৰুগড় জিলা প্ৰশাসন উদ্যোগত আৰু ডিব্ৰুগড় জিলা তথ্য আৰু জনসংযোগ বিষয়া কাৰ্যালয়ৰ সহযোগত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ উপলক্ষে 'বিভ্ৰান্তিমূলক তথ্যৰ মাজত সংবাদসেৱাৰ বিশ্বাসযোগ্যতাক সুৰক্ষা প্ৰদান' শীৰ্ষক বিষয় সন্দৰ্ভত আলোচনা চক্ৰ অনুষ্ঠিত হয়। জ্যেষ্ঠ সাংবাদিক শৰৎ চন্দ্ৰ নেওগে নিৰ্দিষ্ট বিষয় সন্দৰ্ভত বক্তৃতা প্ৰদান কৰি কয়, সাংবাদিকসকল বাতৰি পৰিৱেশন কৰাৰ সময়ত সচেষ্ট হোৱা উচিত। এটা বিভ্ৰান্তিমূলক সংবাদে সমাজত বিৰূপ প্ৰভাৱ পেলায়। বিভ্ৰান্তিমূলক তথ্যই যুগে যুগে অপপ্ৰচাৰ সৃষ্টি কৰে। শুদ্ধ আৰু তথ্য সংবাদ পৰিৱেশনৰ বাবে তথ্য জনাৰ অধিকাৰৰ সহায় লোৱা উচিত। সাংবাদিকসকল তথ্য জানিবলৈ অনুসন্ধিৎসা হ'ব লাগিব। ইফালে একেটা বিষয় সন্দৰ্ভত জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকায়ো বক্তৃতা প্ৰদান কৰি কয়, চ'ছিয়েল মিডিয়াত দিয়া কিছুমান তথ্য শুদ্ধ নহ'ব পাৰে। যিকোনো বাতৰি পৰিৱেশন কৰাৰ পূৰ্বে সাংবাদিকে সত্যাসত্য নিৰূপন কৰাটো উচিত। সমাজত সাংবাদিকৰ দায়িত্ব যথেষ্ট আছে। অৱশ্যে কিছুমান সংবাদ পৰিৱেশন কৰিবলৈ যোৱাৰ সময়ত বিভ্ৰান্তি হোৱাটো স্বাভাৱিক। একে সময়ত জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাই সাংবাদিকৰ স্বাধীনতা আৰু সমস্যাৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য কৰে। সাংবাদিক জ্যোতিষ কুমাৰ পাতিৰে আঁত ধৰা অনুষ্ঠানত ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে কয়, নতুন প্ৰজন্মই সংবাদসেৱাৰ বিশ্বাসযোগ্যতাৰ ওপৰত কাম কৰিব লাগিব। আমি ২৫-৩০ বছৰ পূৰ্বে যিমান তথ্য পাইছিলোঁ, এতিয়া এসপ্তাহৰ ভিতৰতে সকলো সম্ভৱ হৈ পৰে। সত্যনিষ্ঠ সংবাদ যোগান ধৰাটো সাংবাদিকসকলৰ দায়বদ্ধতা হোৱা উচিত। আজিৰ যুৱ-প্ৰজন্মই সংবাদ পত্ৰ নপঢ়াক লৈ জিলা আয়ুক্তগৰাকীয়ে উদ্বেগ প্ৰকাশ কৰাৰ লগতে সাংবাদিসকলৰ সৈতে মত-বিনিময় কৰে। আনহাতে এই অনুষ্ঠানত জিলা আৰক্ষী অধীক্ষক অভিজিত গৌৰৱ, জিলা নিৰ্বাচনী বিষয়া প্ৰাঞ্জিল গগৈ, অতিৰিক্ত জিলা আয়ুক্ত প্ৰাঞ্জল বৰুৱা, অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱা, জ্যেষ্ঠ সাংবাদিক ললিত শৰ্মা, ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ সভাপতি মানসজ্যোতি দত্ত, জ্যেষ্ঠ সাংবাদিক জয়ন্ত শইকীয়া আদি উপস্থিত থাকে। শলাগৰ শৰাই আগবঢ়ায় ডিব্ৰুগড় জিলা তথ্য আৰু জনসংযোগ বিষয়া কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত বিষয়া বৰষা তালুকদাৰে।

# মৰিয়নীত টৰ্চ লাইট বিতৰণ

**অসম বাৰ্তা, আমগুৰি, ১৭ নৱেম্বৰ ঃ** যোৰহাট জিলাৰ মৰিয়নী বিধান সভা সমষ্টিৰ অন্তৰ্গত ১৫নং মধ্য নকছাৰি গাওঁপঞ্চায়ত এলেকাত সম্প্ৰতি পকা শালিধান খেতিত হাতীৰ উপদ্ৰপৰ পৰা কৃষক ৰাইজক ৰক্ষা কৰাৰ উদ্দেশ্যে যোৱা ১৫ নবেম্বৰত কংগ্ৰেছ দলৰ তৰফৰ পৰা অঞ্চলটোৰ ভেলুগুৰি, চিনাতলী, দিহিঙীয়া, নপাম মাউতজুলি, বৰহাবি, মৰঙ্গিয়াল আদি গাঁৱৰ ৰাইজৰ মাজত টৰ্চ লাইট বিতৰণ কৰা হয়। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত সমাজ সেৱক তথা বিখ্যাত কৰ্কট ৰোগ বিশেষজ্ঞ ডাঃ যদুনাথ বুঢ়াগোঁহাই, জিলা কংগ্ৰেছ সমিতিৰ সভাপতি পুতুল বুঢ়াগোঁহাই, উপসভাপতি অজিত বৰা, পূব যোৰহাট ব্লক কংগ্ৰেছ সমিতিৰ সভাপতি ৰঞ্জন বৰুৱা, প্ৰশাসনিক সম্পাদক কৰুণজ্যোতি গগৈ, কংগ্ৰেছ ইয়ং বিগ্ৰেডৰ সম্পাদক প্ৰাঞ্জল কাকতি, মণ্ডল কংগ্ৰেছৰ সভাপতি অজিত গগৈকে ধৰি বহু ৰাইজ উপস্থিত থাকে।

# বিজনীত জুবিন গাৰ্গ স্মৃতি সৌধ নিৰ্মাণ সমিতিৰ সংবাদমেল

**অসম বাৰ্তা, বিজনী, ১৭ নৱেম্বৰ ঃ** কাইলৈ অসম হিয়াৰ আমঠু জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন। বিজনীত অনুষ্ঠিত হ'ব আমাৰ সকলোৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জন্মদিন। বিজনী জুবিন গাৰ্গ স্মৃতি সৌধ নিৰ্মাণ সমিতিৰ উদ্যোগত অনুষ্ঠিত হ'ব প্ৰয়াত শিল্পী গৰাকীৰ জন্ম জয়ন্তী। এই সম্পৰ্কে জুবিন গাৰ্গ স্মৃতি সৌধ নিৰ্মাণ সমিতিৰ সভাপতি তথা বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ে এক সংবাদমেল সম্বোধন কৰি বিজনীবাসী ৰাইজৰ সহায় সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে। কাইলৈ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিমূৰ্ত্তিৰ আধাৰশিলা স্থাপন কৰাৰ লগতে বিজনী ছোৱালী হাই স্কুলৰ খেলপথাৰত তিনি হাজাৰ বিজনীৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰীসহ বিজনীৰ যুৱতী মহিলাই একেলগে পৰিৱেশন কৰিব "মায়াবাণী" গীত। ৰোপণ কৰা হ'ব নাহৰৰ পুলি লগতে বন্তি প্ৰজ্বলন কৰা হ'ব। সন্ধিয়ালৈ অনুষ্ঠিত কৰা হ'ব জুবিন গাৰ্গৰ গীতৰ ওপৰত সাংস্কৃতিক সন্ধিয়া।

# গেলেকী স্পৰ্টছ একাডেমীৰ উদ্যোগত ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, গেলেকী, ১৭ নৱেম্বৰ ঃ** গেলেকী স্পৰ্টছ একাডেমীৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত চলিত ফুটবল, ভলীবল আৰু এথলেটিক্স প্ৰশিক্ষণৰ লগত সংগতি ৰাখি প্ৰশিক্ষাৰ্থীসকলৰ গুণগত প্ৰতিভা সমূহ চিনাক্তকৰণৰ উদ্দেশ্যে অনুষ্ঠিত কৰা হয় ফুটবল আৰু দৌৰ প্ৰতিযোগিতা। পশ্চিম গেলেকী ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হয় এই প্ৰতিযোগিতা সমূহৰ। বিগত ৩ মাহ ধৰি গেলেকী স্পৰ্টছ একাডেমীৰ অধীনত প্ৰশিক্ষণ প্ৰদান কৰি অহা হৈছে বহু ছাত্ৰ - ছাত্ৰীক। এই প্ৰশিক্ষণৰত ছাত্ৰ-ছাত্ৰী সকলে প্ৰশিক্ষণত কিমান আগবাঢ়িছে তাৰ পাৰদৰ্শিতা পৰীক্ষা কৰাৰ উদ্দেশ্যেৰে এই আয়োজন কৰা হৈছে বুলি জানিব দিছে একাডেমীৰ বিষয়ববীয়াই। পৰৱৰ্তী সময়ত স্থানীয় অঞ্চলৰ বিভিন্ন খেলপথাৰত গেলেকী স্পৰ্টছ একাডেমীয়ে এই প্ৰশিক্ষণ আগবঢ়ায় আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খেলিব পৰাকৈ সুৰ্দক্ষ খেলুৱৈ গঢ় দিয়াৰ লক্ষ্যৰে আগবাঢ়িব বুলি সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে স্পৰ্টছ একাডেমীৰ বিষয়ববীয়া সকলে। আজিৰ এই প্ৰতিযোগিতাত উন্নত প্ৰদৰ্শন কৰা খেলুৱৈ সকলক মানপত্ৰৰে সন্মানিত কৰা হয়।

প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ নিয়মাৱলী উলংঘন

# দুৰ্নীতিৰ অভিকেন্দ্ৰত পৰিণত ডুমডুমাৰ দৈমুখীয়া গাঁও পঞ্চায়ত

## দুবছৰতো নিৰ্মাণ সম্পূৰ্ণ নহ'ল ৮ নং ৱাৰ্ডৰ তিনি হিতাধিকাৰীৰ চৰকাৰী আৱাসগৃহ



**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৭ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত তথা ডুমডুমা খণ্ড উন্নয়ন কাৰ্যালয়ৰ অধীনস্থ দৈমুখীয়া গাওঁ পঞ্চায়তখন সম্প্ৰতি দুৰ্নীতিৰ অভিকেন্দ্ৰত পৰিণত হৈছে। পঞ্চায়তখনৰ দৰিদ্ৰ হিতাধিকাৰীৰ নামত আবণ্টিত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ ক্ষেত্ৰত এক ভয়ংকৰ তথা ব্যাপক অনিয়ম সংঘটিত হোৱাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ উক্ত আঁচনিখন ৰূপায়ণৰ পঞ্চায়তখনে চৰকাৰী নীতি-নিৰ্দেশনা তথা নিয়মাৱলী উলংঘা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। পঞ্চায়তখনৰ ৮ নং ৱাৰ্ডৰ অন্তৰ্গত দৈমুখীয়া চাহ বাগিচাৰ নতুন লাইনত সংঘটিত হৈছে উক্ত অনিয়ম। বিজেপিৰ দখলত থকা পঞ্চায়তখনৰ ৮ নং ৱাৰ্ড সদস্য ত্ৰিনাথ তাঁতী আৰু স্থানীয় ঠিকাদাৰ জয়ন্ত ভূমিজে আজিৰ পৰা সম্পূৰ্ণ দুবছৰ পূৰ্বেই হিতাধিকাৰীৰ নামত আবণ্টিত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ তিনিটা গৃহ নিৰ্মাণৰ দায়িত্ব লৈছিল। ইয়াৰে এটা গৃহৰ নিৰ্মাণৰ দায়িত্ব লৈছিল ৱাৰ্ড সদস্য ত্ৰিনাথ তাঁতীয়ে। ৱাৰ্ড সদস্য ত্ৰিনাথে ইটা, চিমেণ্ট, শিল, বালিৰ কামবোৰ সম্পূৰ্ণ কৰিলে যদিও কাঠ, লোহা আৰু টিংপাত ব্যৱহাৰ কামবোৰ আজি দুবছৰে সম্পূৰ্ণ নকৰিলে। কংগ্ৰেছ দলৰ পৰা শাসকীয় বিজেপি দলত যোগদান কৰি সদ্যসমাপ্ত পঞ্চায়ত নিৰ্বাচনত পঞ্চায়তখনৰ ৮ নং ৱাৰ্ডৰ পৰা পুনৰ অৱতীৰ্ণ হৈ দ্বিতীয়বাৰলৈ ৱাৰ্ডটোৰ সদস্য নিৰ্বাচিত হোৱা ত্ৰিনাথ তাঁতীয়ে দৰিদ্ৰ হিতাধিকাৰীৰ নামত আবণ্টিত প্ৰধানমন্ত্ৰী চৰকাৰী আৱাস গৃহ নিৰ্মাণৰ দায়িত্ব লৈ দুবছৰটো কিয় সম্পূৰ্ণ কৰিব নোৱাৰিলে তাক লৈ এতিয়া পঞ্চায়তখনত ব্যাপক চৰ্চা চলা পৰিলক্ষিত হৈছে। অভিযোগ অনুসৰি, দৈমুখীয়া গাওঁ পঞ্চায়তৰ দায়িত্বত থকা কনিষ্ঠ অভিযন্তাসকলে ৱাৰ্ড সদস্য ত্ৰিনাথ তাঁতী আৰু ঠিকাদাৰ জয়ন্ত ভূমিজক একপ্ৰকাৰ ৰক্ষণাবেক্ষণ দিয়াৰ পৰিণামৰ ফলশ্ৰুতিততেই পঞ্চায়তটোৰ ৮ নং ৱাৰ্ডৰ নতুন লাইনৰ তিনি হিতাধিকাৰী ক্ৰমে - পদুচা তাঁতী, প্ৰমীলা দুলাল আৰু গোৰবাৰী মূৰাৰ নামত আবণ্টিত চৰকাৰী আৱাস গৃহ তিনিটা যোৱা দুবছৰে এনেদৰে অৰ্ধনিৰ্মিত অৱস্থাত আছে। জানিব পৰা মতে, উক্ত তিনি হিতাধিকাৰীয়ে তেওঁলোকৰ নামত আবণ্টিত চৰকাৰী আৱাস গৃহকেইটা অৰ্ধনিৰ্মিত হৈ থকাৰ বিষয়ে পঞ্চায়তৰ সচিব আৰু বৰ্তমানৰ সভানেত্ৰীগৰাকীক বহুবাৰ অভিযোগ দিয়াৰ পাছতো পঞ্চায়তখনৰ সচিব কিম্বা সভানেত্ৰীয়ে তেওঁলোকৰ অভিযোগ নিষ্পত্তি কৰাৰ সন্দৰ্ভত আজিপৰ্যন্ত কোনো ব্যৱস্থাই গ্ৰহণ নকৰিলে। এনে পৰিস্থিতিত দৰিদ্ৰ হিতাধিকাৰী তিনিগৰাকীৰ অৰ্ধনিৰ্মিত উক্ত চৰকাৰী আৱাস গৃহকেইটা কেতিয়াকৈ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিব বা সঁচা অৰ্থত নিৰ্মাণকাৰ্য সম্পূৰ্ণ হ'বগৈ নে তাক লৈ এতিয়া চিন্তাত পৰিছে দৰিদ্ৰ হিতাধিকাৰী কেইগৰাকী। এই সন্দৰ্ভত দৈমুখীয়া গাঁও পঞ্চায়ত কৰ্তৃপক্ষই জনোৱা মতে, বহুকেইটা কাৰণত হিতাধিকাৰীসকলৰ চৰকাৰী আৱাস গৃহ নিৰ্মাণ নহয় বা সম্পূৰ্ণ হৈ নুঠে। ইয়াৰ প্ৰথম কাৰণ হৈছে চাহ বাগিচাৰ দৰিদ্ৰ হিতাধিকাৰীৰ বেংক একাউণ্টৰ পাছবুকত উপাধি খেলিমেলি থকাৰ বাবে তেওঁলোকৰ নামত আবণ্টিত নিৰ্ধাৰিত পুঁজি একাউণ্টত নোসোমায়। দ্বিতীয়তে হিতাধিকাৰীৰ বেংক একাউণ্টত উপাধি শুধৰণি কৰি আবণ্টিত পুঁজি একাউণ্টত সোমোৱাৰ আশাত স্থানীয় ঠিকাদাৰে নিজৰ পুঁজিৰে হিতাধিকাৰীৰ আৱাস গৃহৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰি দিয়ে যদিও মূৰকত গৈ নিৰ্মাণকাৰ্য আধৰুৱা হৈ থাকে। তৃতীয়তে বহুতো হিতাধিকাৰীয়ে আবণ্টিত পুঁজিৰে আৱাস গৃহ নিৰ্মাণ কৰিববৈলে ঠিকাদাৰৰ সৈতে দলিলত এগ্ৰিমেণ্ট কৰি দায়িত্ব গতাই দিয়ে যদিও বহু হিতাধিকাৰীয়ে পৰৱৰ্তী সময়ত নিজৰ নামত আবণ্টিত আৱাস গৃহ ঠিকাদাৰে নিৰ্মাণ নকৰা বা নিৰ্মাণ সম্পূৰ্ণ কৰি নিদিয়াৰ অভিযোগ তোলে। চতুৰ্থতে আন বহু হিতাধিকাৰীয়ে তেওঁলোকৰ নামত আবণ্টিত চৰকাৰী আৱাস গৃহৰ পুঁজি একাউণ্টৰ পৰা উলিয়াই লৈ সেই ধনৰাশি আৱাস গৃহ নিৰ্মাণৰ নামত ব্যৱহাৰ নকৰে আৰু শেষত উপায়ন্তৰ হৈ যোৱা-টাপলি তথা বিসংগতিৰে গৃহনিৰ্মাণ কৰে। পঞ্চমত বহু হিতাধিকাৰীয়ে আবণ্টিত চৰকাৰী আৱাস গৃহ নিৰ্মাণ নকৰি একাউণ্টৰ পৰা প্ৰথম কিস্তিৰ টকা উলিয়াই নিজৰ কামত খৰচ কৰি পেলায়। এইদৰে একাংশ অসচেতন হিতাধিকাৰীসকলে চৰকাৰী আৱাস গৃহ নিৰ্মাণৰ নীতি-নিয়মাৱলীক উলংঘা কৰে। এই সকলোবোৰ হৈছে পঞ্চায়ত কৰ্তৃপক্ষৰ ভাষ্য। পঞ্চায়ত কৰ্তৃপক্ষই প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ সন্দৰ্ভত এনে কেতবোৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিলেও দৈমুখীয়া গাঁও পঞ্চায়তৰ ৮ নং ৱাৰ্ডৰ উক্ত তিনিগৰাকী দৰিদ্ৰ হিতাধিকাৰীৰ নামত আবণ্টিত (প্ৰতিগৰাকী হিতাধিকাৰীৰ বাবদ ১.৩০ লাখ টকা) আৱাস গৃহকেইটা কি কাৰণ তথা পৰিস্থিতিত দুবছৰে এনেদৰে অৰ্ধনিৰ্মিত হৈ আছে, এই সন্দৰ্ভত পঞ্চায়ত কৰ্তৃপক্ষই কি পদক্ষেপ তথা ব্যৱস্থা গ্ৰহণ কৰিব নে আগলৈও এনেকৈয়ে অৰ্ধনিৰ্মিত ৰূপতেই পৰি ৰ'ব, সেয়া অতিকৈ চিন্তনীয় বিষয় বুলিব পাৰি। গুৰুত্বপূৰ্ণ কথা এয়ে যে, দৈমুখীয়া গাঁও পঞ্চায়তত সংঘটিত কেতবোৰ নাভূত-নাশ্ৰুত কাণ্ডৰ বিষয়ে অলপতে সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাইছিল। পঞ্চায়তখনৰ কেতবোৰ বিয়াগোম দুৰ্নীতি তথা অনিয়মৰ সন্দৰ্ভত আমাৰ কাকতত যোৱা ৯ নৱেম্বৰৰ সংখ্যাত "শ্ৰমমন্ত্ৰী ৰূপেশ গোৱালাৰ গৃহ সমষ্টিৰ দৈমুখীয়া গাঁও পঞ্চায়তত নাভূত-নাশ্ৰুত কাণ্ড, বিশেষ গাঁও সভাত আঁচনিৰ পুঁজি লেনদেনৰ নথি-পত্ৰ দাখিল কৰাত ব্যৰ্থ; তদন্তৰ দাবী" - শীৰ্ষক বাতৰিও প্ৰকাশ পাইছিল। বিজেপিৰ সক্ৰিয় কৰ্মী হীৰালাল শৰ্মাৰ অধ্যক্ষতাত পঞ্চায়তটোৰ কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত হোৱা উক্ত বিশেষ গাঁওসভাখনত ডুমডুমা খণ্ড উন্নয়ন কাৰ্যালয়ৰ সামাজিক হিচাপ পৰীক্ষণ বিষয়া, সামাজিক আঁচনি পৰিকল্পনা বিষয়া, অভিযন্তা, গাণনিক বিষয়াৰ উপস্থিতিতেই উন্মোচিত হৈছিল পঞ্চায়তখনৰ দুৰৱস্থাৰ প্ৰকৃত ছবিখন। সভাত পঞ্চায়তৰ সচিবসহ বিভাগীয় কৰ্তৃপক্ষই ডুমডুমা খণ্ড উন্নয়ন কাৰ্যালয়ৰ হিচাপ পৰীক্ষণ বিষয়াগৰাকীক ২০২৪-২৫ বৰ্ষৰ পঞ্চদশ বিত্তীয় পুঁজিৰে পঞ্চায়ত এলেকাটোত ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ বিত্তীয় লেনদেনৰ কোনো তথ্যই দাখিল কৰিব নোৱাৰিলে। পঞ্চায়তখনৰ দৰিদ্ৰ হিতাধিকাৰীৰ নামত আবণ্টিত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ৬৪ টাকৈ গৃহ নিৰ্মাণৰ বাবে বিভাগে প্ৰথম কিস্তিৰ পুঁজি মোকলাই দিয়াৰ পাছতো আৱাস গৃহসমূহৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰাৰ কোনো তথ্যই দাখিল কৰিব নোৱাৰিলে পঞ্চায়ত কৰ্তৃপক্ষই। বিশেষ গাঁও সভাখন আনকি অতি সংগোপনে অনুষ্ঠিত কৰাক লৈও তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল পঞ্চায়তখনৰ এলেকাধীন ৰাইজৰ মাজত। সভাত সামাজিক হিচাপ পৰীক্ষণ বিষয়াগৰাকীয়ে পঞ্চায়ত কৰ্তৃপক্ষক ১৫ দিনৰ ভিতৰত সকলো আঁচনিৰ কাম-কাজৰ নথি-পত্ৰ প্ৰস্তুত কৰি জমা দিবলৈ কাঢ়া নিৰ্দেশ দিছিল। মুঠৰ ওপৰত দুৰ্নীতিৰ হটস্পটলৈ পৰ্যবসিত হোৱা ডুমডুমাৰ দৈমুখীয়া গাঁও পঞ্চায়তৰ ক্ষেত্ৰত ঊৰ্ধতম কৰ্তৃপক্ষ কিম্বা চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

# লাহোৱালত বিশ্ব প্ৰেছ দিৱস উদযাপন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৭ নৱেম্বৰ ঃ** "সাংবাদিকৰ দায়িত্ব আমি কেনেকৈ পালন কৰিম সেইয়া অতি গুৰুত্বপূৰ্ণ কথা- সাংবাদিক সকলে নিজকে পৰীক্ষা কৰিব লাগিব- বৰ্তমান সময়ত গুগল মেপে যেনেকৈ সঠিক দিক্ নিৰ্ণায়কৰ ভূমিকা লয়, ঠিক তেনেকৈ আজিৰ সাংবাদিক সকলেও সত্য, সঠিক তথ্যৰে শুদ্ধ দিশলৈ সমাজখন লৈ যাব লাগিব আৰু ত্যাগ কৰিব পাৰিব লাগিব সঠিক তথ্য দিবলৈ- সমাজখন পোহৰ কৰাৰ মাধ্যম সাংবাদিকৰ ওপৰত, সাংবাদিক সমাজৰ আইনাস্বৰূপ" - এই বক্তব্য ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াৰ। ডিব্ৰুগড়ৰ লাহোৱাল প্ৰেছ ক্লাবৰ উদ্যোগত, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব আৰু ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ উদ্যোগত দেওবাৰে বিশ্ব প্ৰেছ দিৱস উপলক্ষে লাহোৱাল অঞ্চলৰ তেলীয়াপট্টিৰ চেঁচা নৈৰ মনোমোহা পৰিৱেশৰ মাজত আড়ম্বৰপূৰ্ণ অনুষ্ঠানটি মুকলি সভাত নিৰ্দ্দিষ্ট বক্তাৰূপে অংশ গ্ৰহণ কৰি সাংবাদিক সকলৰ কৰ্তব্য আৰু ত্যাগৰ কথা উল্লেখ কৰে ড° শইকীয়াই। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা প্ৰেছ দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা ৭-০০ বজাত পৰিৱেশ নিকাকৰণ, ৯-০০ বজাত বৃক্ষৰোপণ, ১০-০০ বজাত আৰ্থিকভাৱে দুৰ্বলজনৰ মাজত খাদ্য সামগ্ৰী বিতৰণ, ১১-০০ বজাত অনুষ্ঠিত হয় আলোচনা চক্ৰ। আলোচনা চক্ৰৰ বিষয়। "সাংবাদিকতাৰ নীতি, প্ৰত্যাহ্বান, জনপ্ৰতিনিধিৰ তৰল মন্তব্য আৰু ভৱিষ্যৎ সম্পৰ্কে এক মুক্ত আলোচনা।" বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে আঁতধৰা অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে লাহোৱাল প্ৰেছ ক্লাবৰ সম্পাদক দিবাকৰ দত্তই। সভাৰ আৰম্ভণিতে অসমৰ হিয়াৰ আমঠু, সাংস্কৃতি জগতৰ নক্ষত্ৰ, জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনায় ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ সভাপতি তথা জ্যেষ্ঠ সাংবাদিক বিপিন শৰ্মাৰ লগতে মাল্যাঅৰ্পন কৰে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ সভাপতি, অসম আদিত্য কাকতৰ সম্পাদক মনজিৎ বৰা, লাহোৱাল প্ৰেছ ক্লাৱৰ সভাপতি হোমেন ফুকনে। মুকলি সভা শুভ উদ্বোধন কৰে বৰবৰুৱা প্ৰেছ ক্লাৱৰ সভাপতি জ্যেষ্ঠ সাংবাদিক মনোৰঞ্জন হাজৰিকাই। লাহোৱাল প্ৰেছ ক্লাবৰ সভাপতি হোমেন ফুকনে আদৰণী ভাষণ আগবঢ়োৱা পাছতেই সভাত উপস্থিত থকা জ্যেষ্ঠ সাংবাদিক তথা ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ সভাপতি বিপিন শৰ্মা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছৰ ক্লাবৰ সভাপতি মনজিৎ বৰা, বিভাস দুৱৰা, মটক যুৱ ছাত্ৰ সন্থাৰ উপ-সভাপতি অজয় গগৈ, সমাজ কৰ্মী তথা এছ কে এছ ইংলিচ একাডেমীৰ স্বত্বাধিকাৰী দয়ানন্দ শ্বাহ, লাহোৱাল প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি কনৌজ শইকীয়া, ৰশ্মিৰেখা সাউদ কলিতা আদিয়ে নিৰ্ধাৰিত বিষয়ত বক্তব্য ৰাখে। অনুষ্ঠানত ভাষণ প্ৰসংগত জ্যেষ্ঠ সাংবাদিক মনজিৎ বৰাই কয়, "আমাক সাংবিধানিক স্বীকৃতিৰ প্ৰয়োজন নাই, কৰ্মই ধৰ্ম বুলি মানিব লাগিব। সাংবাদ ক্ষেত্ৰখন চৰকাৰৰ ওপৰত নিৰ্ভৰনহৈ ৰাইজৰ ওপৰত নিৰ্ভৰ হ'ব পাৰিব লাগিব। সাংবাদিক সকলে প্ৰশ্নবোধক চিন কাৰোপৰা নহাকৈ কাম কৰিব পাৰিব লাগিব। সমাজক আগুৱাই নিবলৈ শুদ্ধ পথ দিব জানিব লাগিব। সমাজৰ বিভিন্ন ঠাইত যেতিয়া সন্মুখৰ আসনখন সাংবাদিকক দিয়া হয়, তাৰ মৰ্যাদা ৰাখিবলৈ সাংবাদিক সকললৈ তেওঁ আহ্বান জনায়। আনহাতে বিশ্ব প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক বিভাস দুৱৰাক বিশেষ ভাৱে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে, বিভাস দুৱৰাই বিগত তিনি দশক ধৰি নিষ্ঠা আৰু সততাৰে সংবাদ ক্ষেত্ৰখনলৈ নীৰৱচ্ছিন্নভাৱে অৱদান আগবঢ়াই আহিছে। আজিৰ অনুষ্ঠানত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাৱৰ লগতে লাহোৱাল প্ৰেছ ক্লাবৰ সমূহ বিষয়ববীয়া, সদস্য উপস্থিত থকাৰ লগতে চাবুৱা প্ৰেছ ক্লাবৰ সম্পাদক বিশ্বজিৎ ফুকন, চাবুৱা প্ৰেছ গিল্ডৰ সম্পাদক পুস্তক ফুকন, টিংখং প্ৰেছ ক্লাবৰ সম্পাদক কৃষ্ণ গগৈ প্ৰমুখ্যে শতাধিক সাংবাদিক তথা সংবাদকৰ্মীৰ লগতে স্থানীয় ৰাইজৰ উপস্থিতি উল্লেখনীয়।

# ৪২ সংখ্যক শোনিতপুৰ জিলা শক্তি-উত্তোলন প্ৰতিযোগিতাৰ সফল সামৰণি




**অসম বাৰ্তা, তেজপুৰ সদৰ, ১৭ নৱেম্বৰ ঃ** যোৱা ১৫ নৱেম্বৰ শনিবাৰে শোণিতপুৰ জিলাৰ তেজপুৰৰ পৰ্বতীয়াত, পাৱাৰফিট জিমৰ উদ্যোগত আৰু শোণিতপুৰ জিলা শক্তি উত্তোলন সন্থাৰ তত্বাৱধানত অনুষ্ঠিত হয় "৪২ সংখ্যক শোণিতপুৰ জিলা শক্তি উত্তোলন প্ৰতিযোগিতা-2025"। উক্ত প্ৰতিযোগিতাত শোণিতপুৰ জিলাৰ প্ৰায় শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰয়াত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানেৰে আৰম্ভ হোৱা প্ৰতিযোগিতাত জিলা শৰীৰচৰ্চা সন্থাৰ পতাকা উত্তোলন কৰে আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়াবিদ পংকজ কুমাৰ বৰাই আৰু জিলা শক্তি উত্তোলন সন্থাৰ পতাকা উত্তোলন কৰে শক্তি উত্তোলন সন্থাৰ সভাপতি স্পন্দন কাশ্যপে। উক্ত প্ৰতিযোগিতাত "Stong Men of Sonitpur-২০২৫"ৰ সন্মান লাভ কৰে ফিজিক জিমৰ "বিকি ভূঞাই"। বাৰ্বেৰীয়ান জিমৰ "ৰূপশিখা সাহাই" Strong women ৰ খিতাপ লাভ কৰে। জুনিয়ৰ Strong men ৰ খিতাপ লাভ কৰে ফিটনেছ এমপায়াৰ জিমৰ "সুমিত পালিতে"। আনহাতে, মাষ্টাৰ্ছ শাখাত Strong men ৰ খিতাপ লাভ কৰে ফিজিক জিমৰ ক্ষীৰোদ ভূমিজে। ৮টা সোণ আৰু ৫টা ৰূপৰ পদকেৰে সৰ্বমুঠ ১৩টা মেডেলেৰে পদকৰ তালিকাত শীৰ্ষ স্থান দখল কৰে নপামৰ এছ. এম.বি জিমে। উক্ত অনষ্ঠানৰ শেষত Title winner সকলক ট্ৰফী, টাইটেল বেনাৰ আৰু মেডেল প্ৰদান কৰে পংকজ কুমাৰ বৰাই, বিশিষ্ট ক্ৰীড়াবিদ ৰাতুল কুমাৰ দাস, শোনিতপুৰ জিলা ভাৰোত্তলন সন্থাৰ সভাপতি হিৰণ্য ভূঞা, শোনিতপুৰ জিলা টাগ অৱ ৱাৰ সন্থাৰ কাৰ্যকৰী সভপতি উৎপল বৰা আৰু শক্তি উত্তোলন সন্থাৰ সভাপতি স্পন্দন কাশ্যপে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে তেজপুৰ অসমীয়া ক্লাবৰ নাৰায়ণ বৰঠাকুৰ, তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি জিতেন বৰঠাকুৰ, বিশিষ্ট ক্ৰীড়া সংগঠক শ্বেইখ চাহাব উদ্দিন, বিশিষ্ট সমাকৰ্মী হৰি প্ৰসন্ন গোস্বামীকে আদি কৰি ভালে সংখ্যক গণ্য মান্য ব্যক্তি। উক্ত প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰা খেলুৱৈ সকলে ডিচেম্বৰ মাহত বাঁত অনুষ্ঠিত হবলগীয়া আন্তঃ জিলা শক্তি উত্তোলন প্ৰতিযোগিতাত শোনিতপুৰ দলক প্ৰতনিধিত্ব কৰিব বুলি জিলা শক্তি উত্তোলন সন্থাৰ সাধাৰণ সম্পাদক দিব্য জ্যোতি দাসে জনায়।

# ডিগবৈত তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত "আকাশ" অনুষ্ঠান সম্পন্ন; কাব্যগ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, ডিগবৈ, ১৭ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত আৰু ডিগবৈ সাহিত্য সেৱা সমিতি শতদল শাখাৰ আতিথ্যত ডিগবৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত দেওবাৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ "আকাশ" অনুষ্ঠানটো অনুষ্ঠিত হয়। পুৱা ৯ বজাত পতাকা উত্তোলন কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই, স্মৃতি তৰ্পণ কৰে ডিগবৈ সাহিত্য সেৱা সমিতিৰ সভানেত্ৰী নিৰুপমা গোস্বামীয়ে। ১০ বজাত 'আকাশ'ৰ উদ্বোধনী অনুষ্ঠানটিত সভাপতিত্ব কৰে জিলা সভাপতি লম্বেশ্বৰ চেতিয়াই। জিলা সম্পাদক অৰূপ কুমাৰ চাংমায়ে আঁত ধৰা অনুষ্ঠানত উদ্বোধক হিচাপে উপস্থিত থাকে তিনিচুকীয়া জিলাৰ সহকাৰী আয়ুক্ত মাধুৰীমা দিহিঙ্গীয়া। অনুষ্ঠানত ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পবিত্ৰ ভঁৰালী, জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰবীণ বৰা, প্ৰাক্তন উপ-সভাপতি দ্বীপেন কুমাৰ বড়া, তিনিচুকীয়া জিলাৰ সহকাৰী আয়ুক্ত প্ৰণামী গগৈ, ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সাংগঠনিক সম্পাদক সুনীল কুমাৰ গুৰুং, অসম সাহিত্য সভাৰ প্ৰচাৰ উপ-সমিতিৰ উপ-সভাপতি পুলক কুমাৰ গগৈ আদি উপস্থিত থাকে। সভাৰ আৰম্ভণিতে সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা, হিয়াৰ আমঠু জুবিন গাৰ্গ, অনাতাঁৰ ঘোষক, শিল্পী চৈয়দ ছাদুল্লা আৰু আন্তৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক দীপক শৰ্মাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। নিৰুপমা গোস্বামীয়ে আদৰণি ভাষণ প্ৰদান কৰা পিছতে ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পবিত্ৰ ভঁৰালীয়ে মহাবিদ্যালয়ৰ তৰফৰ পৰা আদৰণি ভাষণ প্ৰদান কৰে। জিলাৰ "আকাশ" অনুষ্ঠানটো উদ্বোধন কৰে তিনিচুকীয়া জিলাৰ সহকাৰী আয়ুক্ত মাধুৰীমা দিহিঙ্গীয়াই। উদ্বোধনী অনুষ্ঠানৰ পিছতেই জিলা "আকাশ" অনুষ্ঠান আৰম্ভ হয়। "আকাশ" উপ-সমিতিৰ কাৰ্যকৰী সভাপতি বিমলা বৰুৱা আৰু আহ্বায়ক বৰ্ণালী ফুকন আৰু বুলবুলি বুঢ়াগোহাঁয়ে আঁত ধৰা অনুষ্ঠানত জিলাখনৰ ২৩খন শাখাৰ মহিলা অংশগ্ৰহণকাৰীসকলে তেওঁলোকৰ প্ৰতিভা প্ৰদৰ্শন কৰে। অনুষ্ঠানৰ মাজতে জাগুন শাখাৰ কবি কনকলতা গগৈৰ এখন কাব্যগ্ৰন্থ উন্মোচন কৰে জিলা সভাপতি লম্বেশ্বৰ চেতিয়াই। বিমলা বৰুৱাই শলাগ জ্ঞাপন কৰাৰ পাছত অসম সংগীতেৰে অনুষ্ঠান সামৰণি পৰে।

# চাৰিং বান্ধৱতী গাঁৱত শিশু দিৱস পালন

**অসম বাৰ্তা, জাঁজী, ১৭ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ চাৰিং ১নং বান্ধৱতী গাঁৱৰ প্ৰেক্ষাগৃহত সদৌ অসম মইনা পাৰিজাতৰ অন্তৰ্গত ধ্ৰুৱজ্যোতি মইনা পাৰিজাত আৰু ধনীৰাম গগৈ মধ্য ইংৰাজী বিদ্যালয়ৰ সহযোগত শিশু দিৱস উদযাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে পতাকা উত্তোলন কৰে শাখাৰ সভাপতি বীণাপাণি গগৈয়ে। তেখেতক সহায় কৰে সাহিত্য বিভাগৰ সম্পাদক কৈলাস বড়াই। বীণাপাণি গগৈয়ে জৱাহৰলাল নেহৰুৰ বিষয়ে সুন্দৰ বক্তৃতা আগবঢ়ায়। অনুষ্ঠানত স্মৃতি তৰ্পণ কৰে শাখাৰ উপ-সভাপতি পুণ্যপ্ৰভা গগৈয়ে। তেখেতেও স্মৃতি ৰোমন্থন কৰি সুন্দৰ বক্তৃতা আগবঢ়ায়। আনহাতে বৃক্ষৰোপণ কৰে ধনীৰাম গগৈ মধ্য ইংৰাজী বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক উৎপল কাকতিয়ে। ইয়াৰোপৰি কাকতিয়ে গছৰ উপকাৰীতাৰ বিষয়ে সুন্দৰ বক্তৃতা আগবঢ়ায়। ইয়াৰ পিছতেই এই অনুষ্ঠানৰ লগত সংগতি ৰাখি ভেশছন প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিচাৰক হিচাপে উপস্থিত থাকে ধনীৰাম গগৈ মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক অচ্যুত গগৈ আৰু বিকাশ হাজৰিকা। জৱাহৰলাল নেহৰু, ড০ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ আগত বন্তি প্ৰজ্বলন কৰে শাখাৰ সম্পাদিকা ৰুলী বৰগোহাঁই গগৈ আৰু পৰিচালিকা জুলী গগৈয়ে। মইনা পাৰিজাতৰ সমবেত সংগীতটিৰে আৰম্ভ হোৱা মুকলি সভাখনি আঁত ধৰে ড্ৰীমলী গগৈয়ে। সমান্তৰাল ভাবে ড্ৰীমলী গগৈয়ে আঁত ধৰা মুকলি সভাখনিত সভাপতিত্ব কৰে মৃণ্ময় গগৈয়ে। এই সভাতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শিশু দিৱস আৰু মইনা পাৰিজাতৰ উপকাৰীতাৰ বিষয়ে বক্তৃতা আগবঢ়ায় হাফলুটিঙৰ উত্তৰণ মইনা পাৰিজাতৰ মইনা ময়ূখ ৰাজ নাথে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি জৱাহৰলাল নেহৰুৰ বিষয়ে বক্তৃতা আগবঢ়ায় ধ্ৰুৱজ্যোতি মইনা পাৰিজাতৰ মইনা নিবিড় গগৈ আৰু চয়নিকা গগৈয়ে। আনহাতে এই সভাতেই গুৰুজনাৰ এটি বৰগীত পৰিবেশন কৰে ধ্ৰুৱজ্যোতি মইনা পাৰিজাতৰ মইনা ড্ৰীমলী গগৈয়ে। ভূপেন্দ্ৰ সংগীত পৰিবেশন কৰে শ্যামল গগৈয়ে। অনুষ্ঠান ত হিয়াৰ আমঠু জুবিন গাৰ্গৰ মায়াবিনী গীতটো পৰিবেশন কৰে চিন্ময় দত্তই। সমজুৱা একাষাৰত দক্ষিণ আঞ্চলিকৰ সাংগঠনিক সম্পাদক পাৰ্থ প্ৰতিম গগৈ আৰু ক্ৰীড়া আহ্বায়ক ৰঞ্জু নাথে উপস্থিত থাকি বক্তৃতা আগবঢ়ায়। সম্পাদিকা ৰুলী বৰগোহাঁই গগৈয়েও সমজুৱা একাষাৰত বক্তৃতা আগবঢ়ায়। তদুপৰি শাখাৰ সদস্য সকলৰ লগতে অনুষ্ঠানলৈ সহায়-সহযোগিতা আগবঢ়োৱা সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। সভাপতিৰ ভাষণৰ পিছতে ড্ৰীমলী গগৈয়ে শলাগৰ শৰাই আগবঢ়ায়। ইয়াৰ পিছতে জাতীয় সংগীতেৰে মুকলি সভাখন সামৰণি মৰা হয়। সমান্তৰাল ভাবে আৰম্ভ হয় মইনাসকলৰ মনোগ্ৰাহী বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান। কৈলাস বড়াই আঁত ধৰা এই অনুষ্ঠানটিত ধ্ৰুৱজ্যোতি মইনা পাৰিজাতৰ মইনাসকলৰ লগতে ধনীৰাম গগৈ মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। ধনীৰাম গগৈ মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষাগুৰু সকলৰ লগতে শতাধিক অভিভাৱকসকল তথা শুভাকাংক্ষী ৰাইজৰ উপস্থিতিয়ে মইনাসকলক উৎসাহিত কৰি তোলে।

উন্নয়নমূলক কামৰ আধাৰশিলা স্থাপন

# পি.এম. শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হীৰক-জয়ন্তীৰ প্ৰস্তুতি



**অসম বাৰ্তা, ধনশিৰি, ১৭ নৱেম্বৰ ঃ** দৈয়াং ধনশিৰিৰ পৃষ্ঠভূমিত গৌৰৱ উজ্জ্বলভাৱে ৭০টা বসন্ত অতিক্ৰম কৰা সৰুপথাৰ সমজিলাৰ পি.এম. শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আগন্তুক ২৬, ২৭ আৰু ২৮ডিচেম্বৰ তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অতি উলহ-মালহেৰে হীৰক-জয়ন্তী উদযাপন কৰিবলৈ আগবাঢ়িছে। তদুপলক্ষে হীৰক জয়ন্তী উদযাপনৰ প্ৰায়বিলাক কামকাজ ক্ষিপ্ৰতাৰে আগবাঢ়িছে। সোমবাৰে পি.এম. শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কেইবাটাও উন্নয়নমূলক কামৰ আধাৰশিলা স্থাপন কৰা হয়। হীৰক-জয়ন্তী উপলক্ষে বিদ্যালয়খনত সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে নতুনকৈ নিৰ্মাণ হবলগীয়া স্বৰ্গীয় শিৱাজীৰ ৰায়ৰ সোঁৱৰণত পুত্ৰ সাগৰ ৰায়ে আগবঢ়োৱা হীৰক জয়ন্তী স্মাৰক আৰু সৰুপথাৰ সমজিলা তাই আহোম ছাত্ৰ সন্থাই প্ৰদান কৰা ড° ভূপেন হাজৰিকাৰ আৱক্ষ প্ৰতিমূৰ্তিৰ আধাৰশিলা স্থাপন কৰে আৰু নৱনিৰ্মিত বিজ্ঞানাগাৰৰ দ্বাৰ উন্মোচন কৰে। আগন্তুক ডিচেম্বৰ মাহৰ শেষৰ সপ্তাহত অনুষ্ঠিত হ'বলগীয়া হীৰক জয়ন্তী বৰ্ষৰ অনুষ্ঠানভাগি সৰ্বতোপ্ৰকাৰে সাফল্যমণ্ডিত হোৱাৰ লক্ষ্যৰে উদযাপন সমিতিয়ে সকলো বিলাক কাম-কাজ আগবঢ়াই নিছে। আজিৰ আধাৰশিলা স্থাপন আৰু বিজ্ঞানাগাৰ কক্ষ উন্মোচন অনুষ্ঠানৰ কাৰ্যসূচীত বিধায়ক বিশ্বজিৎ ফুকনৰ লগতে সৰুপথাৰৰ সমজিলা আয়ুক্ত মানসজ্যোতি নাথ, সৰুপথাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সিদ্ধেশ্বৰ বৰা, হীৰক জয়ন্তী উদযাপন সমিতিৰ সভাপতি মাধুৰ্য শইকীয়া, সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা মিতালী বৰা, বৰপথাৰ পৌৰসভাৰ পৌৰপতি সঞ্জীৱ কুমাৰ বৰুৱা, সম্পাদক দ্বিপেন কুমাৰ বৰা, কাৰ্যকৰী সভাপতি দিলীপ কোঁৱৰ, পৰমানন্দ লাহন আৰু বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীকে ধৰি বিভিন্ন দল সংগঠনৰ বিষয়ববীয়া আৰু বহু সংখ্যক অভিভাৱক উপস্থিত থাকে।

# ৰঙিয়া ডিভিজন ফুটবলৰ ফাইনেলত কলমনি মিলিজুলি চেম্পিয়ন

**অসম বাৰ্তা, ৰঙিয়া, ১৭ নৱেম্বৰ ঃ** ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত জয়ন্তীপুৰ যোগেশ্বৰ বিদ্যাপীঠ উঃমাঃ বিদ্যালয় খেলপথাৰত চলি থকা নিজৌমচা বড়ো সোঁৱৰণী চুপাৰ ডিভিজন ফুটবল প্ৰতিযোগিতাৰ আজিৰ ফাইনেলত কলমনি বৰকুকুৰীয়া মিলিজুলি যুৱক সংঘই জাপিয়া এফ চিক ২-১ গ'লত পৰাজিত কৰি চুপাৰ ডিভিজন নিজৌমচা বড়ো সোঁৱৰণী চলন্ত ট্ৰফী খিতাপ লাভ কৰে। অতি উত্তেজনাপূৰ্ণ খেলখনত দুয়োটা দলে সমানে চাপৰ সৃষ্টি কৰিছিল যদিও অন্তিম মুহূৰ্তত কলমনি বৰকুকুৰীয়া মিলিজুলি যুৱক সংঘৰ অপ্ৰাণ চেষ্টাৰ ফলত এটি গ'ল কিকে জাপিয়া এফ চিৰ গলৰক্ষকক প্ৰতিহত কৰি বলটো নেটত আশ্ৰয় লৈ বিজয়ী হবলৈ সক্ষম কৰে। আজিৰ খেলখন পৰিচালনা কৰে ৰেফাৰী পহৰেদ আলী আহমেদ, জয়ন্ত মাধৱ দাস, মনোৰঞ্জন মহন্ত আৰু সতীশ কুমাৰ ডেকাই। চূড়ান্ত খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ বঁটা লাভ কৰে জাপিয়া এফ চিৰ ৪৪ নম্বৰ জাৰ্চি পৰিহিত খেলুৱৈ এলড্ৰেন বৰগয়াৰী আৰু শ্ৰেষ্ঠ গলৰক্ষকৰ বটা লাভ কৰে কলমনি-বৰকুকুৰীয়া মিলিজুলি যুৱক সংঘৰ গলৰক্ষকে। চূড়ান্ত খেলখনৰ উদ্বোধক হিচাপে অংশগ্ৰহণ কৰে কামৰূপ জিলাৰ ডি ডি চি সুশান্ত কুমাৰ দত্ত, অসম ক্ৰিকেট সন্থাৰ এপেক্স কাউন্সিলৰ সদস্য তথা অসম ফুটবল সন্থাৰ উপ সভাপতি তথা জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক মুকুতানন্দ ভট্টাচাৰ্য্য প্ৰমুখ্যে কেইবাগৰাকীও অতিথিয়ে।

# ২২ নৱেম্বৰৰ পৰা মাজুলী জিলা মইনা পাৰিজাতৰ দ্বাদশ শিশু সমাৰোহ; ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, উজনী মাজুলী, ১৭ নৱেম্বৰ ঃ** মাজুলী জিলা মইনা পাৰিজাতৰ দ্বাদশ দ্বি বাৰ্ষিক শিশু সমাৰোহখন অহা ২২, ২৩ আৰু ২৪ নৱেম্বৰত গড়মূৰ পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত গড়মূৰ সদৰ আঞ্চলিক মইনা পাৰিজাতৰ সহযোগত অনুষ্ঠিত হ'ব। মাজুলী জিলাৰ বিভিন্ন প্ৰান্তৰ ৪১খন শাখা মইনা পাৰিজাতৰ সহস্ৰাধিক মইনা আৰু পৰিচালক পৰিচালিকাই উক্ত শিশু সমাৰোহত অংশগ্ৰহণ কৰিব। উক্ত, শিশু সমাৰোহ উপলক্ষে ভূপেন দত্তক সভাপতি আৰু অনিল শইকীয়াক সম্পাদক হিচাপে লৈ এখন বৃহৎ আদৰণী সমিতি গঠন কৰা হৈছে। উক্ত, শিশু সমাৰোহখনৰ শিশু সকলৰ থকা মেলাৰ বাবে অমৰ ঘোষ হলি আইলেণ্ড স্কুল, পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়, পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়, শংকৰদেৱ শিশু বিদ্যা নিকেতনত আদৰণী সমিতিয়ে ব্যৱস্থা গ্ৰহণ কৰিছে। শিশু সমাৰোহৰ মূল সভা সমূহ গড়মূৰ বংশীগোপাল নাট্য মন্দিৰত অনুষ্ঠিত হ'ব। শিশু সমাৰোহখনৰ বিভিন্ন প্ৰতিযোগিতাসমূহ মাজুলীৰ মিনি ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। উক্ত, শিশু সমাৰোহৰ কাৰ্যসূচী হিচাপে ২২নৱেম্বৰত পুৱা পৰিৱেশ নিকাকৰণৰ পাছত গছপুলি ৰোপণ কৰিব বিশিষ্ট পৰিৱেশ কৰ্মী তথা পৰিৱেশ বন্ধু অতুল হাজৰিকাই। সেইদিনা পুৱা ৯ বজাত প্ৰতিনিধি নাম পঞ্জীয়নৰ পাছত চিকিৎসা শিবিৰ মুকলি কৰিব মাজুলীৰ বিশিষ্ট চিকিৎসক ডাঃ মাণিক মিলিয়ে। পুৱা দহ বজাত পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত প্ৰতিনিধি শিবিৰ মুকলি কৰিব আদৰণী সমিতিৰ সভাপতি ভূপেন দত্তই। তাৰপিছত গ্ৰন্থ বিপনী উন্মোচন, বিজ্ঞান প্ৰদৰ্শনী উদ্বোধন, চিত্ৰাংকন প্ৰতিযোগিতা, সাহিত্য প্ৰতিযোগিতা আৰু সন্ধিয়া সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২৩ নৱেম্বৰত পুৱা ন' বজাত পতাকা উত্তোলন, মাৰ্চ পাষ্ট প্ৰতিযোগিতা, দহ বজাত ক্ৰীড়া প্ৰতিযোগিতা আৰু বিয়লি পুনৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২৪ নৱেম্বৰত পুৱা ন' বজাত প্ৰতিযোগিতামূলক সাংস্কৃতিক শোভাযাত্ৰা, দুপৰীয়া গড়মূৰ বংশীগোপাল নাট্য মন্দিৰত স্মৃতি গ্ৰন্থ উন্মোচন আৰু মুকলি শিশু সমাৰোহ আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব। উক্ত, শিশু সমাৰোহখনত মাজুলীৰ ৰাইজৰ সহায় সহযোগ আৰু উপস্থিতি মাজুলী জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা আৰু সাধাৰণ সম্পাদক শশীধৰ বৰুৱা, আদৰণী সমিতিৰ সভাপতি ভূপেন দত্ত আৰু সম্পাদক অনিল শইকীয়াই কামনা কৰিছে।

# সদৌ অসম শিশু ভাওনা সমাৰোহ-২০২৫ৰ লাইখুঁটা স্থাপন

**অসম বাৰ্তা, উজনী মাজুলী, ১৭ নৱেম্বৰ ঃ** মধ্য মাজুলী শিল্পী সমাজৰ উদ্যোগত মাজুলী বাসী সহযোগত চলিত বৰ্ষৰ ১৪ ডিচেম্বৰ-২০২৫ তাৰিখৰ পৰা ২৪ ডিচেম্বৰলৈ অনুষ্ঠিত হ'বলগা সদৌ অসম শিশু ভাওনা সমাৰোহ-২০২৫ৰ লাইখুঁটা স্থাপন কৰে। যোৱা ১৬ডিচেম্বৰ পুৱা ১০ঃ৩০ বজাত দেৱবাদ্য ধ্বনিৰ মাজেদি খুঁটা স্থাপন কৰে শ্ৰীশ্ৰী আদিবিহিমপুৰ সত্ৰৰ সত্ৰাধিকাৰ চিদানন্দ মহন্তই। দুই শতাধিক লোকৰ উপস্থিতিত গায়ন বায়ন হৰিধ্বনিৰ মাজত সম্পন্ন অনুষ্ঠানটিত শিশুভাওনা সমাৰোহ আয়োজক সমিতিৰ সভাপতি তথা বেঙেনাআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ টুটু গোস্বামী আৰু কাৰ্যকৰী সভাপতি দীপক গোস্বামীৰ সহযোগত লাইখুটা স্থাপন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সাংস্কৃতিক কৰ্মী দীপক বৰুৱাই আঁত ধৰা অনুষ্ঠানত সুৰেন্দ্ৰ মুদৈ, মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনিন্দ্ৰ ভূঞা আঞ্চলিক পঞ্চায়ত সদস্যা পুৰ্ণপ্ৰভা বৰা হাজৰিকা ভোগপুৰ অঞ্চলৰ ৰাইজ আৰু সমাৰোহ আয়োজক সমিতিৰ বিষয়ববীয়া সকল উপস্থিত থাকে।

## সম্পাদকীয়

# নিশব্দ নহয়, জুবিন শশব্দ

আজি ১৮ নৱেম্বৰ। এনে এদিন যিদিনা অসমৰ সংগীত জগতত এটি নতুন সূৰ্য্যৰ উদয় হৈছিল। যি সূৰ্য্য লক্ষ্য কোটিৰ হৃদয়ত সূৰ্য্য হৈ পৰিল। আজিৰ দিনটোতেই আমাৰ 'সংগীতৰ ৰজা', 'ঈশ্বৰ পুত্ৰ' জুবিন গাৰ্গে জন্মগ্ৰহণ কৰিছিল। কিন্তু বিধাতাৰ নিৰ্মম পৰিহাস, আজি এই ওপজা দিনত শিল্পীগৰাকী আমাৰ মাজত নাই। বিগত ৩৩ বছৰ ধৰি যিজনে অসমীয়া সংগীতক এক নতুন দিশ দি, আমাৰ আত্মাক চুই গ'ল, সেইজন আজি সোণাপুৰৰ জুবিনক্ষেত্ৰত নিশব্দে, নিৰলে শুই আছে। তথাপি, তেওঁৰ অনুৰাগীসকলৰ বাবে, অসমৰ বাবে জুবিন আজিও নিশব্দ নহয়, 'জুবিন শশব্দ'। জুবিন গাৰ্গ কেৱল এজন সংগীতশিল্পী নাছিল, তেওঁ আছিল এটি অনুভৱ, এটি আবেগ, এটি অস্তিত্বৰ প্ৰতীক। তেওঁৰ গীতবোৰ আমাৰ সুখ-দুখৰ, আশা-নৈৰাশ্যৰ, প্ৰেম-বিৰহৰ সুৰৰ ৰূপান্তৰ আছিল। তেওঁৰ কণ্ঠস্বৰ আছিল আমাৰ সপোন, আমাৰ যুঁজ, আমাৰ জীৱনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। গতিবিহীন বছৰটোৰ দৰেই আজিও তেওঁৰ লাখ লাখ অনুৰাগী ওলাই আহিছে তেওঁক স্মৰণ কৰিবলৈ। কাহিলীপাৰাৰ তেওঁৰ বাসগৃহ আৰু সোণাপুৰৰ জুবিনক্ষেত্ৰ অনুৰাগীৰ ভিৰত মুখৰিত। এই যে অকৃত্ৰিম শ্ৰদ্ধা, এই যে অবিৰত ভালপোৱাৰ জোৱাৰ, ইয়েই প্ৰমাণ কৰে যে জুবিন শৰীৰত নথকাৰ পিছতো আমাৰ মাজত স্পষ্টভাৱে বৰ্তমান। তেওঁৰ পত্নী গৰিমা শইকীয়াদেৱে আৱেগিক হৈ কোৱাৰ দৰে, "এই জনমৰ পৰা জন্মান্তৰলৈকে আমি আমাৰ কাহিনী লিখি যাম...।" এই বাক্যাংশই কেৱল পত্নীৰ স্বামীপ্ৰেমেই নুবুজাই, ই আমাৰ সকলোৰে মৰম, শ্ৰদ্ধা আৰু স্মৃতিত জুবিন চিৰসক্ৰিয় হৈ থকাৰ প্ৰতিজ্ঞাও দাঙি ধৰে। আনহাতে, ভগ্নী পামী বৰঠাকুৰদেৱৰ আত্মস্পন্দন থকা শব্দবোৰ— "ক'ত আছ নেজানো....ভালে থাকিবি, এইবাৰ কাকো বিশ্বাস নকৰিবি" —ই আমাৰ সকলোৰে মনত এক অসহায় বেদনা, এক উচপনিৰ সৃষ্টি কৰে। এই উচপনিয়ে কেৱল শোকেই নহয়, ই এক অপূৰ্ণ আৰু ন্যায় বিচৰাৰ আহ্বানকো সূচায়। জুবিন গাৰ্গৰ জীৱন আছিল এক উজ্জ্বল দীপশিখাৰ দৰে। তেওঁ কেতিয়াও নিজকে কেৱল কোটিপতি শিল্পীলৈ সীমাবদ্ধ কৰি ৰখা নাছিল। তেওঁৰ ব্যক্তিত্ব আছিল পানীৰ দৰেই সৰল আৰু মিশ্ৰণক্ষম। সমাজৰ প্ৰতিটো শ্ৰেণী, প্ৰতিজন ব্যক্তিৰ লগত তেওঁৰ আছিল এক অবাধ সম্পৰ্ক। তেওঁৰ গীতবোৰে যেনেকৈ আমাক একত্ৰিত কৰিছিল, তেনেকৈ তেওঁৰ ব্যক্তিত্বয়ো আছিল সংযোগৰ এক অনন্য মাধ্যম। এনে মানুহজনক হঠাৎ হেৰুওৱাটো আমাৰ বাবে এক বিশাল আঘাত। কিন্তু প্ৰশ্ন হয় — এই আঘাতৰ পৰা আমি কি শিকিলো? আমাৰ শিল্পী, আমাৰ সংস্কৃতি, আমাৰ প্ৰতিভাসকলক সঁচাকৈয়ে আমি গুৰুত্ব দিয়ে নেকি? জুবিন গাৰ্গৰ দৰে শিল্পীসকল আমাৰ সমাজৰ অমূল্য সম্পদ। তেওঁলোকৰ সৃষ্টিয়ে আমাৰ সংস্কৃতিৰ ভেটি দৃঢ় কৰে, আমাৰ পৰিচয়ক বিশ্বৰ দৰবাৰলৈ লৈ যায়। কিন্তু আমি তেওঁলোকক কিমান সুৰক্ষা দিব পাৰো? তেওঁলোকৰ ব্যক্তিগত জীৱন, তেওঁলোকৰ সুৰক্ষাৰ প্ৰতি আমি কিমান সচেতন? শিল্পীগৰাকীৰ আকস্মিক বিয়োগে আমাৰ সমাজব্যৱস্থাৰ ভেটিত কেইটামান গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সৃষ্টি কৰিছে। আমি এটা সচেতন সমাজ হিচাপে এই প্ৰশ্নবোৰৰ উত্তৰ বিচৰাটো আমাৰ কৰ্তব্য। জুবিন গাৰ্গে কৈ গৈছিল, 'যুঁজাৰু মই জন্মগত, আমৰণ মোৰ সংকল্প। অস্তিত্ব অপৰাজেয়।' এই কথাষাৰেই হৈছে তেওঁৰ জীৱনদৰ্শনৰ মুলমন্ত্ৰ। তেওঁৰ শাৰীৰিক অস্তিত্ব আজি আমাৰ মাজৰ পৰা অবিহিত হ'লেও, তেওঁৰ সৃষ্টি, তেওঁৰ সংগীত, তেওঁৰ আদৰ্শ আমাৰ মাজত চিৰজীৱী। তেওঁৰ গীতেৰে সজা হৃদয়বোৰত তেওঁ সদায় জীয়াই থাকিব। আজিৰ এই জন্মদিনত আমাৰ প্ৰতিজ্ঞ হওক— জুবিন গাৰ্গৰ সৃষ্টিশীলতা, মানৱতা আৰু সংস্কৃতিৰ প্ৰতি থকা দায়বদ্ধতা আমাৰ জীৱনতো প্ৰতিফলিত কৰিম। তেওঁৰ স্মৃতিক আমি সজীৱ ৰাখিম তেওঁৰ গীত শুনি, তেওঁৰ আদৰ্শক আগবঢ়াই নি। আজি সমগ্ৰ ৰাজ্যখন জুবিনময়। এই যে অখণ্ড ভালপোৱা, এই যে একাকাৰ হৈ থকাৰ অনুভূতি, য়েই জুবিন গাৰ্গৰ সফল জীৱনৰ সাৰ্থকতা। তেওঁ নিশ্চয়ই আমাৰ মাজত নাই, কিন্তু তেওঁৰ গানবোৰ আছে, তেওঁৰ স্মৃতিবোৰ আছে। সেয়েহে, জুবিন যদিও নিশব্দ, জুবিন চিৰশব্দ, চিৰসক্ৰিয় আমাৰ হৃদয়ত। তেওঁৰ আত্মাই যেন শান্তি পায়।

◀◀ অসমৰ বৃহৎ চাহজনগোষ্ঠী সমাজখনৰ বিষয়ত ক'ব পাৰি। স্বাধীনতাৰ আগতে অসমৰ মাটিত খেতি কৰা লোকৰ অভাৱৰ ফলত ইংৰাজসকলে নানা প্ৰলোভন আশ্বাস দি, ঠিকাদাৰ-দালালৰ জৰিয়তে ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা নানা জনজাতি-জনগোষ্ঠীৰ শ্ৰমিক সকলক অনাইছিল। বিভিন্ন ঠাইৰ পৰা শ্ৰমিক সকলক আমদানিৰ সময়ত বাটতে হাজাৰ হাজাৰ শ্ৰমিকৰ নানা মহামাৰী বেমাৰত মৃত্যু হৈছিল। অসমৰ হাবি-জংঘল ভাঙিবলৈ যাওঁতে নানা হিংস্ৰ জীৱ-জন্তুৰ কবলত পৰি বহু শ্ৰমিকে প্ৰাণ দিছিল। ▶▶

# ৰাজনীতিৰ পটভূমিত সমাজৰ দায়বদ্ধতা

**মাখন লাল বাঢ়ৈ**

২০২৬ বৰ্ষৰ অসমৰ বিধান সভাৰ নিৰ্বাচনৰ দিন চমু চপাৰ লগে লগে অসমৰ ৰাজনৈতিক মঞ্চ সক্ৰিয় হৈ উঠিছে। এফালে বৰ্তমানৰ মিত্ৰজোট বি.জে.পি. চৰকাৰে আগন্তুক নিৰ্বাচনত জয় লাভ কৰিবৰৰ্থে নানা ধৰণৰ জন কল্যাণ আঁচনিক মুকলি কৰিবলৈ লৈছে। বিশেষকৈ কৃষক-শ্ৰমিক সমাজৰ লোকলৈ একালিন আৰ্থিক সাহাৰ্য্যৰ লগতে প্ৰধান মন্ত্ৰীৰ গৃহ নিৰ্মাণ আঁচনি কৃষি সম্প্ৰদা আঁচনি, নিযুত মইনা আঁচনিৰ সমূহ নিৰ্বাচনৰ আগে আগে কাৰ্য্য কৰাৰ বিষয়ত ঘোষণা কৰিছে। আত্মসহায়ক গোট সমূহলৈ তথা চাহ বাগিচাৰ স্থায়ী শ্ৰমিকসকলৈ ক্ৰমান্বয় দহ হেজাৰকৈ আৰু পাচ হেজাৰ কৈ নগদ একালিন সাহাৰ্য্যৰ ঘোষণা কৰা হৈছে। অসমৰ পৰ্বত ভৈয়াম, বনাঞ্চলত দখল কৰি অহা বেদখলকাৰী সকলক উচ্ছেদ অভিযান চলাই অসমৰ লাখ লাখ বিঘা মাটি দখল মুক্ত কৰিছে। ই অসমৰ জাতীয় স্বাৰ্থৰ এক প্ৰশংসনীয় পদক্ষেপ হ'লেও বহু বনাঞ্চল তথা ৰিজাৰ্ভ মাটিত যুগ যুগ ধৰি বহু খিলঞ্জীয়া লোক সকলৰ সৈতে আদিবাসীৰ বিভিন্ন জনগোষ্ঠী বাস কৰি আহিছিল আৰু বাস কৰি আছে। এই বিষয়ত অসমৰ আদিবাসী ছাত্ৰ সন্থা (আচা) আৰু আদিবাসী পৰিষদে দাবী তুলিছে। বৰ্তমানৰ চৰকাৰে নিৰ্বাচনৰ বৈতৰণী পাৰ হ'বলৈ বহু ধৰণৰ কৌশল অৱলম্বন কৰিছে। আনহাতে বিৰোধী ৰাজনৈতিক দল সমূহেও একগোট হৈ মিত্ৰজোট বিজেপি চৰকাৰৰ পৰা অসমক মুক্ত কৰাবলৈ ৰণ কৌশল তৈয়াৰ কৰিবলৈ লৈছে। বিৰোধী ৰাজনৈতিক দল কংগ্ৰেছ, ইউ.ডি.এফ. চিপি, আঞ্চলিক দল ৰাইজৰ দল আদিয়ে এখন মঞ্চ তৈয়াৰ কৰি বি.জে.পি. চৰকাৰক আঁতৰাবলৈ যো-জা কৰিছে। এখন গণতন্ত্ৰ ৰাষ্ট্ৰত এনে দৰে ৰাজনৈতিক দলৰ ৰাজনীতিৰ খেল চলি আহিছে। সজাগ সচেতন ভোট দাতা সকলে নিজৰ নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ সংবিধানে সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কপি আহিছে। এই গণতান্ত্ৰিক ক্ষমতা লাভ কৰিবলৈ ভাৰতৰ জনতাই ইংৰাজৰ লগত স্বাধীনতা সংগ্ৰাম কৰিব লগিয়া হৈছিল। স্বাধীনতা লাভ কৰিবলৈ ভাৰতৰ অসংখ্য লোকে নিস্বাৰ্থভাৱে প্ৰাণ বলিদান দিছিল আৰু আমি স্বাধীনতা লাভ কৰিবলৈ সক্ষম হ'লো। তাহানিৰ স্বাধীনতাৰ যুজাৰু ইংৰাজ শাসনৰ কালত এচাম বুদ্ধিজীৱি আৰু শিক্ষিত ব্যক্তিসকলে ভাৰতৰ স্বাধীনতাক লৈ সংগ্ৰাম অবিৰাম ভাৱে চলাই গৈছিল আৰু বহুতে স্বাধীনতাৰ বাবে হাঁহি হাঁহি ফাঁচিৰ কাঠত উলমিছিল। প্ৰাক স্বাধীনতাৰ সময়ত অসম তথা ভাৰতৰ লোক সকল অধিকাংশ অশিক্ষিত নিৰক্ষৰ আছিল আৰু স্বাধীনতাৰ মূল কথা বুজিব পৰা নাছিল তৎস্বত্তেও স্বাধীনতাৰ যুজাঁৰু সকলে গাঁৱে-চহৰে স্বাধীনতাৰ বিষয়ত বুজাইছিল আৰু একগোট কৰি সংগ্ৰাম আৰম্ভ কৰিছিল। অশেষ কষ্ট আৰু ত্যাগ কৰি স্বাধীনতাৰ হকে কাম কৰিছিল। কৰ্মকতা সকলৰ আটাইকেইজন উচ্চ শিক্ষাৰে শিক্ষিত আৰু ধনী সম্ভ্ৰান্ত পৰিয়ালৰ লোক আছিল। ইচ্ছা কৰা হ'লে তেওঁলোকে ইংৰাজৰ শাসন স্বাকাৰ কৰি ৰাজকীয়া সা-সুবিধা ল'ব পাৰিলেহেঁতেন কিন্তু তেনে স্বাৰ্থক গৌৰৱে ত্যাগ কৰি ভাৰত তথা অসম আই মাতৃৰ লগত ইংৰাজৰ দ্বাৰা শোষিত লাঞ্চিত নিৰ্য্যাতিত জনতাক তেওঁলোকৰ অধিকাৰ দিয়াবলৈ অপ্ৰাণ চেষ্টা চলাইছিল আৰু ইংৰাজৰ হাতত প্ৰাণ আহুতি দিছিল। অসমৰ মণিৰাম দেৱান, পিয়লি ফুকন, কুশল কোঁৱৰ মাংৰী উৰাং, বেজা বৈষ্ণৱ, দূৰ্গী ভূমিজ আৰু কনক লতাৰ লগতে ভাৰতৰ বহু গৰাকী শ্বহীদ বিশেষকৈ ভগত সিংহ আদি মহান শ্বহীদ সকলৰ নাম ল'ব পাৰো। সেই সময়ত লালা লাজপাত ৰায়, মহাত্মা গান্ধী, চৰ্দাৰ বল্লৱ ভাই পেটেল, ৰাজেন্দ্ৰ প্ৰসাদৰ দৰে বহু উচ্চ শিক্ষিত দেশ প্ৰেমিক কৰ্মী সকলে নিজৰ নিজৰ সুখশান্তি ভোগ বাসনাৰ মোহ ত্যাগ কৰিছিল আৰু স্বাধীনতা সংগ্ৰামৰ দায়িত্ব লৈ সংগ্ৰাম কৰি ভাৰতৰ স্বাধীনতা লৈছিল। আজিৰ জন সমাজে সেইখিনিৰ কষ্ট ত্যাগ দেশ মাতৃৰ প্ৰেমৰ বিষয়ত হৃদয়াঙ্গম কৰিবলৈ চেষ্টাৰ প্ৰয়োজন আছে। যাকি নহওঁক আমাক স্বাধীনতাই সম-অধিকাৰ, সম ন্যায়, আৰু জীয়াই থকাৰ সম অধিকাৰ দিছে। সংবিধানৰ নিয়মমতে ভাৰতৰ জনসাধাৰণৰ মাজত শিক্ষা বাসস্থান, জীৱন নিৰ্বাহিৰ কৰ্ম সংস্থানৰ ব্যৱস্থা থাকিব লাগে। সেয়ে বৰ্তমান অসমৰ সকলো জনগোষ্ঠী তথা জনজাতিয়ে সংবিধানৰ দফামতে সমান অধিকাৰ বিচাৰি নানা ধৰণৰ ধৰ্মঘট/আন্দোলন কৰিছে। তাহানিৰ বৰ অসম আজি মাজ ভাগত বিভক্ত হ'ল। ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ এসময়ৰ অসম। আজি ক্ষুদ্ৰ অসম হৈ ৰ'ল, য'ত ভাৰতৰ সকলো প্ৰান্তৰ জনজাতিৰ লোকে অসমত বাস কৰি আহিছে আৰু বিভিন্ন ভাষা ভাষী তথা ধৰ্মাৱলীৰ লোক আছে। এসময়ত ব্ৰহ্মদেশৰ মান সকলে তথা মোৱা মৰিয়া ৰজা সকলৰ ধাৰাবাহিক আক্ৰমণৰ ফলত আহোমৰাজ্য বিপদাপন্ন হৈছিল আৰু বাধ্যত পৰি আহোম ৰজাই ইংৰাজক সহায় বিচাৰিছিল। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিছৰ পৰা ইংৰাজ সকলে অসমৰ শাসন ভাৰ নিজ হাতলৈ আনিলে। পুনৰ অসমৰ মানুহে ভাৰতৰ স্বাধীনতা সংগ্ৰামলৈ যোগদান কৰি ভাৰতৰ লগতে অসমেও স্বাধীনতা লাভ কৰিলে। স্বাধীনতা লাভ কৰাৰ পিছৰ বৰ্তমান লৈকে অসমৰ বিভিন্ন জনজাতি/ জনগোষ্ঠীৰ মাজত মতানৈক্যৰ সৃষ্টি হৈ আহিছে। প্ৰতিটো জনজাতি /জনগোষ্ঠীৰ মাজত ভাগ ভাগ হ'বলৈ লৈছে। ফলত অসমৰ ঐক্য, সংহতি, শান্তি সম্প্ৰীতি তথা উন্নয়ণ বিকাশ আদি হ'ব পৰা নাই।




বৰ্তমানৰ ৰাজনীতিৰ পাশাখেলতো অসমৰ জনসাধাৰণে ককবকাই আছে। জাতি-ধৰ্ম সম্প্ৰদায়ৰ নামত ৰাজনীতি চলিছে। বৰ্তমানৰ ৰাজনীতি পৰিচালিত হৈ পুঁজিবাদী সকলৰ দ্বাৰা। সেয়ে প্ৰায়ভাগ জনতা হৈ পৰিছে ৰাজনীতি পাশাখেলৰ খেলাৰী।

সেয়ে অসমৰ খিলঞ্জীয়া হিচাবে আহোম টাই-বড়ো কছাৰী, দৈমাৰী, কোঁচৰাজবংশী, মিৰি মিচিং দাবী তুলিছে আৰু নিজৰ ভাষা সাহিত্য সংস্কৃতি আৰু জাতীয় উন্নয়ন বিকাশৰৰ্থে স্বায়ত্ব শাসনৰ দাবী তুলিছে। ইতিমধ্যে বড়ো কাৰ্বি সকলে স্বায়ত্ব শাসন লাভ কৰি নিজৰ নিজৰ জনগোষ্ঠী/জনজাতিৰ স্থায়ী জাতীয় পৰিচয় আৰু সা-সুবিধাৰ ব্যৱস্থা কৰিছো। আঞ্চলিক ৰাজনৈতিক দল বৰ্জন কৰিছে আৰু অতীতৰ পৰা চলি অহা নানা সমস্যা সমাধানৰ ব্যৱস্থা কৰিবলৈ লৈছে। অসমৰ অন্যান্য জনগোষ্ঠীৰ প্ৰতিনিধি সকলে নিজাববীয়াকৈ জাতীয় অনুষ্ঠান গঠন কৰিছে। এই অনুষ্ঠান সমূহে একগোট হৈ আঞ্চলিক ৰাজনৈতিক দল গঠন কৰা আৰু ৰাজনৈতিক দিশত আগ বাঢ়িছে। সকলোৰে বুজিব পাৰিছে যে জাতীয় সমস্যা আৰু একোখন জাতি সমষ্টিৰ সম উন্নয়ণ বিকাশৰ বাবে নিজা ববীয়া দল ৰাজনৈতিক দল নহ'লে কেতিয়াও জাতিৰ উন্নয়ন বিকাশ নহয়। এচাম ৰাজনৈতিক দলৰ কৰ্মকৰ্ত্তা সকলে নানা প্ৰলোভন, মিছা-আশ্বাস দি দি নিজৰ স্বাৰ্থ সিদ্ধি কৰি থাকিব। অসমৰ আহোম-টাই, কোঁচ ৰাজবংশী, কছাৰী, দৈমাৰী সকলে ৰাজনীতিৰ কুটনীতি বুজি উঠিছে দেখি একত্ৰিত হ'ব পাৰিছে। দাবী আন্দোলন কৰিছে। অসমৰ ছয়-জনগোষ্ঠীয় দাবী উত্থাপন কৰাৰ লগতে অসমৰ আন্দোলনৰ '৬ দফীয়া' দাবীৰ কাৰ্য্যকৰী ব্যৱস্থাৰ্থে দাবী তুলিছে। অসমৰ জাতীয় স্বাৰ্থ নিহিত থকাৰ ওপৰত অসম ছাত্ৰ সন্থা (আছু) যুৱ পৰিষদ আদিয়েও দাবী তুলি আহিছে। ইয়াৰ পৰা বুজা যায় যে ঐক্যবদ্ধ ভাৱে যি কোনো সমস্যা অভাৱ অভিযোগৰ বিষয়ত দাবী উত্থাপন নকৰিলে যিকোনো জাতি বা সমাজৰ সমস্যা সমাধান নহয় বৰঞ্চ ভাগ ভাগ হৈ থকা তথা নিজৰ মাজত একতা নথকা হ'লে এচাম ৰাজনৈতিক দালালে তেনে জনগোষ্ঠীক নিজৰ মতে নিয়নত্ৰিত কৰি ৰাখিব পাৰে।

অসমৰ বৃহৎ চাহজনগোষ্ঠী সমাজখনৰ বিষয়ত ক'ব পাৰি। স্বাধীনতাৰ আগতে অসমৰ মাটিত খেতি কৰা লোকৰ অভাৱৰ ফলত ইংৰাজসকলে নানা প্ৰলোভন আশ্বাস দি, ঠিকাদাৰ-দালালৰ জৰিয়তে ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা নানা জনজাতি-জনগোষ্ঠীৰ শ্ৰমিক সকলক অনাইছিল। বিভিন্ন ঠাইৰ পৰা শ্ৰমিক সকলক আমদানিৰ সময়ত বাটতে হাজাৰ হাজাৰ শ্ৰমিকৰ নানা মহামাৰী বেমাৰত মৃত্যু হৈছিল। অসমৰ হাবি-জংঘল ভাঙিবলৈ যাওঁতে নানা হিংস্ৰ জীৱ-জন্তুৰ কবলত পৰি বহু শ্ৰমিকে প্ৰাণ দিছিল। সেই সময়ত অসমৰ ভৈয়াম অঞ্চলত মানুহৰ সংখ্যা তেনেই তাকৰ আছিল। জনজাতিয় লোক সকলে ইংৰাজৰ শোষণ অত্যাচাৰ সহ্য কৰিব নোৱাৰি পৰ্বতে পাহাৰে পলাই গৈ বাস কৰিছিল বুলি ইতিহাসত উল্লেখিত। যোৱা দুশ বছৰ ধৰি হাড় ভাঙি তেজক পানী কৰি পৰিশ্ৰম কৰি চাহ শিল্প গঢ়ি তোলা বৃহৎ সমাজখনক 'চাহ জনগোষ্ঠী'ৰে নামাকৰণ কৰি অসমৰ জাতীয় প্ৰেক্ষাপটত 'চিনাকী' কৰা হ'ল। অথচ তেওঁলোকৰ নানা জাতি উপজাতি সকলে ভাৰতৰ বিভিন্ন প্ৰান্তত ভাৰতীয় সংবিধানৰ মতে জাতীয় জনগোষ্ঠীৰ জনজাতি 'হিচাবে মৰ্য্যদা' লাভ কৰি আছে। কিন্তু অসমত তেওঁলোকক 'চাহ জনগোষ্ঠী' নাম দি, জনজাতি-জনগোষ্ঠীৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে। অথচ ভাৰতীয় সংবিধানত 'চাহ জনগোষ্ঠী' বা 'আদিবাসী' শব্দৰ কোনো স্থান নাই। আনহাতে ই এটা জাতিক বুজোৱা নাই। মাত্ৰ ৰাজনৈতিক লাভালাভৰৰ্থে অসমৰ এচাম চতুৰ তথা কৌশলী ৰাজনৈতিক দলে তেওঁলোকক অসমত চাহ জনগোষ্ঠী হিচাবে পৰিচিত কৰাই ভোট বেংক হিচাবে স্বাধীনতা লাভ কৰা সময়ৰ পৰা ব্যৱহাৰ কৰি আহিছে। ইয়াৰ মূল সাৰপানী যোগাই আহিছে এচাম চাহজনগোষ্ঠীৰ বৌদ্ধিক মহলে। ফলত ৰাজনীতিৰ বলী হৈ আহিছে বৃহৎ চাহ শ্ৰমিক সমাজ। তেওঁলোকৰ বাবে অসমত ভাৰতীয় সংবিধানৰ সাধাৰণ শিল্প উদ্যোগ শ্ৰমিকৰ পৰিশ্ৰমিক (বেতন) আইনৰ পৰা আঁতৰাই অসমৰ চাহ শ্ৰমিক আইন প্ৰণয়ন (১৯৫১ চনত) কৰি, চাহ বাগিছাৰ মালিক সকলক চাহ শ্ৰমিক সমাজখনক নিজা ববীয়াকৈ পৰিচালনাৰ কৰ্তৃত্ব প্ৰদান কৰিছে। ফলত আজিও অতি কম মজুৰিত কাম কৰাই থকা হৈছে। সংবিধানৰ সম ন্যায়, সম অধিকাৰ আদি শব্দ বিলাক শ্ৰমিক সমাজৰ প্ৰতি যেন সাঁথৰ হৈ আছে। আৰ্থ সামাজিক, ৰাজনৈতিক আৰু শিক্ষাৰ ক্ষেত্ৰত আজিও অন্যান্য সমাজৰ বা অন্য জনজাতি জনগোষ্ঠীতকৈ পিছপৰা। তেওঁলোকৰ নিৰক্ষতাৰ তথা অশিক্ষিতৰ আঁৰ লৈ ৰাজনৈতিক দল সমূহে নিৰ্বাচনৰ সময়ত নানা ধৰণৰ প্ৰলোভন টকা-পইচা, মদ চাৰাপ আদিৰ ব্যৱহাৰ কৰি নিৰ্বাচনত নামি আহিছে। চাহজনগোষ্ঠীয় সমাজৰ সংগঠন অসম চাঃ মজদুৰ সংঘ, ভাৰতীয় মজদুৰ সংঘ, অসম চাঃজনঃ জাতীয় মহাসভা, জাতীয় সন্মিলনী, চাঃ জঃ গোঃ সাহিত্য সভা, চাঃ জঃ যুৱ পৰিষদৰ বাহিৰেও ছাত্ৰ সংগঠন আটছা আৰু আচা আছে। কিন্তু আটাইবিলাক সংগঠনৰ মূল লক্ষ্য উদ্দেশ্য একে হলেও এখন মঞ্চত ঐক্যবদ্ধ হ'ব পৰা নাই মাত্ৰ ব্যক্তিগত স্বাৰ্থ আৰু পদবী মৰ্যাদা তথা ৰাজনৈতিক দলৰ লগত হাত মিলাই ৰাজনীতিৰ সহায় লৈ আহিছে। শ্ৰমিক সমাজে বুজিব পৰা নাই। কাৰণ তেওঁলোকৰ শিক্ষা-দীক্ষাৰ, ৰাজনৈতিক কাম কাজৰ প্ৰতি সচেতন নহয়। বৰ্তমান যি সকল লোক শিক্ষা দীক্ষা লৈ শিক্ষিত হৈছে তেওঁলোকৰ সিংহ ভাগেই চাহ বাগিচাৰ পৰা আঁতৰি আহিছে। ব্যক্তিকেন্দ্ৰীত পৰিয়ালমুখী হৈছে। চিন্তা চৰ্চাৰ অভাৱ। এই বিষয়ত ৰাজনৈতিক মহলে বুজি পাইছে আৰু কুট কৌশলৰে চাহ জনগোষ্ঠীৰ প্ৰতিনিধিত্ব কৰা প্ৰতিনিধি বৰ্গক নানা প্ৰলোভনৰেয়ে পৰিচালিত কৰিছে। ফলত অসম ৰাজ্যত চাহ জনগোষ্ঠী সমাজখনলৈ, তেওঁলোকৰ অস্তিত্বলৈ ভাবুকী আহিছে। বৃহৎ জনগোষ্ঠীৰ হলেও বৰ্তমান ভাগ ভাগ হৈছে বা ভাগ ভাগ কৰাৰ কৌশল চলিছে। তেওঁলোকৰ মাজত চাহ জনগোষ্ঠী আৰু আদিবাসীৰ ভেদা ভেদ শিক্ষিত অশিক্ষিতৰ ভেদাভেদ, ধনী দুখীয়াৰ ভেদাভেদ। এচামে আকৌ নিজৰ নিজৰ জাতীয় ভাষা সংস্কৃতি বাদ দিছে। আনহাতে বাগিচাৰ মালিক গোষ্ঠীৰ কিছুমানে বাগিচা বিক্ৰী কৰিবলৈ প্ৰয়াস কৰিছে নানা ধৰণৰ কৌশলগত শব্দৰে যে বাগানৰ উৎপাদন কমিছে, বাগানৰ শ্ৰমিকে নিয়মীয়াকৈ কাম নকৰে, ক্ষতি কৰে। হাজিৰাৰ দাবী তুলিছে ইত্যাদি। দ্বিতীয়তে এচাম ৰাজনৈতিক মন্ত্ৰী বিধায়ক সকলেও বাগানৰ মালিকক সাৰপানি যোগাইছে। তেওঁলোকে বাগান ক্ৰয় কৰি, অন্য শিল্প উদ্যোগ গঢ় দিবলৈ লৈছে।

সেয়ে উল্লেখিত সমস্যা বা প্ৰত্যাহবান বাহাল থাকিলে এদিন অসমৰ চাহ শিল্প শেষ হোৱাৰ লগতে চাহজন গোষ্ঠীয় সমাজখনো শেষ হৈ যাব পাৰে। নিজৰ পৰিচয় নেথাকিব। এতিয়াৰ গৃহহীন, মাটিহীন চাহ শ্ৰমিক সকল অঘৰীৰ দৰে জীৱন নিৰ্বাহি কৰাৰ দৰে পৰিস্থিতি সৃষ্টি হ'ব পাৰে। সময় থাকোতে বৃহৎ চাহজনগোষ্ঠী তথা আদি বাসী সকলে অসমৰ বৃহৎ স্বাৰ্থত এখন মঞ্চত ঐক্যবদ্ধ হোৱাৰ সময় সমাগত। ক্ষুদ্ৰস্বাৰ্থ ত্যাগ কৰি বৃহৎ সমাজ তথা অসমৰ চাহ শিল্পৰ স্বাৰ্থৰহকে একগোট হৈ নিজা ৰাজনৈতিক মঞ্চ গঠন কৰাৰ অতি আৱশ্যক। অন্যান্য সংগঠন তথা দলীয় ৰাজনীতিৰ উদাহৰণ লওঁক। ডেৰ-দুশ বছৰ নকৰা কাৰ্য্যসূচীৰ ব্যৱস্থা এতিয়া লওঁক। ভাল ফলাফল পাবলৈ হয়তু আৰু দহ/পোন্ধৰ বছৰ লাগিব পাৰে। কিন্তু বৃহৎ সমাজৰ জাতীয়তা বাদৰ স্থায়ী চিনাকি হৈ ৰব। কোনো কাম অসম্ভৱ নহয়। একান্ত আগ্ৰহ চেষ্টা যৌথভাৱে হ'লে নিশ্চিত ভাৱে এদিন নহয় এদিন ভাল ফল ধৰিব। অসমৰ অস্তীত্ব, অসমৰ আৰ্থিক দিশত টনকিয়াল হ'ব এনে নহয়, বৰঞ্চ অসমৰ ভাষা লিপি সাহিত্য সংস্কৃতিলৈ আগ বঢ়োৱা বৰঙনিয়ে অসমৰ জাতীয় চেতনাৰে সঞ্জিৱীত সচেতন মহলেও এই বিষয়ত চিন্তা চৰ্চা কৰি বৃহৎ সমাজ খনক এক সঠিক পথত আগবাঢ়ি যোৱাত সহায় সহযোগ কৰক। ইয়াৰ ফলত আমাৰ মানবিয়তাবোধ, ভাতৃত্ববোধ আৰু অসমৰ জাতীয় বোধৰ বিকাশ আৰু সমাবেশ ঘটিব। অসম এখন শক্তিশালী আৰু বিকশিত ৰাজ্য হৈ পৰিব।

*লেখকৰ ঠিকনা ঃ*
*খুমটাই বাগিচা*
*ফোন নং ঃ ৯৪০১২০৩৮৬৬*

# জুবিন গাৰ্গঃ আমাৰ বাবে কি আছিল ?

**অজিত বৰুৱা**

জুবিন, এজন চঞ্চল যুৱক। যিয়ে চাধা খায়, মদ খায়। ভাষাৰ নাই কোনো লাগ-বান্ধ। কথাই-কথাই মুখেৰে ওলাই অবাইচ মাত। বেশভূষাৰো নাই কোনো হিচাপ, চৌখিনতা। ৰাতি পিন্ধে চানগ্লাছ, কেতিয়াবা পিন্ধে দুখন ভৰিত দুপাত বেলেগ-বেলেগ জোতা। তদুপৰি বাৰ্মুদা পিন্ধি ভূপেন হাজৰিকাৰ দৰে নমস্য শিল্পীক শেষ শ্ৰদ্ধাঞ্জলি জনাবলৈ যায় যি। নাই কোনো সময়ানুবৰ্তিতা, দিনৰ বাৰ বজাত সময় দি ৰাতি বাৰটাতো ওলাব পাৰেহি। নিয়ম-কানুনক একো নামানে। সাধাৰণতে, কোনো পিতৃ-মাতৃয়ে নিজৰ সন্তান, কোনো ভগ্নীয়ে নিজৰ ভাতৃ এনে হোৱাতো কামনা নকৰিব। কোনো যুৱতীয়ে নিজৰ পিতৃ-মাতৃৰ সন্মুখত এনে যুৱকক প্ৰেমিক হিচাপে চিনাকি কৰাই দিবলৈ টান পাব। এয়া এক পৰিক্ৰমা।

গায়কসকল অলপ খেয়ালী মনৰ, শিল্পীসকল খেয়ালী হয়। পশ্চিমীয়া ঢঙৰ হলৌ পোচাক আৰু কাওবয় টাইপৰ টুপী পিন্ধি বিহুৰ মঞ্চত উঠে। বিহুৰ মঞ্চত হিন্দী গীত গাই। মদ খাই মঞ্চত ঢলি পৰে, কেতিয়াবা মঞ্চৰ খুটা বগাই, মঞ্চতে কামিজ খুলি পেলাই। চাবলৈ গ'লে কোনো আদৰ্শগত স্থিৰতা নাই। বামপন্থী আদৰ্শৰ কথা কয়, কিন্তু সোঁপন্থী ৰাজনৈতিক দলৰ হৈ নিৰ্বাচনী প্ৰচাৰৰ গীত গায়। এদিন নাগৰিকত্ব সংশোধনী বিধেয়কৰ বাবে চৰকাৰৰ বিৰোধিতা কৰে, পাছদিনা চৰকাৰী পৃষ্ঠপোষকতাত অনুষ্ঠিত ফিল্মফেয়াৰ এৱাৰ্ড অনুষ্ঠানত অংশগ্ৰহণ কৰে।

তেওঁ কেমেৰাৰ সন্মুখত বহুৱালি কৰে। কাজিয়া কৰে সাংবাদিকৰ লগত। তাৰ পিছতো সেই গায়কজনৰ মৃত্যুৰ বাতৰিত সমগ্ৰ ৰাজ্য স্তব্ধ হৈ পৰে। তেওঁৰ মৃত্যুৰ বাতৰি মিছা হওক বুলি সকলোৰে প্ৰাৰ্থনা কৰে।

তেওঁৰ মৃত্যুত সকলো মানুহ ৰাজপথলৈ ওলাই আহে। তেওঁৰ গানেৰে মুখৰিত হৈ পৰে ৰাজ্যৰ আকাশ-বতাহ। প্ৰতিখন গাঁও, প্ৰতিখন নগৰ, প্ৰতিটো পথ, প্ৰতিটো গলিত তেওঁৰ ফটো উজ্জ্বলি উঠে। প্ৰতিটো পদূলিত তেওঁৰ নামত চাকি জ্বলে। দোকান-পোহাৰ, ৰাজহুৱা যাতায়াত স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ পৰে। ক্ৰিকেট বলিয়া দেশখনৰ এখন ৰাজ্যই পাহৰি যায় সেইদিনা এখন ক্ৰিকেট মেচ আছিল বুলি।

ৰাইজৰ হাজাৰ বিদ্ৰোহকো ভ্ৰূক্ষেপ নকৰা প্ৰবল প্ৰতাপী ৰাজ্যৰ মুখ্যমন্ত্ৰীজনে ক'বলৈ বাধ্য হয়, যুৱকজনৰ শেষ যাত্ৰা ৰাইজৰ ইচ্ছা মতেই কৰা হ'ব। ৰাজ্যৰ প্ৰতিখন সংবাদপত্ৰৰ প্ৰতিটো পৃষ্ঠা দুদিন ধৰি কেৱল তেওঁৰ বাতৰিৰে ভৰি পৰিল তথা প্ৰতিটো চেটেলাইট চেনেল, পৰ্টেলত দুদিন ধৰি কেৱল তেওঁ আৰু তেওঁৰেই বাতৰি সম্প্ৰচাৰিত হয়, কেৱল বাজে তেওঁৰেই গান।

তেওঁৰ নশ্বৰ দেহ আদৰিবলৈ তিনি কোটি মানুহে দুটাকৈ বিনিদ্ৰ ৰজনী পাৰ কৰে। বিমান বন্দৰৰ বাহিৰত, ৰে'লৱে' ষ্টেচনত, অভাৰব্ৰিজৰ তলত, ফুটপাথত, চলন্ত বাছ আৰু ট্ৰেইনত, ঘৰৰ চোতালত, বাৰাণ্ডাত, বেলকনিত, শেতেলীত যেন কেৱল তেওঁৰেই চৰ্চা। তেওঁৰ মৃতদেহ দেখি কৰ্তব্যৰত আৰক্ষী ভাগি পৰে কান্দোনত, টিভি ৰিপৰ্টাৰৰ চকুৰে বয় চকুপানীৰ নিজৰা, ষ্টুডিঅ'ত এংকৰৰ থোকাথোকি হয় মাত।

কিয়?

জুবিন গাৰ্গ আমাৰ বাবে তেনে হ'লে কি আছিল? জুবিন গাৰ্গ অসমৰ বাবে তেনে হ'লে কি আছিল? বিংশ শতিকাৰ নৱৈৰ দশকৰ আৰম্ভণিৰ সময়ছোৱা অসমৰ বাবে আছিল এক কঠিন সময়। ইতিমধ্যে ছবছৰীয়া অসম আন্দোলনে ৰাজহাড় ভাঙি দিয়া অসমৰ অৰ্থনীতি তেতিয়াও ঠন ধৰি উঠিব পৰা নাছিল। আন্দোলনৰ ফলশ্ৰুতিত জন্ম লাভ কৰা জাতীয়তাবাদী দলৰ চৰকাৰখনৰ প্ৰতি জনতাৰ ইতিমধ্যে মোহভংগ হবলৈ ধৰিছে। তেতিয়া তুংগত উঠিছিল আলফাৰ সসস্ত্ৰ সংগ্ৰাম, যেন অপাৰেশ্যন বজৰংগে অসমক কৰি পেলাইছিল জুৰুলা।



গভীৰ সংকটত সোমাই পৰিছিল অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনো উক্ত সময়খিনিতে। ইতিমধ্যে প্ৰায়সকল বিশিষ্ট গায়ক, শিল্পী, লেখকেই নিজৰ সৃষ্টিৰ সোণালী সময় অতিক্ৰম কৰিছে। নতুন সৃষ্টি নাই বুলিবই পাৰি। অসমৰ আকাশ বতাহ কেৱল হিন্দী চলচ্চিত্ৰৰ গানেৰে মূৰ্চিত, অসমীয়া বোলছবিয়েও ছবিগৃহত হেৰুৱাইছে স্থান। অসম নিয়ন্ত্ৰিত হৈছে বহিৰাজ্যৰ লবীৰ দ্বাৰা। যেন অসমতে অসমীয়াৰ নাই কোনো দাম। স্বপ্নভংগৰ বেদনা, ৰাষ্ট্ৰযন্ত্ৰৰ অত্যাচাৰ, সৃষ্টিশীল সংকটত পিষ্ট অসমীয়াৰ জাতীয় অহমিকা। তেনে সময়তে উন্নৈশ বছৰীয়া যুৱক জুবিন গাৰ্গৰ অসমীয়া জাতীয় জীৱনলৈ ঘটিছিল আগমন। তেওঁৰ আগমন ঘটে গানৰ মাধ্যমেৰে।

কেৱল অসমীয়া মানুহৰ বাবে লিখি, সুৰেৰে সজাই গ'ল এটাৰ পাছত এটাকৈ নতুন নতুন গান। কেতিয়াবা যদি প্ৰেমৰ গান আকৌ কেতিয়াবা বিৰহৰ গান। কেতিয়াবা যদি সুখৰ গান আকৌ কেতিয়াবা বিষাদৰ, কেতিয়াবা নৈঃশব্দ্যক গানৰ বিষয় কৰি ললে, কেতিয়াবা লয় কোলাহলক। লিখি গ'ল জীৱন আৰু মৃত্যুৰ গান, শৈশৱ আৰু যৌৱনৰ গান। আকৌ লিখিলে গৌৰৱৰ নহ'লে গ্লানিৰ গান, আকৌ যদি এফালে স্বপ্নভংগৰ গান লিখিছে আনফালে লিখিছে প্ৰতিশ্ৰুতিৰ গান। একেদৰে কষ্টৰ আৰু সংগ্ৰামৰ গান, বিপ্লৱ আৰু স্বাধীনতাৰ গান লিখি ভৰাই তুলিলে অসমীয়া সাংগীতিক পৃষ্ঠাবোৰ। তেখেতৰ গীতবোৰত স্থান পালে সম্পূৰ্ণ থলুৱা শব্দ আৰু থলুৱা সুৰে।

আমি অসমবাসীয়ে পুনৰ অসমীয়া গান শুনিবলৈ শিকিব ধৰিলোঁ। লাহে লাহে আমি আমাৰ সকলো অনুভৱ তেওঁৰ গানতেই বিছাৰি পাবলৈ ধৰিলোঁ। তেখেতৰ গানত আমি বিচাৰি পালোঁ অসমীয়া জাতিৰ আবেগ। তেখেতৰ বাবেই আমি বৰগীতৰ কেছেট কিনিবলৈ আৰম্ভ কৰিলোঁ। দোকানবোৰ ভৰি পৰিল অসমীয়া লোকগীত, টোকাৰি গীত, বনগীতৰ কেছেটেৰে। দোকান-পোহাৰ, উৎসৱ-অনুষ্ঠান আদিবোৰত জ্যোতি সংগীত, বিষ্ণু ৰাভা গীত, পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত, ভূপেন্দ্ৰ সংগীত আকৌ বাজিবলৈ ধৰিলে।

তেওঁ যেন আমাক অসমীয়াৰ পৰিচয় ঘূৰাই আনি দিলে তেনে অনুভৱ হয়। অতি কম সময়ৰ ভিতৰতে তেওঁ হৈ পৰিল অসমীয়া সংগীত জগতৰ প্ৰাণকেন্দ্ৰৰ দৰে। তেওঁৰ অবিহনে যেন অসমীয়া সংগীত ব্যৱস্থাটো চলাই যাব নোৱাৰা এটা অৱস্থা আহি পৰিল। তেওঁৰ নাম আৰু ফটো অবিহনে যেন বজাৰত নচলা হ'ল শ্ৰাব্য কেছেট। বহিঃৰাজ্যৰ আৱহ শক্তিৰ নিয়ন্ত্ৰণত থকা অসমীয়া সংগীত ব্যৱস্থাটোত তেওঁ অসমীয়া শিল্পীৰ কৰি তুলিলে পথ প্ৰশস্ত।

ইয়াৰ পাছত তেওঁ আৰু গায়ক হৈ নাথাকিল। তেওঁৰ অসমীয়াৰ স্বাভিমান হৈ পৰিল। তেওঁক লৈ আমি সপোন দেখিবলৈ আৰম্ভ কৰিলো। যি সপোন আমি সুধাকণ্ঠ ভূপেন হাজৰিকাক লৈ দেখিছিলো, কিন্তু আধৰুৱা হৈ ৰ'ল। জুবিন গাৰ্গে পূৰণ কৰিলে আমাৰ সপোন। ফিল্মফেয়াৰত শ্ৰেষ্ঠ পাৰ্শ্ব-গায়কৰ বঁটাৰ বাবে মনোনয়ন পালে। আইফাত শ্ৰেষ্ঠ পাৰ্শ্ব-গায়কৰ বটাও লাভ কৰিলে।

এয়াই আমাৰ বাবে অসমীয়া স্বাভিমান। জুবিন গাৰ্গৰ বাবে সৰ্বভাৰতীয় সংগীতৰ দুৱাৰ খোল খাই গৈছিল। তেওঁ ইচ্ছা কৰা হেঁতেন থাকি যাব পাৰিলেহেঁতেন মুম্বাইতে আৰু সেই সুবিধা লৈ গাই যাব পাৰিলেহেঁতেন অজস্ৰ গান। হয়তো আৰু বহু বঁটা বাহন পালেহেঁতেন। হয়তো আৰু অধিক মানুহে চিনি পালেহেঁতেন তেওঁক। ঘটিব পাৰিলেহেতেন হয়টো আৰু বহুত বেছি টকাও। কিন্তু তেওঁ ঘূৰি আহিল অসমলৈ। আৰম্ভ কৰিলে অসমীয়া মানুহৰ মাজত থাকিবলৈ। অসমতে থাকি অসমীয়া মানুহৰ মাজত কাম কৰিবলৈ ধৰিল। আমাৰ জাত্যভিমান পুনৰ জগাই তুলিবলৈ থাকি গ'ল আমাৰ মাজত। নিজৰ জীৱনৰ সমস্ত জমা ধন ব্যৱহাৰ কৰিলে অসমীয়া চলচ্চিত্ৰৰ পুনৰুদ্ধাৰ কৰিবলৈ। আৰম্ভ কৰিলে মিছন চাইনাৰ কাম। কিন্তু এই বোলছবিখন আমাৰ বাবে যেন হৈ পৰিল মিছন অসমীয়া। তেখেতৰ আহ্বানক আমি বিপুল ভাৱে সঁহাৰি দিলো। দৌৰি-দৌৰি গৈ চালো মিছন চাইনা। ছবিঘৰত ধুমুহা বলাৰ দৰে হ'ল। যি হিন্দী চলচ্চিত্ৰই অসমীয়া চলচ্চিত্ৰক অসমতে একাষৰীয়া কৰিছিল, সেই হিন্দী চলচ্চিত্ৰসমূহ মিছন চাইনাৰ ধুমুহাত উৰি গ'ল। মিছন চাইনাক অসমীয়া চিনেমাৰ ব্যৱসায়ৰ ক্ষেত্ৰত এক মাইলৰ খুঁটি বুলি ক'ব পাৰি। জুবিন গাৰ্গে দেখুৱাই দিলে যে দুই কোটি টকা খৰচ কৰি অসমীয়া চলচ্চিত্ৰও বনাব পাৰি। হিন্দী চিনেমাৰ লগত ফেৰ মাৰি কিদৰে ছয় কোটি টকা উপাৰ্জন কৰিব পাৰি তাকো দেখুৱাই দিলে। আৰু দেখুৱাই দিলে হিন্দী চিনেমাক কিদৰে ওফৰাই পেলাব পাৰি। সেয়াই হৈছে জুবিন গাৰ্গৰ অহংকাৰ।

জুবিন অসমীয়াৰ অহংকাৰ। হয় জুবিন গাৰ্গ অসমীয়াৰ অহংকাৰেই আছিল। এক কথাত জুবিন গাৰ্গ অসমীয়াৰ আবেগ আছিল, অসমীয়াৰ পৰিচয় আছিল, অসমীয়াৰ স্বাভিমান আছিল, অসমীয়াৰ অহমিকা আছিল, অসমীয়াৰ অহংকাৰ আছিল। দৰাচলতে জুবিন গাৰ্গ সকলো অসমীয়া মানুহৰে ঘৰৰ ল'ৰাৰ দৰে আছিল। যাৰ উৎপাতৰ বাবে আমি তেওঁক সমালোচনা কৰিছিলো, যাৰ বহুৱালিত অতিষ্ঠ হৈ আমি তেওঁক গালি পাৰিছিলো। কিন্তু আজি যেতিয়া তেওঁক সমালোচনা কৰিবলৈ, গালি পাৰিবলৈ মানুহজনেই নোহোৱা হৈ থাকিল।

## ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ কৰণীয়

শিক্ষা হৈছে এগৰাকী শিশুৰ জীৱন গঢ়াৰ মূল ভেটি। ঘৰখন হৈছে এটি শিশুৰ শিক্ষাৰ প্ৰথম কঠিয়াতলি। ঘৰখনৰ পাছতেই এক উল্লেখযোগ্য স্থান দখল কৰে পঢ়াশালি বা বিদ্যালয়ে। এগৰাকী শিশুৰ বাবে নিজৰ মাতৃ গৰাকীয়েই হ'ল প্ৰথম শিক্ষাগুৰু। জন্মৰ পাছৰ পৰাই নিজৰ ঘৰখনত থাকিয়েই এটি শিশোৱে ক'বলৈ শিকে, শব্দৰ উচ্চাৰণ কৰে আৰু অনুসৰণত সকলো আয়ত্ত কৰে। ঘৰখনৰ পাছতেই বিদ্যালয়ত শিক্ষকে গুৰুৰ ভূমিকা পালন কৰি শিক্ষা প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীৰ উত্তৰণৰ ক্ষেত্ৰত এগৰাকী শিক্ষকৰ লগতে অভিভাৱকসকলৰো অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে। নিজৰ ঘৰখনত পিতৃ-মাতৃ বা অভিভাৱক সকলে সৃষ্টি কৰা পৰিৱেশে এটি শিশু বা ছাত্ৰ-ছাত্ৰীৰ সুস্থ মানসিকতা, ব্যক্তিত্ব গঠন আৰু উপযুক্ত পৰিৱেশ সৃষ্টি কৰাত সহায় কৰে।

ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ কৰণীয় হৈছে দায়িত্ব পালন কৰা আৰু সু-সমন্বয় ৰক্ষা কৰা। ছাত্ৰ-ছাত্ৰী সকলৰ পঢ়া-শুনাৰ লগতে শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ প্ৰতিও গুৰুত্ব প্ৰদান কৰিব লাগিব। মানৱ জীৱন গঢ়াৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলৰ কৰণীয় হ'লঃ- পঢ়া-শুনাত মনোযোগ দিয়া, সঠিক আচৰণ কৰা, শিক্ষাগুৰক সন্মান কৰা আৰু গুৰুৰ কথা মানি চলা, সৎ চৰিত্ৰবান হোৱা, বিদ্যালয়ৰ অনুশাসন মানি চলা, নিজৰ প্ৰতিভা সমূহৰ বিকাশ ঘটোৱা। ছাত্ৰ-ছাত্ৰী সকলৰ লগতে অভিভাৱক সকলৰ কৰণীয় হ'লঃ- অভিভাৱকসকলে উপযুক্ত পৰিৱেশৰ সৃষ্টি কৰা, নিজে আদৰ্শ হিচাপে থিয় দিয়া, শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ বৃদ্ধি কৰা, ব্যক্তিত্ব আৰু মানসিকতা গঢ় দিয়া, শিক্ষক আৰু বিদ্যালয়ৰ সৈতে সু-সম্পৰ্ক ৰক্ষা কৰা, সঠিক মাগদৰ্শন কৰা, অসামাজিক কৰ্মৰ পৰা দূৰত ৰখা আদি। অভিভাৱকসকল এগৰাকী ছাত্ৰ-ছাত্ৰীৰ প্ৰধান আদৰ্শ। সু-নাগৰিক আৰু এগৰাকী ভাল মানুহ হিচাপে ছাত্ৰ-ছাত্ৰী সকলক গঢ় দিয়াৰ ক্ষেত্ৰত অভিভাৱকসকল অত্যন্ত দায়বদ্ধ।

*বিশ্বজিৎ সূত*

## ছৌদি আৰৱত ভয়ংকৰ বাছ দুৰ্ঘটনাত ৪২জন ভাৰতীয় হজ

মুহূৰ্ততে জুই লাগে আৰু প্ৰচণ্ড বিস্ফোৰণৰ সৃষ্টি হয়। দুৰ্ঘটনাৰ সময়ত বাছত থকা অধিকাংশ যাত্ৰী শুই আছিল বাবে পলায়নৰ কোনো সুযোগ নাপাই অগ্নিদগ্ধ হৈ প্ৰাণ হেৰুৱায়। বাছখনত মুঠ ৪৫ৰো অধিক যাত্ৰী আছিল, যাৰ ভিতৰত মহিলা আৰু শিশুও আছিল। প্ৰাৰম্ভিক খবৰ অনুসৰি মৃতসকলৰ অধিকাংশই তেলেংগানাৰ হায়দৰাবাদৰ বাসিন্দা। দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে স্থানীয় লোক, অগ্নিনিৰ্বাপক বাহিনী আৰু চিকিৎসক দল গোটেই নিশা উদ্ধাৰ কাৰ্যত ব্যস্ত হৈ পৰে। গুৰুতৰভাৱে আহত কেইবাগৰাকীকো ওচৰৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। তথাপি ছৌদি প্ৰশাসনে এতিয়ালৈকে মৃত আৰু আহতৰ চূড়ান্ত সংখ্যা আৰু নাম-পৰিচয় আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা নাই। হায়দৰাবাদৰ সাংসদ তথা AIMIMৰ সভাপতি আছাদুদ্দিন ওৱেছিয়ে দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে স্থানীয় ট্ৰেভেল এজেন্সীৰ সৈতে যোগাযোগ কৰি প্ৰাৰম্ভিক তথ্য সংগ্ৰহ কৰে আৰু ভাৰতীয় দূতাবাসলৈ প্ৰেৰণ কৰে। তেওঁ কয়, "এই দুৰ্ঘটনা অতি মৰ্মান্তিক। মই ৰিয়াদৰ ভাৰতীয় দূতাবাসৰ উপ-মিছন মুৰব্বী আবু মাথেন জৰ্জৰ সৈতে কথা পাতিছো। তেওঁলোকে তথ্য সংগ্ৰহৰ কাম তীব্ৰগতিত চলাই আছে।" ওৱেছিয়ে কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰক মৃতদেহসমূহ শীঘ্ৰে ভাৰতলৈ ঘূৰাই অনাৰ লগতে আহতসকলক উন্নত চিকিৎসা প্ৰদানৰ বাবে ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাইছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে এ'ত পোষ্ট কৰি লিখিছে— "ছৌদি আৰৱত সংঘটিত এই দুৰ্ঘটনা অতি দুখলগা। ৰিয়াদৰ ভাৰতীয় দূতাবাস আৰু জেদ্দাৰ কনছুলেটে ক্ষতিগ্ৰস্ত ভাৰতীয়সকলৰ লগতে তেওঁলোকৰ পৰিয়ালৰ কাষত আছে। মৃতকৰ আত্মাৰ শান্তি কামনা কৰিছো আৰু আহতসকলৰ আশু সুস্থতাৰ বাবে প্ৰাৰ্থনা কৰিছো।" জেদ্দাত থকা ভাৰতীয় কনছুলেট জেনেৰেলে ২৪ ঘণ্টীয়া হেল্পলাইন আৰম্ভ কৰিছে। হেল্পলাইন নম্বৰ: ৭৯৬৬ ৮০০২৪৪০০৩। ভাৰতীয় দূতাবাস, তেলেংগানা চৰকাৰ আৰু কেন্দ্ৰীয় বৈদেশিক মন্ত্ৰালয়ে ঘটনাৰ ওপৰত নিবিড় নজৰ ৰাখিছে। মৃতদেহ চিনাক্তকৰণ, আহতৰ চিকিৎসা আৰু মৃতদেহ ভাৰতলৈ ঘূৰাই অনাৰ প্ৰক্ৰিয়া অতি সোনকালে আৰম্ভ হ'ব বুলি জানিব পৰা গৈছে। এই মৰ্মান্তিক দুৰ্ঘটনাই সমগ্ৰ দেশতে শোকৰ ছাঁ পেলাইছে। মৃতকৰ পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰিছে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীকে ধৰি বিভিন্ন ৰাজনৈতিক নেতাই।

## বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাক

গোলাম ৰাব্বাণীৰ নেতৃত্বত গঠিত ট্ৰিবিউনেলে ৪৫৩ পৃষ্ঠাৰ বিশদ ৰায়দান কৰে। ৰায়খন ছটা ভাগত বিভক্ত কৰি প্ৰকাশ কৰা হৈছে। ট্ৰিবিউনেলৰ মতে, এই গোচৰটো অতি স্পৰ্শকাতৰ আৰু গভীৰ আছিল, যাৰ বাবে ইমান বিশদভাৱে লিখা হৈছে। শ্বেখ হাছিনাৰ বিৰুদ্ধে মূল অভিযোগ আছিল— চলিত বছৰৰ ৫ আগষ্টত ছাত্ৰ-জনতাৰ শান্তিপূৰ্ণ আন্দোলনৰ সময়ত নিৰস্ত্ৰ প্ৰতিবাদীসকলৰ ওপৰত পুলিচ আৰু আওয়ামী লীগৰ সশস্ত্ৰ কেডাৰে মাৰণাস্ত্ৰৰে আক্ৰমণ চলোৱাৰ স্পষ্ট নিৰ্দেশ তেওঁৰ পৰাই আহিছিল। এই আক্ৰমণত কমেও ৬জন প্ৰতিবাদী নিহত হোৱাৰ প্ৰমাণ আদালতত উত্থাপিত হৈছে আৰু সেই হত্যাকাণ্ডৰ দায়িত্ব প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ ওপৰতে বৰ্তাইছে বুলি ট্ৰিবিউনেলে মত প্ৰকাশ কৰিছে। শ্বেখ হাছিনাৰ বিৰুদ্ধে মানৱতাৰ বিৰুদ্ধে অপৰাধ, গণহত্যা আৰু হত্যাকে ধৰি মুঠ ৫খন গোচৰত বিচাৰ চলি আছিল। এইবাৰ প্ৰথমটো গোচৰতেই তেওঁক মৃত্যুদণ্ডৰ শাস্তি প্ৰদান কৰা হ'ল। বাকী গোচৰসমূহৰ বিচাৰো অতি সোনকালে আৰম্ভ হ'ব বুলি জানিব পৰা গৈছে। বৰ্তমান শ্বেখ হাছিনা ভাৰতত আশ্ৰয় লৈ আছে আৰু ৫ আগষ্টৰ পিছতে তেওঁক বাংলাদেশৰ অন্তৰ্ৱৰ্তী চৰকাৰে 'ফেৰাৰ' ঘোষণা কৰিছে। মৃত্যুদণ্ডৰ ৰায়ৰ পিছত তেওঁক দেশলৈ ওভতাই অনাৰ বাবে আইনী আৰু কূটনৈতিক প্ৰক্ৰিয়া তীব্ৰতৰ কৰা হ'ব বুলি অন্তৰ্ৱৰ্তী চৰকাৰৰ উপদেষ্টাসকলে সংবাদ মাধ্যমক জনাইছে। এই ঐতিহাসিক ৰায়ে বাংলাদেশৰ ৰাজনৈতিক পৰিৱেশত এক নতুন মোৰ ঘূৰাইছে। ছাত্ৰ-জনতাৰ আন্দোলনৰ বলি হোৱা শ্বহীদসকলৰ পৰিয়ালে দীৰ্ঘদিনৰ পিছত ন্যায় লাভ কৰা বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে, আনহাতে আওয়ামী লীগৰ নেতা-কৰ্মীসকলৰ মাজত আতংকৰ বতৰণ বিয়পি পৰিছে। আন্তৰ্জাতিক সম্প্ৰদায়ে এই বিচাৰ প্ৰক্ৰিয়াৰ ওপৰত চকু ৰাখি আছে যদিও এতিয়ালৈকে কোনো দেশে আনুষ্ঠানিকভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই।

## তিনিবাৰ পাকিস্তান ভ্ৰমণৰ তথ্য পোহৰলৈ

আগবাঢ়াৰ লগে লগে একেবাৰে চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে। এই ঘটনাৰ মূল পৰিকল্পনাকাৰী হিচাপে চিহ্নিত "মেডাম চাৰ্জন" খ্যাত ডাঃ শ্বাহীনৰ পৰা তদন্তকাৰী সংস্থাই উদ্ধাৰ কৰিছে তিনিখন ভিন্ন পাছপ'ৰ্ট। আচৰিত কথা যে এই তিনিওখন পাছপ'ৰ্টত ঠিকনা, অভিভাৱকৰ নাম আৰু সম্পৰ্ক সকলো বেলেগ বেলেগ। প্ৰথমখন পাছপ'ৰ্টত ঠিকনা কানপুৰৰ জি এছ ভি এম মেডিকেল কলেজৰ, য'ত তেওঁ আগতে চাকৰি কৰিছিল। দ্বিতীয়খনত লক্ষ্ণৌৰ ঠিকনা আৰু অভিভাৱক হিচাপে স্বামীৰ নাম উল্লেখ আছে। তৃতীয়খন আটাইতকৈ শেহতীয়া পাছপ'ৰ্টত ফৰিদাবাদৰ ঠিকনা দিয়া হৈছে আৰু অভিভাৱক হিচাপে তেওঁৰ ভাতৃ পাৰভেজৰ নাম লিখা আছে, যি লক্ষ্ণৌৰ ইণ্টিগ্ৰেল ইউনিভাৰ্চিটিত কৰ্মৰত। পাছপ'ৰ্টৰ ভ্ৰমণ ইতিহাস পৰীক্ষা কৰাত প্ৰকাশ পাইছে যে ডাঃ শ্বাহীনে কমেও তিনিবাৰকৈ পাকিস্তান ভ্ৰমণ কৰিছে। ইয়াৰ উপৰি থাইলেণ্ডকে ধৰি আন কেইবাখনো দেশলৈও তেওঁ যাত্ৰা কৰিছিল। ২০১৩ চনত কানপুৰৰ চাকৰি এৰি তেওঁ পোনপ্ৰথমে থাইলেণ্ডলৈ গৈছিল বুলি তদন্তত পোহৰলৈ আহিছে। তদন্তকাৰী বিষয়াসকলে জনোৱা মতে, এই "হোৱাইট কলাৰ সন্ত্ৰাসবাদী মডিউল"ৰ মূল মহিলা ডাঃ শ্বাহীন আছিল "ডি-৬ মিছন"ৰ প্ৰধান পৰিকল্পনাকাৰী। ১৯৯২ চনত বাবৰি মছজিদ ধ্বংসৰ প্ৰতিশোধ ল'বলৈ ৬ ডিচেম্বৰত দিল্লীত একাধিক বিস্ফোৰণৰ পৰিকল্পনা কৰিছিল এই গোটে। তেওঁলোকৰ মূল লক্ষ্য আছিল ধৰ্মীয় স্থান আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ কাৰ্যালয়সমূহ। এতিয়ালৈকে তদন্তত প্ৰকাশ পোৱা মতে, হাৱালাৰ জৰিয়তে শ্বাহীন, উমৰ আৰু মুজাম্মিলৰ হাতত মাত্ৰ ২০ লাখ টকাহে আহিছিল। কিন্তু চিকিৎসক হিচাপে উপাৰ্জন কৰা বিপুল ধন তেওঁলোকে এই সন্ত্ৰাসবাদী কাৰ্যকলাপত বিনিয়োগ কৰিছিল। তথাপি বাহিৰৰ পৰা তেওঁলোকৰ জীৱনশৈলী অতি সাধাৰণ আছিল। তদন্তকাৰী সংস্থাই শ্বাহীনৰ বেংক একাউণ্ট, ভ্ৰমণ ইতিহাস, ডিজিটেল ফুটপ্ৰিণ্ট, কল ৰেকৰ্ড আৰু তেওঁৰ ডায়েৰীৰ পৰা বহু গুৰুত্বপূৰ্ণ প্ৰমাণ লাভ কৰিছে। আনহাতে, এই মডিউলৰ সৈতে জড়িত থকাৰ অভিযোগত ফৰিদাবাদৰ আল ফালাহ বিশ্ববিদ্যালয় এতিয়া তদন্তৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। বিশ্ববিদ্যালয়খনৰ বিস্তাৰৰ নামত গ্ৰাম্য ভূমি বেদখল কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। শেহতীয়াকৈ প্ৰশাসনে বিশ্ববিদ্যালয়ৰ জৰীপ আৰম্ভ কৰিছে আৰু ফৰিদাবাদ অপৰাধ শাখাই ভূমিৰ সকলো নথি-পত্ৰ পৰীক্ষা কৰি আছে। সূত্ৰই জনোৱা মতে, অতি সোনকালেই এই বিশ্ববিদ্যালয়ত বুলড'জাৰ চলোৱাৰ সম্ভাৱনা আছে। লালকিল্লা বিস্ফোৰণৰ তদন্ত যিমানেই আগবাঢ়িছে, সিমানেই এই সন্ত্ৰাসবাদী মডিউলৰ গভীৰতা আৰু বিস্তৃতি প্ৰকাশ পাই আহিছে। দেশৰ সুৰক্ষা সংস্থাসমূহে এতিয়া এই গোটৰ আন সদস্য আৰু সমৰ্থকসকলক চিনাক্ত কৰাত গুৰুত্ব দিছে।

## ইতিহাস সৃষ্টিৰে মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব নীতিশ

এনডিএৰ শীৰ্ষ নেতাসকলে একমত হৈ নীতিশ কুমাৰকেই পুনৰ মুখ্যমন্ত্ৰীৰ দায়িত্ব দিয়াৰ সিদ্ধান্ত লয়। উল্লেখ্য যে নিৰ্বাচনী প্ৰচাৰৰ সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অমিত শ্বাহে বাৰে বাৰে ঘোষণা কৰিছিল যে বিহাৰত এনডিএ নীতিশ কুমাৰৰ নেতৃত্বতেই নিৰ্বাচনত অৱতীৰ্ণ হ'ব। কিন্তু মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে কাৰ নাম ঘোষণা কৰা হ'ব, সেই বিষয়ে স্পষ্ট কোনো কথা কোৱা হোৱা নাছিল। ভোটৰ ফলাফলত জেডি(ইউ)ই বিজেপিৰ পিছতে দ্বিতীয় বৃহত্তম দল হিচাপে পৰিগণিত হোৱাত নীতিশ কুমাৰক আওকাণ কৰাৰ কোনো সুযোগ এনডিএৰ হাতত নাছিল। একেখন বৈঠকতে মন্ত্ৰীসভাৰ আকাৰ আৰু মন্ত্ৰিত্ব বিতৰণৰ সূত্ৰও চূড়ান্ত কৰা হৈছে। সিদ্ধান্ত মতে, প্ৰতি ছয়গৰাকী বিধায়কৰ বিপৰীতে এজন কেবিনেট মন্ত্ৰীৰ হাৰত মন্ত্ৰিত্ব প্ৰদান কৰা হ'ব। তাৰ ভিত্তিত বিজেপিয়ে ১৫খন, জেডি(ইউ)ই ১৩ৰ পৰা ১৪খন, চিৰাগ পাছোৱানৰ নেতৃত্বাধীন এলজেপি (ৰামবিলাসে) তিনিখন আৰু জিতন ৰাম মাঞ্জীৰ হাম আৰু উপেন্দ্ৰ কুশৱাহাৰ আৰএলএমে এটাকৈ মন্ত্ৰিত্ব লাভ কৰাৰ সম্ভাৱনা প্ৰবল। সকলো কাৰ্যসূচী সুচাৰুৰূপে আগবাঢ়িলে আগন্তুক ১৯ বা ২০ নৱেম্বৰতেই নীতিশ কুমাৰৰ নেতৃত্বত নতুন এনডিএ মন্ত্ৰীসভাই শপত গ্ৰহণ কৰিব বুলি বিশ্বাসযোগ্য সূত্ৰই জনাইছে।

## মৃত্যুদণ্ডৰ ৰায় পক্ষপাতদুষ্ট আৰু অবৈধ বুলি প্ৰত্যাখ্যান শ্বেখ

অপৰাধ আৰু গণহত্যাৰ অভিযোগত এই ঐতিহাসিক ৰায় প্ৰদান কৰা হয়। ৰায় ঘোষণাৰ কেইঘণ্টাৰ ভিতৰতে দেশান্তৰিত হৈ থকা শ্বেখ হাছিনাই লিখিত বিবৃতি যোগে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ এই ৰায়ক "সম্পূৰ্ণ পক্ষপাতদুষ্ট, ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত আৰু অবৈধ" বুলি প্ৰত্যাখ্যান কৰে। হাছিনাৰ দাবী, তেওঁৰ বিৰুদ্ধে অনা সকলো অভিযোগৰ পক্ষত একোটা প্ৰমাণো আদালতত দাখিল কৰা হোৱা নাই।" এই ৰায় অন্তৰ্ৱৰ্তীকালীন চৰকাৰত থকা চৰমপন্থী ব্যক্তিসকলৰ নিৰ্লজ্জতা আৰু হত্যাকাৰী মনোভাৱৰ প্ৰতিফলন মাত্ৰ। বাংলাদেশৰ নিৰ্বাচিত শেষগৰাকী প্ৰধানমন্ত্ৰীক অপসাৰণ কৰি আৱামী লীগক ৰাজনৈতিকভাৱে ধ্বংস কৰাৰ ষড়যন্ত্ৰৰ অংশহে এই ৰায়" বুলি হাছিনাই বিবৃতিত উল্লেখ কৰে। তেওঁ লগতে কয় যে, তেওঁৰ শাসনকালত বাংলাদেশত মানৱাধিকাৰ আৰু উন্নয়নৰ ক্ষেত্ৰত বহু অভূতপূৰ্ব কাম হৈছে, যাৰ বাবে তেওঁ গৰ্বিত। এই ৰায়ৰ প্ৰতিবাদত আৱামী লীগে মঙলবাৰে বাংলাদেশজুৰি সাধাৰণ বন্ধৰ আহ্বান জনাইছে। দলৰ জ্যেষ্ঠ নেতাসকলে জনোৱা মতে, এই বন্ধ শান্তিপূৰ্ণ হ'ব আৰু জনসাধাৰণৰ স্বতঃস্ফূৰ্ত সমৰ্থন পাব।

## নগা-অসমীয়াৰ সম্পৰ্ক উন্নীতকৰণ সম্পৰ্কত মহাসংঘ

সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি জানিব পৰা গৈছে। এনএছচিএন (আইএম)ৰ উপ-প্ৰধানমন্ত্ৰী লেফটেনেণ্ট জেনেৰেল ভি এছ এটেমৰ নেতৃত্বত এক সাতজনীয়া সদস্যৰ দলৰ সৈতে মহাসংঘৰ প্ৰতিনিধিসকলে প্ৰায় দুঘণ্টাজুৰি আলোচনাত মিলিত হয়। আলোচনাত নগা-অসমীয়াৰ ঐতিহাসিক সম্পৰ্কক পুনৰ শক্তিশালী কৰি উমৈহতীয়া শত্ৰুৰ বিৰুদ্ধে যুঁজিবৰ বাবে যৌথ প্ৰচেষ্টাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সন্মিলিত মহাসংঘৰ সুৰক্ষা পৰিষদৰ সভাপতি মতিউৰ ৰহমানে আলোচনাত অংশগ্ৰহণ কৰি ইয়াণ্ডাবু সন্ধিৰ ঐতিহাসিক প্ৰেক্ষাপট স্পষ্ট কৰি কয় যে বৃটিছৰ আগ্ৰাসনৰ ফলতহে নগা পাহাৰৰ বিস্তীৰ্ণ অঞ্চল অসমৰ সৈতে সংযুক্ত কৰা হৈছিল। তেওঁ দাবী কৰে যে ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখক উত্তৰ-পূৰ্বাঞ্চলৰ খিলঞ্জীয়া পৰিচয়ৰ ভিত্তি আৰু বিদেশী চিনাক্তকৰণৰ বাবে ১৯৫১ চনকে ভিত্তি বুলি গণ্য কৰিব লাগিব। ৰহমানে লগতে কয় ইয়াণ্ডাবু সন্ধিক নগাসকলে বৃটিছৰ সৈতে স্বাধীনতাৰ বিষয়টো আলোচনা কৰাৰ এক সম্ভাব্য ভেটি হিচাপে আখ্যা দিয়ে। তেওঁ ভাৰতীয় ৰাজনৈতিক নেতাসকলে পাহাৰীয়া জনগোষ্ঠীসমূহক নিজৰ ভূ-খণ্ড প্ৰদান নকৰাৰ ফলত সৃষ্টি হোৱা সমস্যাৰ কথাও উল্লেখ কৰে। সেইদৰে এনএছচিএন (আইএম)ৰ উপ-প্ৰধানমন্ত্ৰী ভি এছ এটেমে অসম ভ্ৰমণৰ সময়ত পোৱা অভিজ্ঞতা সোঁৱৰাই নগা-অসমীয়াৰ পুৰণি সম্পৰ্ক মজবুত কৰাৰ ওপৰত গুৰুত্ব দিয়ে। তেওঁ বিপদত এক হৈ যুঁজ দিয়াৰ প্ৰয়োজনীয়তাৰ কথা স্বীকাৰ কৰি মহাসংঘৰ পদক্ষেপক প্ৰশংসা কৰে। মহাসংঘৰ সুৰক্ষা পৰিষদৰ মহাসচিব ডঃ হেমন্ত গগৈয়ে অসমৰ বৰ্তমানৰ পৰিস্থিতিৰ কথা উল্লেখ কৰি নগাসকলৰ সহযোগিতা বিচাৰে। সাংস্কৃতিক আদান-প্ৰদানেৰে সমৃদ্ধ হোৱা এই বৈঠকত দুয়োপক্ষই ভৱিষ্যতত সঘনাই এনে আলোচনা অনুষ্ঠিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই আলোচনাই নগা-অসমীয়াৰ ঐতিহাসিক সম্পৰ্কক নতুন গতিশীলতা প্ৰদান কৰিব বুলি আশা কৰিব পাৰি।

## ছপা মাধ্যমৰ বাবে চৰকাৰী বিজ্ঞাপনৰ হাৰ ২৬ শতাংশ বৃদ্ধি

কাকতৰ প্ৰতি এক লাখ কপিৰ ভিত্তিত ব্লেক এণ্ড হোৱাইট বিজ্ঞাপনৰ প্ৰতি বৰ্গ চেণ্টিমিটাৰৰ মূল্য ৪৭.৪০ টকাৰ পৰা বৃদ্ধি পাই ৫৯.৬৮ টকালৈ হৈছে। ৰঙীন বিজ্ঞাপন, পৃষ্ঠাৰ বিশেষ স্থান (preferential positioning) আদিৰ বাবে প্ৰিমিয়াম হাৰতো সংশ্লিষ্ট সমিতিৰ পৰামৰ্শ অনুসৰি বৃদ্ধি কৰা হৈছে। এই সিদ্ধান্তৰ ফলত ক্ষুদ্ৰ, মজলীয়া আৰু অঞ্চলভিত্তিক ভাষাৰ বাতৰি কাকতসমূহ সৰ্বাধিক লাভৱান হ'ব বুলি মন্ত্ৰালয়ৰ বিষয়াসকলে জনাইছে। ২০১৯ চনত ২৫ শতাংশ বৃদ্ধিৰ পিছত এইবাৰ ২৬ শতাংশ বৃদ্ধিয়ে নিউজপ্ৰিণ্টৰ মূল্যবৃদ্ধি, মজুৰি, মুদ্ৰাস্ফীতি আৰু প্ৰক্ৰিয়াকৰণ ব্যয়ৰ চাপ সাময়িকভাৱে হ্ৰাস কৰিব বুলি আশা কৰা হৈছে। উল্লেখ্য যে, ২০২১ চনৰ ১১ নৱেম্বৰত গঠিত নৱম হাৰ গাঁথনি সমিতিয়ে (9th Rate Structure Committee) দীঘলীয়া পৰ্যালোচনাৰ পিছত ২০২৩ চনৰ ২৩ ছেপ্টেম্বৰত এই বৃদ্ধিৰ পৰামৰ্শ দাখিল কৰিছিল। সমিতিখনে ইণ্ডিয়ান নিউজপেপাৰ চচাইটি (INS), অল ইণ্ডিয়া স্মল নিউজপেপাৰ্ছ এছোচিয়েচনকে ধৰি বিভিন্ন সংগঠনৰ প্ৰতিনিধিৰ মতামত গ্ৰহণ কৰিছিল। একেখন মন্ত্ৰালয়ে আন কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি আছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য হৈছে— বাতৰি কাকতৰ পঞ্জীয়ক (RNI), প্ৰেছ তথ্য ব্যুৰো (PIB) আৰু কেন্দ্ৰীয় যোগাযোগ ব্যুৰো (CBC)ক একত্ৰিত কৰি এটা শক্তিশালী সমন্বিত যোগাযোগ ব্যৱস্থা গঢ়ি তোলাৰ প্ৰক্ৰিয়া। টেলিভিছন চেনেলৰ টিআৰপি ৰেটিং এজেন্সীৰ নতুন গাইডলাইন প্ৰণয়ন; প্ৰথম পৰ্যায়ৰ পৰামৰ্শ শেষ হৈছে, শীঘ্ৰে দ্বিতীয় পৰামৰ্শপত্ৰ প্ৰকাশ পাব। লগতে, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰিছে যে ইণ্ডিয়ান ইনষ্টিটিউট অৱ মাছ কমিউনিকেচন (IIMC)ত সাংবাদিকসকলৰ বাবে ১০০খন পাৰ্ট-টাইম পি এইচ ডি আসনৰ ব্যৱস্থা কৰা হ'ব। এই পদক্ষেপে সাংবাদিকতাৰ ক্ষেত্ৰত গৱেষণাৰ মানদণ্ড উন্নত কৰাৰ লক্ষ্য ৰাখিছে। ছপা মাধ্যমৰ প্ৰতিনিধিসকলে এই সিদ্ধান্তক স্বাগতম জনাইছে যদিও কয় যে নিউজপ্ৰিণ্টৰ মূল্য আৰু GST হ্ৰাসৰ দৰে অধিক স্থায়ী সমাধানৰ প্ৰয়োজন এতিয়াও আছে।

## কাহিলীপাৰাৰ বাসগৃহত স্থাপন হ'ব প্ৰাণৱন্ত প্ৰতিমূৰ্তি

প্ৰতিষ্ঠা কৰা হ'ব তেওঁৰ জীৱন্তৰূপী এক প্ৰতিমূৰ্তি। প্ৰায় এমাহ ধৰি দিনে-ৰাতিয়ে কঠোৰ পৰিশ্ৰম কৰি কেইগৰাকীমান নিবেদিত ভাস্কৰ্যশিল্পীয়ে এই প্ৰতিমূৰ্তিটো সম্পূৰ্ণ কৰি তুলিছে। প্ৰতিমূৰ্তিটোৰ মুখৰ হাঁহি, চকুৰ দৃষ্টি আৰু গিটাৰ হাতত লৈ থকা ভংগিমা—সকলোতে যেন প্ৰাণ পাই উঠিছে জুবিন গাৰ্গ নিজেই। গুৱাহাটীৰ নুনমাটিত এমাহজুৰি নিৰ্মাণৰ কাম চলি থকা এই প্ৰতিমূৰ্তিটোত এতিয়া শেষ পৰশ বাকী। কাইলৈ জন্মদিনৰ দিনা সন্ধিয়া ইয়াক সাজ-সজ্জা কৰি, গামোচাৰে সন্মান জনাই গাড়ীৰে কাহিলীপাৰালৈ লৈ যোৱা হ'ব আৰু জুবিনৰ বাসগৃহৰ প্ৰৱেশদ্বাৰৰ সমুখতে প্ৰতিষ্ঠা কৰা হ'ব। ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰাপক, জুবিনৰ দীৰ্ঘদিনীয়া ঘনিষ্ঠ বন্ধু তথা 'মিছন চাইনা', 'কাঞ্চনজংঘা', 'ৰৈ ৰৈ বিনালে' আদি ছবিৰ কলা নিৰ্দেশক জ্যোতিশংকৰ ভট্টাচাৰ্যৰ নেতৃত্বত এই প্ৰতিমূৰ্তি নিৰ্মাণ কৰা হৈছে। তেওঁৰ লগত আছে মঞ্জিত কলিতা, হীৰকজ্যোতি ডেকা, ৰূপম ডেকা, দ্বীপজ্যোতি ডেকা, ধৰ্মেন্দ্ৰ কলিতা আৰু গোপাল দাস—মুঠ সাতগৰাকী শিল্পীৰ এটা নিষ্ঠাবান দল। জ্যোতিশংকৰ ভট্টাচাৰ্যই সংবাদ মাধ্যমৰ আগত কয়, "এয়া কোনো বাণিজ্যিক প্ৰকল্প নহয়। জুবিন দাৰ প্ৰতি থকা আমাৰ সকলোৰে ভালপোৱা আৰু সন্মানৰ প্ৰতীক হে এই প্ৰতিমূৰ্তি। একো পাৰিশ্ৰমিক নোহোৱাকৈয়ে আমি নিজৰ প্ৰচেষ্টাতে এই কাম সমাপ্ত কৰিলোঁ। কাঠৰ ফ্ৰেমৰ পৰা আৰম্ভ কৰি মাটিৰ ভাস্কৰ্য, তাৰ পিছত ফাইবাৰ গ্লাছৰ কাষ্টিং আৰু শেষত কপাৰ-ব্ৰঞ্জ ৰং সানি জীৱন্ত কৰি তুলিলোঁ। এতিয়া এই প্ৰতিমূৰ্তি দেখিলে যিকোনো অনুৰাগীয়ে ক'ব—'জুবিন দা নিজেই থিয় হৈ আছে'।" তেওঁ লগতে কয়, "কাইলৈ আমি সকলোৰে গামোচা কান্ধত দলিয়াই, গাড়ীৰ চীট খুলি, সন্মানেৰে এই প্ৰতিমূৰ্তি কাহিলীপাৰালৈ লৈ যাম। জুবিন দাৰ জন্মদিনৰ দিনা এইটোৱেই হ'ব তেওঁৰ লাখ লাখ অনুৰাগীৰ ফালৰ পৰা এক হৃদয়স্পৰ্শী উপহাৰ।" জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে ইতিমধ্যে সমগ্ৰ অসমতে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কিন্তু কাহিলীপাৰাৰ বাসগৃহত এই প্ৰাণৱন্ত প্ৰতিমূৰ্তিৰ প্ৰতিষ্ঠাই নিশ্চিতভাৱে এইবাৰৰ জন্মদিনক এক ঐতিহাসিক মুহূৰ্তলৈ ৰূপান্তৰিত কৰিব বুলি আশা কৰিছে তেওঁৰ অনুৰাগীসকলে।

## টাডা আদালতত জামিন মঞ্জুৰ দৃষ্টি

অপহৰণৰ গোচৰত অভিযুক্ত দৃষ্টি ৰাজখোৱাই আজি আদালতত হাজিৰ হয়। আদালতে দুজন জামিনদাৰ আৰু প্ৰত্যকৰে এক লাখ টকাৰ জৰিমণাৰ বিনিময়ত ৰাজখোৱাক জামিন মঞ্জুৰ কৰে। উল্লেখযোগ্য যে ১৯৯৩ চনত কাৰ্বি আংলং জিলাৰ খেৰণিত কানহায়ালাল গুপ্তা নামৰ এজন ৰে'লৱেৰ ঠিকাদাৰক অপহৰণৰ এটা গোচৰৰ ভিত্তিত আৰক্ষীয়ে দৃষ্টি ৰাজখোৱাসহ আন কেইবাজনৰো বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছিল। আদালতে গোচৰ সংক্ৰান্তত হাজিৰ হোৱা বাবে দৃষ্টি ৰাজখোৱালৈ চমন জাৰি কৰিছিল যদিও নিৰ্ধাৰিত দিনত হাজিৰ নোহোৱা বাবে আদালতে দৃষ্টি ৰাজখোৱাৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰে। সেই অনুসৰি আজি অভিযুক্ত ৰাজখোৱাই আদালতত হাজিৰ হৈ আদালতৰ কোনো গ্ৰেপ্তাৰী পৰোৱানা লাভ কৰা নাই বুলি অৱগত কৰে। এই ভাষ্যৰ আধাৰতে আদালতে অভিযুক্ত ৰাজখোৱাৰ জামিন মঞ্জুৰ কৰে।

## কংগ্ৰেছৰ জনজাতিকৰণৰ প্ৰতিশ্ৰুতি কাগজতে আৱদ্ধ হৈ

কয়, "কংগ্ৰেছৰ শাসনকালত বহুবাৰ জনজাতিকৰণৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল, কিন্তু সেই সকলো কথা কেৱল কাগজতে আৱদ্ধ হৈ ৰ'ল। বিধানসভাত টাই-আহোমসহ ছয় জনগোষ্ঠীক এছটি মৰ্যাদা প্ৰদানৰ প্ৰস্তাৱ গৃহীত হোৱাৰ পিছতো কংগ্ৰেছ নেতৃত্বই কোনো স্পষ্ট নীতি বা কাৰ্যপন্থা ঘোষণা কৰা নাছিল।" তেওঁ লগতে অভিযোগ কৰে যে কংগ্ৰেছৰ শাসনকালতে লাখ লাখ বিদেশীক অসমত প্ৰৱেশৰ পথ মুকলি কৰি দিয়া হৈছিল, কিন্তু খিলঞ্জীয়া জনগোষ্ঠীৰ অস্তিত্ব আৰু অধিকাৰ সুৰক্ষাৰ বাবে কোনো কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল। "ভোটৰ আগতে দিয়া প্ৰতিশ্ৰুতি কেৱল অভিনয় আছিল। সেই প্ৰতাৰণাৰ উচিত প্ৰত্যুত্তৰ হিচাপে অসমৰ ৰাইজে তৰুণ গগৈৰ নেতৃত্বাধীন কংগ্ৰেছক ক্ষমতাৰ পৰা বহিষ্কাৰ কৰিছিল, "বুলি তামুলীয়ে স্মৰণ কৰাই দিয়ে। বৰ্তমানৰ বিজেপি নেতৃত্বাধীন চৰকাৰৰ প্ৰতি টাইপাই আস্থা প্ৰকাশ কৰিছে। সভাপতি তামুলীয়ে কয়, "মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিভিন্ন মঞ্চত জনজাতিকৰণৰ প্ৰশ্নত ইতিবাচক মন্তব্য কৰি সমস্যাটো সমাধানৰ দিশে আগবাঢ়িবলৈ আগ্ৰহী বুলি প্ৰতিশ্ৰুতি দিছে। আমি তেওঁৰ কথাত বিশ্বাস ৰাখিছোঁ।" টাইপাৰ দাবী, ছয় জনগোষ্ঠীক জনজাতিকৰণ প্ৰদান কৰিলে অসমত মুছলমান নেতৃত্বৰ ৰাজনৈতিক প্ৰভাৱ কমি আহিব আৰু ভাৰতীয় সংবিধানৰ আৰ্হিৰ ভিতৰতে খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰ আৰু ভৱিষ্যত অধিক সুৰক্ষিত হ'ব। "জনজাতিকৰণ কোনো দলীয় ৰাজনীতিৰ বিষয় নহয়, এয়া অসমীয়া জাতিৰ অস্তিত্ব আৰু পৰিচয়ৰ প্ৰশ্ন" বুলি সংগঠনটোৱে স্পষ্ট কৰে। যিসকলে এই বিষয়ত ছয় জনগোষ্ঠীক তুচ্ছ-তাচ্ছিল্য কৰিছে বা ভুল তথ্য প্ৰচাৰ কৰিছে, তেওঁলোকৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও টাইপাই ঘোষণা কৰিছে। শেষত টাইপাৰ হুংকাৰ: "বৰ্তমানৰ চৰকাৰে অতি সোনকালে ছয় জনগোষ্ঠীক জনজাতিকৰণৰ স্বীকৃতি প্ৰদান কৰি অসমীয়া সমাজৰ দীৰ্ঘদিনীয়া আশা পূৰণ কৰক। নহ'লে আগন্তুক দিনত ৰাইজৰ প্ৰতিক্ৰিয়াই ৰাজনৈতিক সমীকৰণ সম্পূৰ্ণৰূপে সলনি কৰি পেলাব।"

## জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত অসমত গণস্বাক্ষৰ অভিযান

অজযুচাপৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানত সমগ্ৰ ৰাজ্যতে আজি ব্যাপক গণস্বাক্ষৰ অভিযান অনুষ্ঠিত হৈছে। প্ৰতিখন জিলা সদৰত হাজাৰ হাজাৰ অসমীয়া যুৱক-যুৱতী আৰু সাধাৰণ ৰাইজে জুবিনৰ ন্যায়ৰ দাবীত স্বাক্ষৰ কৰি সংগঠনৰ প্ৰতি সমৰ্থন জনাইছে। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত ন্যায়িক হস্তক্ষেপৰ দাবীৰে আৰম্ভ হোৱা এই কাৰ্যসূচীয়ে অসমৰ প্ৰতিখন চুক-কোণত সঁহাৰি লাভ কৰিছে। অজযুচাৰ নেতৃত্বই জনোৱা অনুসৰি, আজিৰ গণস্বাক্ষৰ অভিযানৰ পিছত লাখ লাখ স্বাক্ষৰ সংগ্ৰহ কৰি প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীৰ হাতত স্মাৰকপত্ৰ প্ৰদান কৰা হ'ব। আনফালে, কাইলৈ ১৮ নৱেম্বৰ জুবিন গাৰ্গৰ জন্মদিন। প্ৰাণৰ শিল্পীৰ জীৱনৰ পৰা বিচ্ছেদৰ পিছত এয়া প্ৰথম জন্মদিন, যিটো জুবিন অবিহনে অসমীয়া ৰাইজে পালন কৰিবলগীয়া হৈছে। এই শোকাবহ দিনটোতো ন্যায়ৰ সংগ্ৰাম অব্যাহত ৰখাৰ সংকল্প লৈ অজযুচাই প্ৰতিখন জিলা সদৰৰ পৰা বিশাল বাইক ৰেলীৰ আয়োজন কৰিছে। "জুবিনৰ জন্মদিনতো আমি তেওঁৰ ন্যায়ৰ বাবে ৰাজপথত থাকিম" বুলি সংগঠনৰ মুখপাত্ৰই স্পষ্ট কৰিছে। উল্লেখ্য যে, জুবিন গাৰ্গৰ মৃত্যুৰ পিছৰে পৰা অজযুচাকে ন্যায়িক তদন্তৰ দাবীত একেৰাহে কাৰ্যসূচী পালন কৰি আহিছে। আজিৰ গণস্বাক্ষৰ আৰু কাইলৈৰ বাইক ৰেলীয়ে এই আন্দোলনক নতুন গতি প্ৰদান কৰিব বুলি সংগঠনৰ নেতৃত্বই আশা প্ৰকাশ কৰিছে। "জুবিন গাৰ্গ কেৱল এজন গায়ক নাছিল, তেওঁ আছিল অসমীয়াৰ হিয়াৰ ধ্বনি। তেওঁৰ মৃত্যুৰ ন্যায় নোপোৱালৈকে আমাৰ সংগ্ৰাম অব্যাহত থাকিব" বুলি অজযুচাৰ এগৰাকী কাৰ্যকৰ্তাই কয়।

## আজি জুবিনবিহীন প্ৰথমটো জন্মদিন

প্ৰাণৰ শিল্পীগৰাকীয়ে। মোহিনী মোহন বৰঠাকুৰৰ ঔৰসত আৰু ইলি বৰঠাকুৰৰ গৰ্ভত জন্মলাভ কৰা জুবিন গাৰ্গৰ প্ৰকৃত নাম জীৱন বৰঠাকুৰ। পৰৱৰ্তী সময়ত প্ৰসিদ্ধ গীতিকাৰ জুবিন মেহতাৰ নামত তেওঁৰ নাম ৰখা হৈছিল জুবিন। পিচলৈ উপাধি হিচাপে গোত্ৰ ব্যৱহাৰ কৰি জুবিন গাৰ্গ হিচাপে পৰিচিত হয়। অসমৰ সাংস্কৃতিক জগতখনত তেওঁৰ অৱদান অনবদ্য। অম্লান প্ৰতিভাৰে অসমৰ সাংস্কৃতিক জগতখনক আলোকিত কৰি তুলিছিল জুবিন গাৰ্গে। তেওঁ আছিল একাধাৰে কণ্ঠশিল্পী, সংগীত পৰিচালক, গীতিকাৰ, পৰিচালক আৰু অভিনেতা। জুবিন গাৰ্গৰ পিতৃ কপিল বৰঠাকুৰে এটা লেখাত উল্লেখ কৰা মতে, জুবিনৰ শৈশৱৰ পৰা গানৰ প্ৰতি আছিল বিশেষ আকৰ্ষণ। গানৰ সমান্তৰালকৈ তেওঁ যথেষ্ট কিতাপো পঢ়িছিল। জুবিন যেতিয়া পানীকেঁচুৱা আছিল, তেতিয়া পিতৃ কপিল ঠাকুৰে ৮০ টকা দি এটা ৰেডিঅ' কিনি আনিছিল। পাঁচ বছৰমান হওঁতে তামুলপুৰত থাকোঁতে তেওঁ জুবিনক সৰু কী-ব'ৰ্ড এখন কিনি দিছিল। আনুষ্ঠানিক সংগীত শিক্ষাৰ ক্ষেত্ৰত জুবিনে তবলা শিকে কৰিমগঞ্জত। ৰবীন বেনাৰ্জীৰ ওচৰত তবলা শিকিছিল জুবিন গাৰ্গে। সেই সময়ত তেওঁৰ সংগীতৰ ক্ষেত্ৰত কোনো আনুষ্ঠানিক শিক্ষা নাছিল। নিজৰ একাগ্ৰতা, নিষ্ঠা, সংগীতৰ প্ৰতি ধাউতিৰ বাবেই কী-ব'ৰ্ড, গীটাৰ, তবলা, কংগো, নাল, ঢুলকী, ড্ৰাম আদি নিখুঁতকৈ বজাব পাৰিছিল তেওঁ। ১৯৯২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত যুৱ মহোৎসৱত একক পাশ্চাত্য সংগীত পৰিৱেশন কৰি স্বৰ্ণপদক অৰ্জন কৰিছিল জুবিন গাৰ্গে, যিটো আছিল তেওঁৰ জীৱনৰ এটা টাৰ্নিং পইণ্ট। ইয়াতেই জুবিনে, কণ্ঠশিল্পীৰূপে প্ৰথমবাৰৰ বাবে সফলতা অৰ্জন কৰে। ইয়াৰ পাছতে ১৯৯২ চনত মুক্তি লাভ কৰে জুবিন গাৰ্গৰ প্ৰথম এলবাম 'অনামিকা'। এয়াই আছিল জুবিনৰ পেছাদাৰী সংগীত জগতত প্ৰথম খোজ। এই এলবামটোতে যথেষ্ট জনপ্ৰিয়তাৰ অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পাছত আৰু জুবিন গাৰ্গে পিছলৈ ঘূৰি চাবলগীয়া নহ'ল। থলুৱা আৰু পশ্চিমীয়া সুৰ তথা সংগীতৰ সাৰ্থক সংমিশ্ৰণেৰে অসমৰ সংগীত জগতত সৃষ্টি কৰা এক নতুন ধাৰাৰ বাবে শ্ৰোতাৰ মাজত অভূতপূৰ্বভাৱে জনপ্ৰিয় হৈ পৰে জুবিন গাৰ্গৰ গীত। প্ৰায় ৩৮ হাজাৰ আধুনিক তথা ৰোমাণ্টিক গীত, বিহুগীত, টোকাৰী গীত, বৰগীত, লোকগীত, বনগীত আৰু অন্যান্য লোক সংগীতৰ কেছেট-চিডিত কণ্ঠদান কৰিছে তেওঁ।

## ৩ মাহৰ ভিতৰত সকলো অবৈধ স্থাপত্য ভাঙি

ধ্বংসৰ বিৰুদ্ধে কঠোৰ হস্তক্ষেপ কৰিছে। মুখ্য ন্যায়াধীশ বি আৰ গাভাইৰ নেতৃত্বৰ তিনিজনীয়া খণ্ডপীঠে ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে যে, বিশেষজ্ঞ সমিতিৰ দ্বাৰা চিনাক্ত কৰা সকলো অবৈধ নিৰ্মাণ তিনি মাহৰ ভিতৰত সম্পূৰ্ণৰূপে ভাঙি পেলোৱা হ'ব লাগিব। লগতে মাত্ৰ দুমাহৰ ভিতৰত কেন্দ্ৰীয় ক্ষমতাপ্ৰাপ্ত সমিতি (CEC)ৰ সৈতে আলোচনা কৰি ৰিজাৰ্ভ পুনৰুদ্ধাৰৰ বিশদ পৰিকল্পনা আদালতত দাখিল কৰিব লাগিব। অধিবক্তা গৌৰৱ কুমাৰ বংশালে দাখিল কৰা ৰিট আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে এই কঠোৰ নিৰ্দেশ জাৰি কৰে। আবেদনত প্ৰকাশ পোৱা অনুসৰি, কৰবেটৰ মূল বাঘ অঞ্চলত প্ৰয়োজনীয় অনুমতি অবিহনে প্ৰায় ৩ হাজাৰৰো অধিক গছ কটা হৈছে আৰু বৃহৎ পৰিসৰত অবৈধ স্থাপত্য গঢ় লৈ উঠিছে। এই কাৰ্যই বন্যপ্ৰাণী সুৰক্ষা আইন, ১৯৭২ আৰু বন (সংৰক্ষণ) আইন, ১৯৮০ৰ গুৰুতৰ উলংঘা কৰিছে। উল্লেখ্য, গছ কটাৰ এই ঘটনাৰ CBI তদন্ত এতিয়াও চলি আছে। আদালতে বাঘৰ মূল অঞ্চল আৰু বাফাৰ জ'নত অনুমোদিত কাৰ্যকলাপৰ ওপৰতো নতুন নিৰ্দেশিকা জাৰি কৰিছে আৰু দেশৰ সকলো বাঘ-সংৰক্ষিত ৰাজ্যক এইকেইটা গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণৰ নিৰ্দেশ দিছে: প্ৰতিটো বাঘ সংৰক্ষিত অঞ্চলৰ বাবে বিশদ সংৰক্ষণ পৰিকল্পনা প্ৰস্তুত কৰা, প্ৰতিখন ৰিজাৰ্ভৰ দায়িত্ব ক্ষেত্ৰ পৰিচালকৰ হাতত থোৱা, ৰিজাৰ্ভৰ ওচৰৰ সকলো বাণিজ্যিক ৰিজৰ্টৰ অনুমোদিততা পুনৰীক্ষণ কৰি প্ৰয়োজন সাপেক্ষে স্থানান্তৰ কৰা, শব্দ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা, ছাফাৰীৰ বাবে ধীৰে ধীৰে বৈদ্যুতিক বাহনলৈ স্থানান্তৰ কৰা। ভাৰতৰ প্ৰথমটো ৰাষ্ট্ৰীয় উদ্যান আৰু অন্যতম পুৰণি বাঘ সংৰক্ষিত অঞ্চল কৰবেট টাইগাৰ ৰিজাৰ্ভত বৰ্তমান ২৫০ৰো অধিক বাঘৰ লগতে হাতী, চিতাবাঘ আৰু শ শ প্ৰজাতিৰ চৰাইৰ বাস। কিন্তু অবৈধ নিৰ্মাণ আৰু গছ কটাৰ ফলত এই জৈৱ-বৈচিত্ৰ্য গুৰুতৰ সংকটৰ সন্মুখীন হৈছে। পৰিৱেশ বিশেষজ্ঞসকলে সকীয়াই দিছে যে, যদি শীঘ্ৰে কঠোৰ ব্যৱস্থা নলয় তেন্তে কৰবেটৰ প্ৰাকৃতিক ভাৰসাম্য চিৰদিনৰ বাবে নষ্ট হ'ব পাৰে। উচ্চতম ন্যায়ালয়ে এই ৰায়ৰ জৰিয়তে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে। পৰৱৰ্তী শুনানি তিনি মাহৰ পিছত নিৰ্ধাৰণ কৰা হৈছে আৰু তেতিয়ালৈকে উত্তৰাখণ্ড চৰকাৰে কিমান পৰিমাণে নিৰ্দেশ পালন কৰিছে, তাৰ বিতং প্ৰতিবেদন দাখিল কৰিব লাগিব।

## নিউ তিনিচুকীয়া ৰে'ল ষ্টেচনত ৪৪ জন সন্দেহজনক লোকক আটক




**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৭ নৱেম্বৰ ঃ** জম্মু-কাশ্মীৰৰ ৪৪ জনীয়া এটা সন্দেহজনক লোকৰ দলক সোমবাৰে অসমৰ নিউ তিনিচুকীয়া ৰে'লৱে ষ্টেচনত আটক কৰা হয়। দলটো চণ্ডীগড় এ'প্ৰেছেৰে আহি তিনিচুকীয়াত উপস্থিত হোৱাত স্থানীয় যুৱক কেইজনমানে তেওঁলোকৰ সন্দেহ হোৱাত দলটোক আটক কৰে। ঘটনা সন্দৰ্ভত চৰকাৰী ৰে'ল আৰক্ষী আৰু হিজুগুৰি থানাৰ আৰক্ষীক অৱগত কৰাত GRP আৰু হিজুগুৰি আৰক্ষী ঘটনাটোৰ তদন্ত কৰিবলৈ ৰে'ল ষ্টেচনত উপস্থিত হয়। এজন ঠিকাদাৰৰ নিমন্ত্ৰণক্ৰমে জম্মু-কাশ্মীৰৰ পৰা তেওঁলোক অহা বুলি উল্লেখ কৰে যদিও তেওঁলোকৰ কোনোজনেই ঠিকাদাৰৰ নাম স্পষ্টকৈ উল্লেখ কৰিব নোৱাৰে বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। সোধা-পোছাৰ সময়ত, দলটোৰ একাংশই তেওঁলোক প্ৰথমবাৰৰ বাবে তিনিচুকীয়ালৈ অহা বুলি উল্লেখ কৰি টাৱাৰ নিৰ্মাণ আৰু মাটি খন্দা কামৰ লগতে অৰুণাচলত প্ৰকল্পত শ্ৰমিক হিচাপে কাম কৰিবলৈ অহা বুলি কয়। আৰক্ষীয়ে সমগ্ৰ ঘটনা তদন্ত কৰি আছে বুলি জানিবলৈ দিছে।

## মুখ্যমন্ত্ৰীক এপ্ৰিলতে জনোৱা হৈছিল তথ্য নজনোৱাৰ অভিযোগ

চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে। স্বতন্ত্ৰ সংবাদ মাধ্যম 'দ্য ক্ৰছকাৰেণ্ট'ৰ প্ৰকাশ অনুসৰি, এই হাই-প্ৰফাইল অনুষ্ঠানৰ মুখ্য পৃষ্ঠপোষক আৰু আয়োজক আছিল ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনস্থ ছিংগাপুৰস্থিত ভাৰতীয় উচ্চায়োগ। আৰটিআইৰ জৰিয়তে পোৱা নথি-পত্ৰই প্ৰমাণ কৰিছে যে যোৱা ২৯ এপ্ৰিলতেই ছিংগাপুৰৰ ভাৰতীয় উচ্চায়ুক্ত ড০ ছিলপাক আম্বুলেই অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ এখন আনুষ্ঠানিক পত্ৰ প্ৰেৰণ কৰিছিল। পত্ৰত স্পষ্টভাৱে উল্লেখ আছিল যে ফেষ্টিভেলৰ মূল সংগঠক শ্যামকানু মহন্তই অসম চৰকাৰৰ সৈতে যোগাযোগ কৰিব আৰু উদ্বোধনী অনুষ্ঠানত চৰকাৰী বিষয়া, উদ্যোগী, ব্যৱসায়ী আৰু সাংস্কৃতিক গোষ্ঠীৰ উপস্থিতি কাম্য। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা, একেখন পত্ৰতে অসম চৰকাৰক এই ফেষ্টিভেলৰ বাবে আৰ্থিক সহায় আগবঢ়োৱাৰ অনুৰোধো জনোৱা হৈছিল। পত্ৰ লাভ কৰাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজৰ হাতেৰে "প্লিজ স্পীক" বুলি টোকা লিখি বিষয়টো মুখ্য সচিবলৈ প্ৰেৰণ কৰিছিল। পৰৱৰ্তী সময়ত ১১ মে'ত মুখ্য সচিব ৰবি কোটাই পত্ৰখন 'এক্ট ইষ্ট পলিচী এফেয়াৰ্ছ' বিভাগৰ সচিবলৈ পঠিয়াই "বৈদেশিক মন্ত্ৰালয়ৰ পৰামৰ্শ লওক" বুলি নিৰ্দেশ দিছিল। এই নথি-পত্ৰই স্পষ্ট কৰি দিয়ে যে জুবিন গাৰ্গৰ ছিংগাপুৰ যাত্ৰাৰ কেইমাহমান আগতেই অসম চৰকাৰ এই সমগ্ৰ কাৰ্যসূচীৰ বিষয়ে সম্পূৰ্ণৰূপে অৱগত আছিল। উল্লেখ্য যে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী হিচাপে দায়িত্বত আছে অসমৰ ৰাজ্যসভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা। জুবিনৰ মৃত্যুৰ পিছত মুখ্যমন্ত্ৰী শৰ্মাই বাৰে বাৰে দাবী কৰি আহিছে যে তেওঁ এই ফেষ্টিভেলৰ বিষয়ে কোনো ধাৰণা নাছিল আৰু ই এক ব্যক্তিগত কাৰ্যসূচী আছিল। কিন্তু এতিয়া প্ৰকাশ পোৱা চৰকাৰী নথি-পত্ৰই তেওঁৰ এই বক্তব্যক সম্পূৰ্ণৰূপে খণ্ডন কৰিছে। ইফালে, 'দ্য ক্ৰছকাৰেণ্ট'ৰ আৰটিআই আবেদনৰ উত্তৰত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে "বিষয়টো তদন্তাধীন" বুলি কৈ তথ্য প্ৰকাশত অস্বীকৃতি জনাইছে। কিন্তু একেটা তথ্য অসম চৰকাৰৰ এক্ট ইষ্ট পলিচী বিভাগৰ পৰা আৰটিআইৰ জৰিয়তে লাভ কৰিবলৈ সক্ষম হৈছে সংবাদ মাধ্যমটোৱে। এই প্ৰকাশে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তক লৈ নতুন প্ৰশ্নৰ সৃষ্টি কৰিছে। অনুৰাগী আৰু ৰাজহুৱা মহলৰ একাংশই এতিয়া দাবী উত্থাপন কৰিছে যে, ৰাইজৰ ৰোষৰ পৰা বাচিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই এই বিষয়ে তথ্য গোপন কৰিছে বা বিভ্ৰান্তিকৰ বক্তব্য দি আহিছে। আগন্তুক দিনত এই প্ৰকাশে ৰাজনৈতিক পৰিৱেশক আৰু উত্তপ্ত কৰি তুলিব বুলি আশংকা কৰা হৈছে।

## লণ্ডনৰ সংগ্ৰহালয়ৰ কৰ্তৃপক্ষ অসম চৰকাৰৰ মাজত

বিশেষভাৱে সংৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা কৰা হ'ব আৰু ইয়াৰ বাবে ভূমিও আৱণ্টন দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। অসমত প্ৰদৰ্শন হোৱাৰ পাছত দিল্লী, মুম্বাই আদিতো বস্ত্ৰখন প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে আজি লণ্ডনৰ প্ৰবাসী ভাৰতীয়সকলক সাক্ষাৎ কৰি তেওঁলোকৰ সৈতে মত-বিনিময় কৰে।

## শ্বিলঙৰ চেৰী ব্ল'জম ফেষ্টিভেলত জুবিন গাৰ্গলৈ

অনুষ্ঠিত হোৱা চেৰী ব্ল'জম ফেষ্টিভেল এইবাৰো বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰ্যটক আৰু সংগীতপ্ৰেমীৰ মন মোহিবলৈ সক্ষম হৈছে। বিশ্ববিখ্যাত শিল্পী, যেনে নোৰা ফাতেহী, দ্য স্ক্ৰিপ্ট, জেছন ডেৰুলো, একুৱা, ডিপ্'ো আদিয়ে তেওঁলোকৰ অনুষ্ঠানৰ দ্বাৰা এই উৎসৱক কৰিছে সমৃদ্ধ। কিন্তু এই সকলোৰে মাজত এটা মুহূৰ্ত আছিল যিয়ে অসমীয়া জনতাৰ হৃদয়ত এক গভীৰ স্পৰ্শ কৰিছে। অনুষ্ঠিত হোৱা বিশেষ শ্ৰদ্ধাঞ্জলিৰ অনুষ্ঠানত অসমৰ চাৰিগৰাকী শ্ৰেষ্ঠ কণ্ঠশিল্পী— জুবলী বৰুৱা, প্ৰিয়ংকা ভৰালী, অৰূপজ্যোতি বৰুৱা আৰু প্ৰবীণ বৰাই সমবেতভাৱে জুবিন গাৰ্গৰ কালজয়ী গীতসমূহৰ দ্বাৰা শিল্পীগৰাকীক উৎসৰ্গা কৰা হয়। বিশেষকৈ 'মায়াবিনী' গীতটোৱে সৃষ্টি কৰা পৰিৱেশ আছিল এককথাত মোহলগা। জুবিন গাৰ্গ কেৱল এগৰাকী শিল্পী নাছিল, তেওঁ আছিল অসমীয়া সংস্কৃতি আৰু জন-জীৱনৰ এক জীৱন্ত প্ৰতীক। তেওঁৰ সংগীতে আমাৰ উৎসৱ-পাৰ্বণ, হাঁহি-কান্দোন, প্ৰেম-বিৰহ, জাতীয়তাবোধৰ ধাৰাকেই সুৰেৰে বান্ধি ৰাখিছিল। তেওঁৰ অৱৰ্তমানত এটা শূন্যতা অনুভৱ কৰা আমাৰ সমাজে, আজি শ্বিলংৰ দৰে এখন আন্তঃৰাষ্ট্ৰীয় মঞ্চত তেওঁলৈ শ্ৰদ্ধাঞ্জলি জনোৱা দেখি এক সুখদ আৰু গৰ্বৰ অনুভূতি জাগ্ৰত হৈছে। এই ঘটনাই কেৱল জুবিন গাৰ্গৰ জনপ্ৰিয়তাকে নুবুজায়, ই ঈংগিত দিয়ে যে উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক ঐক্য আৰু ভাতৃত্ববোধ আজিও অটুট। চেৰী ব্ল'জম ফেষ্টিভেলৰ দৰে এখন বিশ্বস্তৰীয় উৎসৱত অসমৰ এগৰাকী শিল্পীৰ প্ৰতি এনেধৰণৰ সন্মান প্ৰদৰ্শন কৰাটোৱে আমাৰ অঞ্চলৰ সাংস্কৃতিক সম্পৰ্কক আৰু সুদৃঢ় কৰাৰ লগতে ইয়াক এক বৃহত্তৰ প্লে-টফৰ্মলৈ লৈ গৈছে। ইয়াৰ দ্বাৰা ভাৰতৰ আন ৰাজ্য আৰু বিশ্বৰ বিভিন্ন দেশৰ লোকসকলেও অসমীয়া সংগীতৰ সমৃদ্ধিশালী ঐতিহ্যৰ সৈতে পৰিচয় হ'বলৈ সুযোগ পাইছে। জুবিন গাৰ্গৰ গীতবোৰ কেৱল অসমীয়া ভাষাৰেই নহয়, ইংৰাজী, হিন্দী, বঙালী আদি বিভিন্ন ভাষাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বহুভাষী জনগোষ্ঠীৰ মাজতো সমান জনপ্ৰিয়। গতিকে, শ্বিলংত তেওঁৰ গীতবোৰ শুনিবলৈ পোৱাটোৱে এই অঞ্চলৰ সাংস্কৃতিক সাদৃশ্য আৰু একতাকেই প্ৰতিফলিত কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক ভাৰতবৰ্ষৰ মূলসুঁতিৰ সৈতে সংযুক্ত কৰাত জুবিন গাৰ্গৰ সংগীতে সদায়েই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁৰ গীতবোৰত পৰিৱেশিত হোৱা প্ৰকৃতিৰ সৌন্দৰ্য্য, জনজাতীয় জীৱনশৈলী আৰু সৰল মানৱীয় অনুভূতিয়ে সমগ্ৰ দেশৰে শ্ৰোতাক আকৰ্ষিত কৰিছিল। গতিকে, মেঘালয়ৰ দৰে এখন সৌন্দৰ্য্যময় ৰাজ্যত তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাটো এক যথাৰ্থ পদক্ষেপ বুলিব পাৰি। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোৱে আমাক কেইটামান গুৰুত্বপূৰ্ণ কথালৈ মনত পেলাই দিয়ে। প্ৰথমতে, জুবিন গাৰ্গৰ দৰে শিল্পীসকল আমাৰ সমাজৰ বাবে কিমান মূল্যবান, যিয়ে কেৱল মনোৰঞ্জনেই নকৰি, আমাৰ সংস্কৃতি আৰু পৰিচয়ক এক সুৰত বান্ধি ৰাখে। দ্বিতীয়তে, চেৰী ব্ল'জম ফেষ্টিভেলৰ দৰে উদ্যোগসমূহে কেৱল পৰ্যটন আৰু অৰ্থনীতিলৈ হে অৰিহণা যোগোৱা নাই, ই সাংস্কৃতিক বিনিময় আৰু পাৰস্পৰিক সন্মানৰ এক অপাৰ সম্ভাৱনাৰ দ্বাৰ মুকলি কৰিছে।

# অসম পেট্ৰোকেমিকেলচ লিমিটেডত উৎপাদিত মিথানলক ভাৰতীয় সেনাই ব্যৱহাৰ কৰিব "ফুৱেল চেল" হিচাপে জাৰ্মানীক বিক্ৰী কৰিব মিথানল

**অসম বাৰ্তা, নাহৰকটীয়া, ১৭ নৱেম্বৰ ঃ** ১৯৭১ চনত নামৰূপত স্থাপন হোৱা অসম পেট্ৰোকেমিকেলচ লিমিটেডৰ সৈতে শেহতীয়াকৈ জাৰ্মানীৰ এটা কোম্পানীয়ে ইয়াৰ উৎপাদিত সামগ্ৰীৰ গুণগত মানদণ্ডৰ ওপৰত ভিত্তি কৰি ক্ৰয় কৰাৰ বাবে চুক্তিবদ্ধ হৈছে। ইয়াৰ উপৰিও অসম পেট্ৰকেমিকেলচত উৎপাদিত মিথানলক 'ফুৱেল চেল'হিচাপে ব্যৱহাৰ কৰিব ভাৰতীয় সামৰিক বাহিনীয়ে। ভাৰতৰ যিবোৰ অঞ্চল অতি দুৰ্গম সেই অঞ্চল সমূহত ভাৰতীয় সামৰিক বাহিনীয়ে এই মিথানলৰ পৰা বিদ্যুৎ উৎপাদন কৰি বিদ্যুতৰ প্ৰয়োজনীয়তা পূৰণ কৰিব। এই সম্পৰ্কত আজি নামৰূপৰ অসম পেট্ৰকেমিকেলচৰ সভাগৃহত এখন সংবাদ মেল অনুষ্ঠিত হয়। উদ্যোগটোৰ অধ্যক্ষ বিকুল্ চন্দ্ৰ ডেকা আৰু পৰিচালন সঞ্চালক ৰাজনিশ গগৈয়ে সংবাদ মেলত উল্লেখ কৰে যে প্ৰাকৃতিক গেছৰ অত্যধিক মূল্যৰ বাবে উদ্যোগটোৱে বিভিন্ন সময়ত প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে আৰু প্ৰতি টন মিঠানলত ২৫-৩০ হাজাৰ টকাত বিক্ৰী কৰি আহিছে কিন্তু বৰ্তমানে প্ৰতিটন মিঠানলত ৯৯ হাজাৰ টকাত বিক্ৰী কৰিবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰে। ইয়াৰ উপৰিও ভাৰতৰ বিভিন্ন ৰাজ্যলৈ অসম পেট্ৰকেমিকেলচ লিমিটেডত উৎপাদিত সামগ্ৰী বিক্ৰী কৰাৰ ক্ষেত্ৰত পথ পৰিবহণৰ ব্যয় যথেষ্ট বৃদ্ধি পোৱা হেতুকে উদ্যোগটোৰ যি ধৰণে লাভ পাব লাগিছিল তেনেদৰে লাভ নোহোৱাৰ বাবে শেহতীয়াকৈ জল পৰিবহণৰ যোগেদি এই সামগ্ৰী সমূহ দেশৰ বিভিন্ন ৰাজ্যলৈ প্ৰেৰণ কৰাৰ বাবে চুক্তি সম্পন্ন হৈছে। অসম পেট্ৰকেমিকেলচ লিমিটেডৰ অধ্যক্ষ বিকুল চন্দ ডেকাই লগতে উল্লেখ




কৰে যে গুজৰাটৰ কাংলা পৰ্টত অসম পেট্ৰকেমিকেলচ লিমিটেডক সম্প্ৰসাৰণ কৰি তাতে ইলেকট্ৰলাইট মিঠানল প্ৰস্তুত কৰা এটা উৎপাদন গোট স্থাপন কৰাৰ বাবে কাংলা পৰ্টৰ কৰ্তৃপক্ষৰ লগত আলোচনা চলি আছে আৰু যি যি সা-সুবিধাৰ প্ৰয়োজন হ্ব সকলোপ্ৰদান কৰা হ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰিছে আৰু ইয়াৰ যোগেদি মিথানলৰ চাহিদা বৃদ্ধি পাব বুলি উল্লেখ কৰে। কেৱল এই ক্ষেত্ৰত ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ সহযোগিতাৰ প্ৰয়োজন হ'ব বুলি উল্লেখ কৰে। বিগত দিনবোৰত অসম পেট্ৰ'কেমিকেলচ লিমিটেডক সুন্দৰ ভাবে আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যি সহযোগিতা আগবঢ়াইছে তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

## অসমৰ চাহ খেতিয়কসকল গভীৰ সংকটত ঃ প্ৰভাত কমল বেজবৰুৱা

# সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ মুখপত্ৰ 'নতুন সেউজ সোণ'ৰ তৃতীয় সংখ্যা উন্মোচন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৭ নৱেম্বৰ ঃ** সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ ত্ৰিমাসিক মুখপত্ৰ 'নতুন সেউজ সোণ' প্ৰথম বৰ্ষৰ তৃতীয় সংখ্যাটি আজি অসম গ্ৰন্থমেলাস্থলী যোৰহাটত উন্মোচন কৰা হয়। এই উপলক্ষে গ্ৰন্থমেলাৰ জুবিন গাৰ্গ সোঁৱৰণী অস্থায়ী প্ৰেক্ষাগৃহত সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতি ৰাজেন বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত মুখপত্ৰখন অনুষ্ঠানিকভাৱে উন্মোচন কৰি বিশিষ্ট চাহ খেতিয়ক, টোকোলাই চাহ গৱেষণা কেন্দ্ৰৰ প্ৰাক্তন অধ্যক্ষ প্ৰভাত কমল বেজবৰুৱাই কয়, ৰাজ্যত বৰ্তমান আঢ়ৈ লাখৰো অধিক ক্ষুদ্ৰ চাহ খেতিয়ক আছে। দেশৰ অৰ্থনীতিত এইসকল চাহ খেতিয়কে যথেষ্ট অৱদান আগবঢ়াইছে। চাহ বিদেশলৈও ৰপ্তানি কৰা হৈছে। তাৰ বিনিময়ত চৰকাৰে যথেষ্ট ৰাজহ সংগ্ৰহ কৰিছে। কিন্তু বিগত ১৫ বছৰত চাহৰ দাম একে দৰতেই আছে। চাহ খেতিয়কসকলৰ সমস্যা অলেখ। এই সমস্যা সমাধানত চৰকাৰে গুৰুত্ব নিদিলে চাহ ভাৰতে তথা অসমে আমদানি কৰিবলগীয়া হ'ব। এই অৱস্থা অব্যাহত থাকিলে খুউব-বেছি পাঁচ বছৰৰ পাছতে চাহ খেতিয়কসকল মহাসংকটৰ সন্মুখীন হ'ব। চাহ খেতি আৰু ব্যৱসায় এৰিবলৈ বাধ্য হ'ব। ফলত ক্ষতিগ্ৰস্ত হ'ব শ্ৰমিকসকল। ১৯৮৭ চনতে প্ৰতিষ্ঠা কৰা সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ আটাইতকৈ বৃহৎ আৰু প্ৰভাৱশালী সংগঠন বুলি তেওঁ উল্লেখ কৰাৰ লগতে ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ উন্নয়ন বাবে টোকোলাই চাহ গৱেষণা কেন্দ্ৰৰ অধ্যক্ষ হৈ থকাৰ সময়ত তেওঁ ক্ষুদ্ৰ চাহ খেতিয়কসকলক দিহা-পৰামৰ্শৰ ব্যৱস্থা কৰিছিল। অসম চৰকাৰৰ পেঞ্চনপ্ৰাপ্ত সাংবাদিক নিৰঞ্জন মহন্তই সভাত বক্তব্য আগবঢ়ায়। 'নতুন সেউজ সোণ'ৰ সম্পাদক মৃণাল বৰদলৈয়ে আঁতধৰা সভাত ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতি ৰাজেন বৰাই 'নতুন সেউজ সোণ' প্ৰকাশৰ আঁৰৰ কাহিনী আৰু বৰ্তমানৰ স্থিতি সন্দৰ্ভত ব্যাখ্যা কৰে। 'নতুন সেউজ সোণ'ৰ মুখ্য সম্পাদক যোগেশ ওজাই তিনিমহীয়াকৈ প্ৰকাশ কৰা মুখপত্ৰখনৰ লক্ষ্য-উদ্দেশ্য ব্যক্ত কৰাৰ লগতে আগন্তুক সময়ত আলোচনীখনৰ পৰিকল্পনাৰ ব্যাখ্যা কৰি চাহ খেতিয়কসকলৰ লগতে অন্যান্যসকলকো চাহ খেতিৰ বিষয়ক লেখা, গল্প, প্ৰবন্ধ, কবিতা আদি প্ৰকাশৰ বাবে আহ্বান জনায়। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সহকাৰী সম্পাদক জগত সন্দিকৈ, যোৰহাট জিলা চাহ খেতিয়ক সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি নাছিৰ আহমেদ বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰা সভাখনত বহুকেইখন জিলাৰ ভালেসংখ্যক ক্ষুদ্ৰ চাহ খেতিয়কৰ লগতে অন্যান্যসকল উপস্থিত থাকে। উল্লেখ্য, 'নতুন সেউজ সোণ'ৰ তৃতীয় সংখ্যাটো শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই প্ৰকাশ কৰে।

# পুৰণিগুদামত অগপৰ উদ্যোগত জাতীয় স্বাভিমান দিৱসৰ প্ৰস্তুতি

**অসম বাৰ্তা, পুৰণিগুদাম, ১৭ নৱেম্বৰ ঃ** অসম আৰু অসমীয়াৰ প্ৰাণৰ শিল্পী, সংগীতৰ ৰাজপুত্ৰ জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদনাৰ্থে বৰেণ্য শিল্পীগৰাকীৰ জন্মদিনটো অসম গণ পৰিষদে জাতীয় স্বাভিমান দিৱস হিচাপে পালন কৰিবলৈ মনস্থ কৰিছে। অসম যুৱ পৰিষদ আৰু অসম ছাত্ৰ পৰিষদ, বঢ়মপুৰ সমষ্টিৰ উদ্যোগত অসম গণ পৰিষদ, বঢ়মপুৰৰ সহযোগত পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালত প্ৰাঙ্গণত ১৮ নৱেম্বৰৰ দিনৰ এক বজাৰ পৰা বিভিন্ন কাৰ্যসূচীৰে শিল্পীজনৰ ৫৩ সংখ্যক জন্ম দিৱসটো পালন কৰিব। উক্ত অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি নাহৰকে ধৰি অন্যান্য বৃক্ষৰোপণ, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি প্ৰদান, দিহানাম পৰিৱেশন, বিশিষ্ট অতিথিৰ ভাষণ, জুবিন গাৰ্গৰ গীত পৰিৱেশন, প্ৰকৃতি বন্ধু আৰু গ্ৰন্থ বন্ধুক বিশেষ সম্বৰ্ধনা আৰু সমস্বৰে মায়াবিনী ৰাতিৰ বুকুত গীত পৰিৱেশন কৰিব। উক্ত অনুষ্ঠানত সকলো ৰাইজক উপস্থিত থাকিবলৈ জাতীয় স্বাভিমান দিৱস উদযাপন সমিতিৰ সভাপতি মামণি বৰা, কাৰ্যকৰী সভাপতি পূৰ্ণানন্দ বাৰিক, সম্পাদক ভূপেন বেজবৰুৱা, খগেন কুমাৰ গায়ন আৰু ৰামচন্দ্ৰ বৰাই অনুৰোধ জনাইছে।

## প্ৰেছ দিৱসত ৰোগীক ৰূপহী সংবাদ ক্লাৱৰ ফল-মুল বিতৰণ; জুবিনৰ নামত গছপুলি ৰোপণ

# "ছপা মাধ্যমক অস্বীকৃত ডিজিটেল ঢৌৱে কেতিয়াও উটুৱাই নিব নোৱাৰে"

**অসম বাৰ্তা, ৰূপহীহাট, ১৬নৱেম্বৰ ঃ** সমগ্ৰ দেশৰ লগতে ৰূপহী সংবাদ ক্লাৱৰ উদ্যোগতো আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হয়। তদুপলক্ষে ৰূপহী সংবাদ ক্লাৱৰ সভাপতি খৰ্গেশ্বৰ বৰুৱাৰ সঞ্চালনাত এখনি অনুষ্ঠিত হয়। সভাত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ তাৎপৰ্যৰ বিষয়ে জ্যেষ্ঠ সাংবাদিক খৰ্গেশ্বৰ বৰুৱাই ভাষণ প্ৰদান কৰে। আজি ডিজিটেল মাধ্যমৰ ব্যাপক প্ৰচাৰ আৰু প্ৰসাৰৰ সময়তো সাংবাদিক সকল সংবাদ পৰিৱেশনৰ বেলিকা যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ কথা প্ৰকাশ কৰি সমাজক প্ৰতিনিধিত্ব কৰি জনতাক আগস্থান দিয়া সংবাদ পৰিৱেশনত সচেষ্ট হ'ব লাগিব বুলি সাংবাদিক বৰুৱাই ব্যক্ত কৰে। প্ৰিন্ট মিডিয়াই হওক বা ইলেক্ট্ৰনিক মিডিয়াই হওক, সংবাদিকৰ মাজত কোনো কাৰণে বিভাজন আহিব নালাগে। অস্বীকৃত পৰ্টেল ব্যৱস্থাই সংবাদ জগতক ঢৌৰ সৃষ্টি কৰিছে যদি এই ঢৌ কেতিয়াও স্থায়ী নহয়। এনে জোৱাৰ সময়ৰ সোঁতত কিমান দিনলৈকে বৰ্তি থাকে তাত সন্দেহ আছে, কিন্তু ছপা সাংবাদিকতাক কেতিয়া কোনো ঢৌৱে সমূলি উটুৱাই নিব নোৱাৰে। কাৰণ প্ৰিন্ট মিডিয়া সমাজৰ চিৰ পৰিচিত আৰু সমাজ ব্যৱস্থাৰ সৈতে ই সম্পৃক্ত বুলি সাংবাদিক বৰুৱাই ভাষণত উল্লেখ কৰে। সভাৰ অন্তত ৰূপহী সংবাদ ক্লাৱৰ সাংবাদিক সকলে ৰূপহী মডেল হস্পিটেলত উপস্থিত হৈ ৰোগী সকলৰ স্বাস্থ্যৰ খবৰ লোৱাৰ লগতে ৰোগী সকলৰ মাজত ফল-মুল বিতৰণ কৰে। লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ নামত গছপুলি ৰোপণ কৰে। গছপুলি ৰোপণ অনুষ্ঠানত ৰূপহী মডেল হস্পিটেলৰ চিকিৎসক ডা: শ্বৰিফ উল্লাহ, অগপ নেতা ইদ্ৰিছ আলী আহমেদ, ৰৌমাৰী আদৰ্শ একাডেমীৰ প্ৰধান শিক্ষক আব্দুৰ ৰেজ্জাক আদি উপস্থিত থাকে।

# তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত জিলা "আকাশ" অনুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৭ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত আৰু ডিগবৈ সাহিত্য সেৱা সমিতি শতদল শাখাৰ আতিথ্যত ডিগবৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ প্ৰেক্ষাগৃহত জিলা পৰ্যায়ৰ "আকাশ" অনুষ্ঠানটো দেওবাৰে অনুষ্ঠিত হৈ যায়। পুৱা পতাকা উত্তোলন কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই, স্মৃতি তৰ্পণ কৰে ডিগবৈ সাহিত্য সেৱা সমিতিৰ সভাপতি নিৰুপমা গোস্বামীয়ে। উদ্বোধনী অনুষ্ঠানটোত সভাপতিত্ব কৰে জিলা সভাপতি লম্বেশ্বৰ চেতিয়াই। জিলা সম্পাদক অৰূপ কুমাৰ চাংমায়ে আঁত ধৰা অনুষ্ঠানটোৰ শুভ উদ্বোধন কৰে তিনিচুকীয়া জিলাৰ সহকাৰী আয়ুক্ত মাধুৰীমা দিহিঙ্গীয়াই আৰু লগতে উপস্থিত থকে ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পবিত্ৰ ভৰালী, জিলাৰ প্ৰাক্তন সভাপতি প্ৰবীণ বৰা, প্ৰাক্তন উপ সভাপতি দীপেন কুমাৰ বড়া, তিনিচুকীয়া জিলাৰ সহকাৰী আয়ুক্ত প্ৰণামী গগৈ, ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সাংগঠনিক সম্পাদক সুনীল কুমাৰ গুৰুং, অসম সাহিত্য সভাৰ প্ৰচাৰ উপ-সমিতিৰ উপ-সভাপতি পুলক কুমাৰ গগৈ। সভাৰ আৰম্ভণিতে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা, হিয়াৰ আমঠু জুবিন গাৰ্গ, অনাতাঁৰ ঘোষক, শিল্পী চৈয়দ ছাদুল্লা আৰু আন্তৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক দীপক শৰ্মাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। নিৰুপমা গোস্বামীয়ে আদৰণি ভাষণ প্ৰদান কৰাৰ পিছতেই ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পবিত্ৰ ভৰালীয়ে মহাবিদ্যালয়ৰ তৰফৰ পৰা আদৰণি ভাষণ প্ৰদান কৰে। উদ্বোধনী অনুষ্ঠানৰ পিছতেই "আকাশ" অনুষ্ঠান আৰম্ভ হয়। "আকাশ" উপ-সমিতিৰ কাৰ্যকৰী সভাপতি বিমলা বৰুৱা আৰু আহ্বায়ক বৰ্ণালী ফুকন, বুলবুলি বুঢ়াগোহাঁয়ে আঁত ধৰা অনুষ্ঠানত জিলাখনৰ ২৩খন শাখাৰ মহিলা অংশগ্ৰহণকাৰীসকলে তেওঁলোকৰ প্ৰতিভা প্ৰদৰ্শন কৰি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে।

# জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে আছুৰ গছপুলি ৰোপণ কাৰ্যসূচী

**অসম বাৰ্তা, উজনী মাজুলী, ১৭ নৱেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত অসমীয়াৰ হিয়াৰ আমঠু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্ম দিনৰ উপলক্ষে আছুৱে তিনিদিনীয়া কাৰ্যসূচী ৰূপায়ণ কৰিছে। ১৬ নৱেম্বৰত জিলাখনত চিত্ৰ শিল্পীৰ দ্বাৰা শিল্পী গৰাকীৰ লগত জড়িত বিষয়সমূহৰ চিত্ৰ অংকন কৰাৰ পিছত আজি সমগ্ৰ অসমৰ প্ৰতিখন আঞ্চলিক ছাত্ৰ সন্থাই গছপুলি ৰোপণ কাৰ্যসূচী পালন কৰে। প্ৰকৃতিৰ লগত একাত্ম হৈ থকা প্ৰকৃতিক ভাল পোৱা শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে জেংৰাই আঞ্চলিক ছাত্ৰ সন্থাই ৰাজহুৱা স্থান, বিদ্যালয়ৰ প্ৰাঙ্গণত নাহৰ পুলি ৰোপণৰ কাৰ্যসূচী ৰূপায়ণ কৰি শিল্পী গৰাকীলৈ শ্ৰদ্ধা জনাই ন্যায়ৰ বাবে দাবী কৰে। কাৰ্যসূচীত উপস্থিত থাকে আছুৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা। জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক মনোজ শইকীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰজত শইকীয়া, বিপুল শইকীয়াকে প্ৰমুখ্য কৰি স্থানীয় ৰাইজ, শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল।

## জুবিন গাৰ্গৰ ভাস্কৰ্য শিল্প উদ্বোধন বিধায়ক ৰূপক শৰ্মাৰ

# নগাঁৱত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ভাস্কৰ্য শিল্প উদ্বোধন

**অসম বাৰ্তা, বঢ়মপুৰ, ১৭ নৱেম্বৰ ঃ** অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত নিৰ্মাণ কৰা ভাস্কৰ্য শিল্প নগাঁৱত আনুষ্ঠানিক ভাৱে শুভ উদ্বোধন কৰা হয়। নগাঁও চহৰৰ কাঠমিল চাৰিআলিত থকা জিৰণি চ'ৰা সমিপত এনেদৰে কাঠ মিল ব্ৰাডাৰ্ছৰ উদ্যোগত গঢ়ি তুলা হয় এক সুন্দৰ পৰিবেশ। ভাস্কৰ্য শিল্পী গণেশ বৰায়ে সাজি উলিওৱা জুবিন গাৰ্গৰ ভাস্কৰ্য সোমবাৰে উদ্বোধন কৰে নগাঁও বটদ্ৰৱা বিধান সভা সমিষ্টৰ বিধায়ক ৰূপক শৰ্মাই। লগতে জিৰণি চ'ৰাৰ কাষতে নাহৰ পুলি ৰোপণ কৰাৰ লগতে শান্তিৰ প্ৰতিক কেইবাটাও পাৰ চৰাই মুকলি কৰি দিয়ে অনুষ্ঠানটোত।

# ৰাষ্ট্ৰীয় সমবায় সপ্তাহ উপলক্ষে নগাঁৱৰ শ্বহীদ ভৱনত পানীমেটেকাৰ পৰা বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰা কৰ্মশালা সম্পন্ন

**অসম বাৰ্তা, নগাঁও, ১৬ নৱেম্বৰ ঃ** সৰ্বভাৰতীয় সমবায় সপ্তাহ সমাৰোহ উপলক্ষে অসমৰ সমবায় সমিতি সমূহৰ পঞ্জীয়ক নাৰায়ণ কোঁৱৰৰ প্ৰচেষ্টাত আৰু নগাঁও জিলাৰ সমবায় সমিতি সমূহৰ উপ-পঞ্জীয়ক আৰু সহকাৰী পঞ্জীয়কৰ সৌজন্যত মহিলা সবলীকৰণৰ ওপৰত পোনপ্ৰথমবাৰৰ বাবে ১৪ নৱেম্বৰৰ পৰা ১৭নৱেম্বৰলৈ পানী মেটেকাৰে উৎপাদন কৰিব পৰা বিভিন্ন সামগ্ৰী উৎপাদনৰ এক প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হয়। এই শিবিৰত উপস্থিত থকা সমল ব্যক্তি সকল ক্ৰমে সমবায় সমিতি-সমূহৰ মুখ্য কাৰ্যালয়ৰ উপ-পঞ্জীয়ক কণ কুমাৰ শৰ্মা, কামৰূপ সমবায় সমিতি-সমূহৰ উপ-পঞ্জীয়ক, ড° পৰেশ সাহা, নগাঁও সমবায় সমিতি-সমূহৰ উপ-পঞ্জীয়ক মৰমী ভকত। অসম সমবায় সমিতি সমূহৰ শিক্ষা বিষয়া নয়নজ্যোতি বৰ্মন আৰু নগাঁও সমবায় সমিতি-সমূহৰ সহকাৰী পঞ্জীয়ক হিমাংশু কলিতা আদি। আন্তঃৰাষ্ট্ৰীয় সমবায় বৰ্ষ ২০২৫ৰ সৈতে সংগতি ৰাখি সমবায় সমূহে এখন উন্নত পৃথিৱী গঢ়ি তোলাৰ মানসৰে আৰু অসম চৰকাৰৰ ৭২ সংখ্যক সৰ্বভাৰতীয় সহযোগিতা সপ্তাহৰ সৈতে সংগতি ৰাখি সমবায় সমিতি অসমৰ পঞ্জীয়কৰ উদ্যোগত আৰু দলংঘাট হেণ্ডিক্ৰাফ্ট চি এছ লিমিটেডৰ সহযোগত নগাঁও চহৰৰ শ্বহীদ ভৱনত অনুষ্ঠিত হোৱা এই পানী মেটেকাৰ প্ৰশিক্ষণত নগাঁও জিলাৰ সৰ্বমুঠ ৮০ গৰাকী মহিলাই এই প্ৰশিক্ষণ কাৰ্যসূচী উপস্থিত থাকে।

## কৃষ্ণ-শংখচূড়-ডেৰ-শতাধিক গোপীৰ অভিনয়ে মোহাচ্ছন্ন কৰিলে ৰাইজক; দ্বিতীয় বৃন্দাবনলৈ ৰূপান্তৰ কলঙৰ পাৰ

# জাগীয়াল-পেটবঢ়াৰ কলঙৰ পাৰত নৈসৰ্গিক পৰিবেশত ৪৯ সংখ্যক ৰাস-মহোৎসৱ

**অসম বাৰ্তা, নগাঁও, ১৬ নৱেম্বৰ ঃ** নগাঁও জিলাৰ ডিমৌ চাৰিআলিৰ সমীপৰ ইতিহাস প্ৰসিদ্ধ কলঙৰ পাৰৰ জাগীয়াল পেটবঢ়াত প্ৰকৃতিৰ নৈসৰ্গিক পৰিবেশত যোৱানিশা কৃষ্ণ-শংখচূড়-ডেৰ শতাধিক গোপীৰ অভিনয়ে গোটেই নিশা জীপাল হৈ পৰিল কলঙৰ পাৰ। কালি পুৱা পৰিবেশ নিকাকৰণৰ পিছত ধৰ্মধ্বজা উত্তোলন কৰে উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি তথা সমাজকৰ্মী ৰোপণ হাজৰিকাই। পৰৱৰ্তী নাহৰৰ পুলি ৰোপণ কৰে সমাজকৰ্মী ৰেৱ হাজৰিকা আৰু মোহন হাজৰিকাই। পৰৱৰ্তী নান্দনিক ভাগৱত শোভাযাত্ৰাত ৰাস-লীলা, দিহানাম, গায়ন-বায়ন, অংকীয়া ভাওনা আদি প্ৰকাশিত হৈ উঠে। দুপৰীয়া নাম-প্ৰসংগ অনুষ্ঠিত হয়। সন্ধিয়া যোৱা পৰিবেশনৰ পিছতে জুবিন গাৰ্গৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। সমাজকৰ্মী ৰেৱ হাজৰিকা, ৰাস-কমিটিৰ স্থায়ী সমিতিৰ সভাপতি ভূপেন শইকীয়াঈ জুবিন গাৰ্গৰ সৃষ্টি আলোকপাত কৰাৰ লগতে সৃষ্টিৰাজি সংৰক্ষণৰ অনুৰোধ জনায়। লগতে ৰাস-মণ্ডপত শিল্পী গৰাকীৰ মায়াবিনী গীত সকলোৱে সমস্বৰে পৰিবেশন কৰে। পৰৱৰ্তী উদযাপন সমিতিৰ সম্পাদক জীৱন শইকীয়াই আঁতধৰা অনুষ্ঠানটিত শংকৰী কৃষ্টি সাধক সকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। পৰৱৰ্তী সমাজকৰ্মী ৰোপণ হাজৰিকাই উদ্বোধন কৰা অনুষ্ঠানটিত লেখক-সাংবাদিক দেৱজিৎ হাজৰিকা, ঘাঁহী গাঁও পঞ্চায়তৰ সভাপতি মমতা দাসে শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ তাৎপৰ্য সম্পৰ্কীয় ভাষণ প্ৰদান কৰে। উল্লেখ্য যে জাগীয়াল পেটবঢ়া অঞ্চলৰ ডেৰ শতাধিক জীয়ৰী-বোৱাৰীৰ দ্বাৰা পৰিবেশিত ৰাস-ক্ৰীড়াই গোটেই নিশা দৰ্শক ৰাইজক মুহিত কৰি তোলে। আজি পুৱতি নিশা কল্যাণ খৰমানেৰে ৰাস মহোৎসৱৰ সামৰণি পৰে। উল্লেখ্য যে আজি পুৱা পৰিবেশ নিকাকৰণ, দুপৰীয়া নাম-প্ৰসংগ, বিয়লি মহিলা সকলৰ দিহানাম, আৰু নিশালৈ গুৰুজনাৰ অমৰ সৃষ্টি কালীয় দমন নাট অনুষ্ঠিত হয়। উক্ত নাটখনিৰ উদ্বোধন কৰে ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে। দুপৰ নিশালৈকে কালীয় দমন নাটকৰ সাৱলীল অভিনয়ে দৰ্শক ৰাইজক মোহাচ্ছন্ন কৰি ৰাখে। অনুষ্ঠানটিৰ সফল সমাপ্তিৰ বাবে উদ্যোক্তা মোহন বৰা, ভুপেন শইকীয়া, মাধৱছন্দ্ৰ বৰা, জীনশৰন শইকীয়া, ৰাজু বৰাকে ধৰি উদ্যোক্তা মণ্ডলীয়ে কৃতজ্ঞতা প্ৰকাশ কৰে।

# খৈৰাবাৰীৰ গুৰিহাটীত ৬৫ সংখ্যক সৰ্বজনীন শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসোৎসৱৰ সফল সামৰণি

**অসম বাৰ্তা, খৈৰাবাৰী, ১৬নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ অন্যতম ৰাসোৎসৱ খৈৰাবাৰীৰ গুৰিহাটী ৬৫ সংখ্যক সৰ্বজনীন শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসোৎসৱটি ৪ নৱেম্বৰৰ পৰা ১৫ নৱেম্বৰত ১২ দিনীয়া বিভিন্ন বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠানৰ সফল সামৰণি পৰে। অসমৰ বিভিন্ন জাতি জনগোষ্ঠীৰ যৌথ উদ্যোগত অনুষ্ঠিত হোৱা খৈৰাবাৰী গুৰিহাটীৰ সৰ্বজনীন শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসোৎসৱত পূজা অৰ্চনা, আধ্যাত্মিক তথা, বাণিজ্যমেলা, আনন্দমেলা, চাৰ্কাচ, চিনেমা, সাংকৃতিক কাৰ্যসূচী, যাদুখেলা, সম্বৰ্ধনা আদি অনুষ্ঠানৰ উপৰিও বাউল সংগীত, আয়তী নাম, আৰু নাগাৰা নামে ভক্ত সকলৰ লগতে দৰ্শনাৰ্থী সকলক যথেষ্ট উৎসাহ জগালে। শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসোৎসৱৰ লগত সংগতি ৰাখি ৪ নৱেম্বৰৰ দিনা আবেলি ৪ বজাত শ্ৰীকৃষ্ণ আৰু ৰাধাৰ প্ৰতিমালৈ শোভাযাত্ৰাৰে অনুষ্ঠানৰ আৰম্ভণি কৰি ১২ নৱেম্বৰত গুৰিহাটী শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ সফল সামৰণি পেলাই। এইবাৰ গুৰিহাটী শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱত খাগ্ৰাবাৰী আঞ্চলিক হাৰিমু আফাদৰ দ্বাৰা খেৰাই কৃষ্টি প্ৰদৰ্শন, চাৰ্কাচ, আনন্দমেলা, চিত্ৰহাৰ "মনেৰ মানুষ সম্প্ৰদায়ৰ বাউল সংগীত"ৰ অনুষ্ঠান উপৰিও আৰতি, আনন্দমেলা, বাণিজ্যমেলা, চিত্ৰহাৰ, যাদুখেল আদি প্ৰদৰ্শনত হাজাৰ হাজাৰ ভক্তৰ ভিৰ পৰিলক্ষিত হোৱা দেখা যায়। অন্যহাতে ১৫ নৱেম্বৰৰ নিশা ৮ বজাত প্ৰয়াত ৰাসকৰ্মী সকলৰ সোঁৱৰণত সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে বিটিচিৰ পাৰিষদ তথা অসম চৰকাৰৰ মন্ত্ৰী চৰণ বড়োই। সাংস্কৃতিক অনুষ্ঠানৰ জনপ্ৰিয় কণ্ঠ শিল্পী ইলিছা বড়ো আৰু সমৰজিত বড়োৰ সঙ্গীতানুষ্ঠানে দৰ্শকক আপ্লুত কৰে। গুৰিহাটীৰ ৬৫ সংখ্যক ৰাসোৎসৱটি সুচাৰু ৰূপে শান্তিপূৰ্ণ ভাৱে পৰিচালনা কৰাৰ বাবে উদযাপন সমিতিৰ বিষয়ববীয়া সকলে সকলো শ্ৰেণীৰ ৰাইজক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি অনাগত দিনবোৰত গুৰিহাটী শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱত সহায় সহযোগ কৰিবলৈ আহ্বান জনাইছে।

# ধমধমাত অৱসৰী প্ৰধান শিক্ষক গিৰীশ কলিতাক সম্বৰ্ধনা

**অসম বাৰ্তা, ধমধমা, ১৬ নৱেম্বৰ ঃ** ২নং ৰঙাফালি প্ৰাথমিক বিদ্যালয়ৰ বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গিৰীশ কলিতাক উপেন মিনা ফাউণ্ডেচনৰ উদ্যোগত সম্বৰ্ধনা জনোৱা হয়। সেই উপলক্ষে আজি ২ নং ৰঙাফালি প্ৰাথমিক বিদ্যালয়ৰ প্ৰাঙ্গনত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত কৰে। সভাৰ আৰম্ভণিৰ পূৰ্বে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি আৰু বৃক্ষ ৰোপণ কৰে। উপনে মিনা ফাউণ্ডেচনৰ শৈক্ষিক তত্ত্বাৱধায়ক প্ৰণৱ তালুকদাৰে সভাপতিত্ব কৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে উপেন মিনা ফাউণ্ডেচনৰ মুখ্য সমন্বয়ক কুশল বৈশ্যই। শিক্ষকগৰাকীক উপেন মিনা ফাউণ্ডচনে বিদায় সম্বৰ্ধনা দিয়াৰ বাবে অনুষ্ঠিত কৰা সভাখনত ফুলাম গামোচা, জাপি, ধৰ্মীয় কিতাপ, শৰাই, চাদৰ, মানপত্ৰ, আদিৰে বিপুল সম্বৰ্ধনা জনোৱাৰ লগতে বিদ্যালয়খনৰ শিক্ষক অঞ্চলটোৰ সমাজ সচেতক ৰাইজ, ছাত্ৰ-ছাত্ৰীয়ে কলম- কিতাপ আদিৰে সম্বৰ্ধনা জনায়। আনহাতে অৱসৰী শিক্ষক গৰাকীৰ পৰিয়ালেও শিক্ষকগৰাকীকবিদায় সম্বৰ্ধনা জনায়। ইয়াৰ পাছতে বাগানপৰা হাইস্কুলৰ প্ৰধান শিক্ষক অতুল কুমাৰ দাসে উদ্বোধন কৰা অভিনন্দন অনুষ্ঠানটিৰ গলিয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গিৰীন্দ্ৰ কাশ্যপ, ১ নং কাপলাবড়ী প্ৰাথমিক বিদ্যালয়ৰ অসৰৰপ্ৰাপ্ত প্ৰধান শিক্ষক কামেশ্বৰ দাস, গলদীঘলা আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মমতাজুল ইছলাম আদিয়ে বিদায়ী শিক্ষকগৰাকীৰ কৰ্ম জীৱনৰ ওপৰত আলোকপাতৰে ভূয়সী প্ৰশংসা কৰি ভাষণ প্ৰদান কৰে। সভাখনত উপেন মিনা ফাউণ্ডেচনৰ কৰ্মকৰ্তাৰ লগতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ অংশগ্ৰহণ

# তামোলীছিগা জ্ঞান বিকাশ পুথিভঁৰালত "গীতে মাতে শৰতৰ এদিন" উদ্‌যাপন

**অসম বাৰ্তা, জাঁজী, ১৭ নৱেম্বৰ ঃ** যোৰহাট জিলাৰ তামোলীছিগা জ্ঞান বিকাশ পুথিভঁৰালৰ উদ্যোগত ছাত্ৰ ছাত্ৰী আৰু শিশু সকলৰ মানসিক, বৌদ্ধিক, সাংস্কৃতিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি কালি পুথিভঁৰাল প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে "গীতে মাতে শৰতৰ এদিন" শীৰ্ষক এটি সাংস্কৃতিক অনুষ্ঠান বৰ্ণাঢ্য কাযসূচীৰে সম্পন্ন হয়। এই উপলক্ষে পুৱা পুথিভঁৰালৰ পতাকা উত্তোলন কৰে সভাপতি পবিত্ৰ বৰাই। আনহাতে বৃক্ষ ৰোপণ, স্মৃতি তৰ্পণ, অনুষ্ঠানত অংশগ্ৰহণ কৰে সমাজকৰ্মী মণিৰাম সন্দিকৈ আৰু ডিম্বেশ্বৰ বৰাই। আনহাতে শিল্পী প্ৰয়াত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সহযোগ কৰে সাংস্কৃতিক কৰ্মী জিতেন বৰাই। ইয়াৰোপৰি জুবিন গাৰ্গৰ স্মৃতিত বৃক্ষ ৰোপণ কৰে বিশিষ্ট সমাজ কৰ্মী মাখন বৰাই। কাৰ্যসূচী অনুসৰি পুৱা ১০ বজাত অঞ্চলটিৰ বয়োজ্যেষ্ঠ প্ৰায় ২০জন ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। দুপৰীয়া মঞ্চ উদ্বোধন কৰে দুলিয়া গাঁৱৰ বিশিষ্ট সমাজ কৰ্মী ববিতা বৰাই। সমান্তৰাল ভাবে মঞ্চ উদ্বোধনৰ পাছতেই ছাত্ৰ ছাত্ৰী সকলে গীত মাত পৰিবেশন কৰি অনুষ্ঠান টু জিপাল কৰি তোলে। তদুপৰি সন্ধিয়া তামোলীছিগা জ্ঞান বিকাশ পুথিভঁৰালৰ সম্পাদক যদুমণি হাজৰিকাই আঁত ধৰা অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাঘেৰিটা, মৰিয়নী সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, বামুণপুখুৰী জিলা পৰিষদৰ সদস্য সীমান্ত বৰুৱা লগতে তামূলীছিগা গাঁও পঞ্চায়তৰ সভানেত্ৰী শুৱলা সোণোৱাল বৰাকে ধৰি বহুকেইজন গণ্য মান্য ব্যক্তি। আনহাতে অনুষ্ঠানটিত কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই বৰ্তমানৰ চৰকাৰ খনৰ উন্নয়নমূলক কাম সমূহৰ ওপৰত বক্তব্য দাঙি ধৰে। লগতে তেওঁ সামাজিক অনুষ্ঠান সমূহৰ বতমান সময়ত গুৰুত্ব থকাৰ কথা উল্লেখ কৰে। অনুষ্ঠানটিৰ উন্নয়নৰ বাবে সাংসদ পুঁজিৰ একলাখ টকা অনুদান আগবঢ়ায়। অন্যহাতে মৰিয়নী সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে ও বক্তব্য প্ৰদান কৰে আৰু তামূলীছিগা জ্ঞান বিকাশ পুথিভঁৰালৰ উন্নয়নৰ বাবে এক লাখ টকা অনুদান আগবঢ়ায়। উলেক্ষ যে পিছপৰা তামোলী ছিগা অঞ্চলটোত কেন্দ্ৰীয় মন্ত্ৰীজনৰ আগমন আৰু অনুষ্ঠানটোলৈ দিয়া অনুদানত ৰাইজে সন্তোষ প্ৰকাশ কৰে। শেষত সম্পাদক যদুমণি হাজৰিকাই শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠানৰ সামৰণি মাৰে।

# ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব চাওঁতালী সাহিত্য পৰিষদৰ অষ্টম বাৰ্ষিক কেন্দ্ৰীয় অধিবেশন

**অসম বাৰ্তা, মেৰাপানী, ১৭ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ সৰুপথাৰত ২০২৬ চনৰ ৩১ আৰু ১ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে চাওঁতালী সাহিত্য পৰিষদৰ কেন্দ্ৰীয় অধিৱেশন। আজি অধিবেশনৰ উদ্‌যাপন সমিতি গঠনৰ উদ্দেশ্যে আজি সৰুপথাৰৰ শিৱাজী ক্লাৱত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। উক্ত সভাত মেৰাপানীৰ বোপাৰাম হাচদাক সভাপতি লক্ষ্মীনাথ হেমৰমক কাৰ্যকৰি সভাপতি অৰুণ মাৰ্ডীক সম্পাদক আৰু ৰমেন মূৰ্মূক কোষাধ্যক্ষ হিচাপে লৈ এখনি শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হয়। উক্ত দুদিনীয়া কাৰ্যসূচীত সমূহ অসমবাসীৰ সহায় সহযোগিতা লগতে দিহা পৰামৰ্শ উদযাপন সমিতিয়ে কামনা কৰিছে। এই কথা প্ৰেছ বিবৃতিযোগে মেৰাপানী পৰা জানিবলৈ দিছে উদযাপন সমিতিৰ সভাপতি বোপাৰাম হাচদাই।

# মৰিগাঁৱৰ মিকিৰভেটাত ভয়ংকৰ পথ দুৰ্ঘটনাত মহিলাৰ অকাল মৃত্যু

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৭ নৱেম্বৰ ঃ** মৰিগাঁও জিলাৰ মিকিৰভেটাৰ সমীপৰ ঢোৱাসাপত আজি পুৱাৰ ভাগত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এগৰাকী মহিলাৰ থিতাতে মৃত্যু ঘটে। এখন ডাম্পাৰ আৰু স্কুটীৰ মাজত সংঘটিত হোৱা মুখামুখি সংঘৰ্ষৰ ফলত স্কুটীখনৰ আৰোহী কপাহেৰা গাঁৱৰ তিনা দেৱী নামৰ মহিলা গৰাকীৰ অকাল বিয়োগ ঘটে। প্ৰাপ্ত তথ্য মতে তিনা দেৱী নামৰ মহিলা গৰাকীয়ে তেওঁৰ এ এছ ২১ এফ ৬০৬৮ নম্বৰৰ স্কুটীখনেৰে হাবিবৰঙাবাৰীৰ মাকৰ ঘৰলৈ বুলি আহি আছিল। গন্তব্যস্থানৰ পৰা সামান্য দুৰত্বত ঢোৱাসাপ অঞ্চলত বিপৰীত দিশৰ পৰা তীব্ৰ গতিত আহি থকা এ এছ ০১ পি চি ৩৩২৫ নম্বৰৰ ডাম্পা এখনে স্কুটীখনক খুন্দিয়াই চোচৰাই লৈ যায়। ফলত থিতাতে নিহত স্কুটি আৰোহী মহিলা গৰাকী। ইপিনে দুৰ্ঘটনাটো সংঘটিত কৰিয়ে পলায়ন কৰে ডাম্পাৰৰ চালকজন। পিছত মিকিৰভেটা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰোণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আনহাতে দুৰ্ঘটনাটো সংঘটিত কৰা ডাম্পাৰখন জব্দ কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন